৺শ্ৰীশ্ৰীহৰি[redacted]ৰ

চৰিত্ৰম্।

প্ৰকাশক—

শ্ৰীহৰি নাৰায়ণ দেৱ গোস্বামী।

আৰু

শ্ৰীকৰুণা কান্ত বৰুৱা।

বেচ ১্ টকা।

৺দ্বিজ ৰাণেশ্বৰ

আৰু

৺দ্বিজ দিবাকৰ ৰচিত

শ্ৰীশ্ৰীহৰিদেৱ চৰিত্ৰ।

DISTRICT LIBRARY
(HEM BARUA COLL CTION)
TEZPUR.

মূল শ্লোক আৰু পদাৰ্থৰ সম্বলিত।

শ্ৰীহৰি নাৰায়ণ দেৱ গোস্বামী

আৰু

শ্ৰীকৰুণা কান্ত বৰুৱাৰ দ্বাৰা

সংগৃহীত আৰু প্ৰকাশিত।

প্ৰথম ভাগৰং।

বঙঃ।

শক ১৮৩২।

GOVERNMENT OF ASSAM
Call No ....
DISTRICT LIBRARY.

বেচ ১৲ টকা।

চৰিত্ৰ পুথি প্ৰাপ্তি।

বহু চেষ্টা আৰু পৰিশ্ৰমৰ ফলত মহা পুৰুষ হৰিদেৱৰ এখন মূল সংস্কৃত জীৱন চৰিত আমাৰ হাতত পৰিছে। এই গ্ৰন্থখন সিদ্ধান্ত বাগীশ শ্ৰীপানেশ্বৰ শৰ্ম্মাৰ দ্বাৰা ৰচিত। পুথিখন কেতিয়া ৰচিত তাৰ বিষয় বিশেষ জনা নেযায়। গ্ৰন্থকৰ্ত্তা কামৰূপ জিলাৰ অন্তৰ্গত কৈহাটী সত্ৰাধিকাৰীসকলৰ পূৰ্ব্বপুৰুষ আছিল বুলি জনা যায়। গ্ৰন্থখন উদাৰক আৰু পানেশ্বৰৰ ভিতৰত প্ৰশ্নোত্তৰ চলেৰে লিখা হৈছে। কামৰূপ জিলাৰ নলবাড়ী অঞ্চলত গড়েমাৰা নামেৰে এখন গাওঁ এতিয়াও আছে। ৺দ্বিজ পানেশ্বৰ এই গাওঁৰ পৰা আহি যেতিয়া হৰিগুৰুৰ আশ্ৰম পালেগৈ তেতিয়া তেওঁ জানিব পাৰিলে যে তেওঁ যাৰ পদকমলত আশ্ৰয় পাম বুলি আহিছিল সেই মহা পুৰুষ হৰিগুৰু আৰু ইহ সংসাৰত নাই। এই শোক বাতৰি শুনি তেওঁ তিয়া ভুকুৰাই কান্দিব ধৰিলে আৰু মহাপুৰুষৰ জীৱন বৃত্ত তেওঁৰ পৰম ভক্ত উদাৰকৰ মুখে শুনিলে।

প্ৰকাশকৰ আত্ম নিবেদন।

বৰ্ত্তমান আসাম উপত্যকাৰ সৰহভাগ মানুহেই সনাতন বৈষ্ণৱ ধৰ্ম্মাৱলম্বী। এই বৈষ্ণৱ ধৰ্ম্মাৱলম্বী মানুহবিলাকৰ ভিতৰত আকৌ তিনি শ্ৰেণী হৈছে। কেতবোৰ মহাপুৰুষীয়া, কেতবোৰ দামোদৰ পন্থি আৰু কেতবোৰ হৰিদেৱী পন্থীয় বৈষ্ণৱ ধৰ্ম্মাৱলম্বী। কীৰ্ত্তন, নামঘোষা প্ৰভৃতি অসমীয়াৰ অমূল্য ধৰ্ম্মগ্ৰন্থ অসমীয়াক দিনে ৰাতি হাতে হাতে সমস্ত বেদান্ত আৰু উপনিষদাদি পাঠৰ ফল বিলাইছে। এই ওপৰোক্ত তিনি শ্ৰেণী ধৰ্ম্মাৱলম্বীৰ ভিতৰত হৰিদেৱী পন্থীয় মানুহৰ সংখ্যাও নিচেই কম নহয়। কিন্তু বৰ দুঃখৰ বিষয় যে আজিলৈকে হৰিদেৱী পন্থীয় সত্ৰাধিকাৰবিলাকে আৰু গায়ঁগিৰি বাপু সকলে ৺শ্ৰীশ্ৰীহৰিগুৰুৰ বিষয় বিশেষ নেজানে?

সৰ্ব্ব সাধাৰণৰ উপকাৰাৰ্থে আৰু বিশেষকৈ ৺শ্ৰীশ্ৰীহৰিদেৱ মহা প্ৰভুৰ প্ৰশিষ্যৰা হৰিদেৱী পন্থীয় বৈষ্ণৱ ভকতসকলৰ সুবিধাৰ অৰ্থে, তেওঁলোকৰ অতি আদৰৰ এই ৺শ্ৰীশ্ৰীহৰিদেৱ মহা প্ৰভুৰ চৰিত পুথিখন সমাজুৱা ৰাইজৰ ওচৰত তুলি ধৰিবৰ মন কৰিলোঁ। ইয়াত ৺শ্ৰীশ্ৰীহৰিদেৱ মহা প্ৰভুৰ জীৱনী, তেওঁৰ স্থাপিত সত্ৰসমূহ, ধৰ্ম্ম প্ৰসঙ্গ, অতি সুন্দৰ ৰূপে জানিব পাৰিব। ইয়াৰ কোনো অংশ পাঠ শ্ৰৱণ কীৰ্ত্তন কৰি চিত্ত শুদ্ধি আৰু ভগৱদ্ পদে ভক্তি মতি ৰতি স্থাপন কৰিব পাৰিব। শৰীৰত জ্ঞান-ভক্তি কুঢ়ি উপজিব, ঈশ্বৰৰ চৰণত নিৰ্ম্মল পবিত্ৰ ভক্তি সিঞ্চিব। ৺শ্ৰীশ্ৰীহৰিদেৱৰ বংশমালা, ভটিমা, গীত, কীৰ্ত্তন, ঘোষা প্ৰসঙ্গ প্ৰভৃতি সকলো ভকতৰ [illegible] গুপ্ত ভৰাল ইয়াত পাব।

সন্ত, মহন্ত, গোস্বামী, মেধী, ভকতসকলে এই চৰিত্ৰ পুথিৰ একোখন হাত পাতি লৈ ইয়াৰ অৰ্থ আৰু ভাব গ্ৰহণ কৰি ৺শ্ৰীশ্ৰীহৰি গুৰুৰ চৰণত একান্ত মতি ৰাখিলে, কথমপি উপকাৰ লভিলে, শ্ৰম সফল জ্ঞান কৰিম আৰু তেওঁলোকৰ ওচৰত কৃতজ্ঞতা লভিম।

সৰ শেষত সৰ্ব্ব সজ্জন ভকত আৰু পাঠকৰ ওচৰত প্ৰকাশকৰ মিনতি [illegible] তেওঁলোকে অনুগ্ৰহ কৰি 'অভাজন' অজ্ঞানী প্ৰকাশকৰ [illegible] ত্ৰুটি [illegible] নধৰি, মুদ্ৰাঙ্কনত নাইবা লিখনিত সম্পাদনত [illegible] ভুল প্ৰমাদ দেখিলে নিজগুণে যেন তেওঁলোকে সংশোধন [illegible] কৰি আচল বস্তু বিচাৰি লয়। ইতি —

নগাওঁ ([illegible])
১৩২৫ [illegible]

নিবেদক —
শ্ৰীহৰি নাৰায়ণ দেৱ গোস্বামী
শ্ৰীকৰুণা কান্ত বৰুৱা।

উপক্রমণিকা।

ভাৰত বুৰঞ্জীত (ইতিহাসত)

প্ৰধানতঃ ৩টা ভাগ দেখা যায়—

(১) বৈদিক যুগ (খৃষ্টৰ জন্মৰ ২০০০ হেজাৰ বছৰৰ আগৰ পৰা ৭ম শতাব্দিৰ মাজ ভাগলৈ); (২) পৌৰাণিক বা মধ্যযুগ (৬৪৭ খৃঃৰ মাজ ভাগৰ পৰা ১৮০০ খৃঃৰ মাজ ভাগলৈকে) আৰু আধুনিক যুগ (১৭৫০ খৃঃৰ পৰা আজিলৈকে)।

বৈদিক যুগ—এই যুগত স্তোত্ৰাদি, ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ, শিক্ষা ছন্দ, ব্যাকৰণ, নিৰুক্ত, কল্প আৰু জ্যোতিষ শাস্ত্ৰাদিৰ সৃষ্টি হয়।

পৃথিৱীৰ ভিতৰত উপনিষদৰ নিচিনা এনে গভীৰ ধৰ্ম্মতত্বৰ কিতাপ আৰু নাইকিয়া। ইয়াত মানুহৰ সুখ দুখ পৰিপূৰ্ণ জীৱন চিৰশান্তি পাইছে, আৰু মৃত্যুও চিৰশান্তি পাব। এই যুগ ভগবানৰ প্ৰত্যক্ষ তত্ব লৈ ব্যস্ত; ঈশ্বৰক সাক্ষাৎ পোৱাৰ চেষ্টা।

পৌৰাণিক বা মধ্যযুগ—এই যুগৰ ধৰ্ম্মই ভাৰতক পৃথিৱীৰ মাজত বেলেগ কৰি তুলি ধৰিছে। এই যুগৰ বলে ভাৰত আজিও পৃথিৱীৰ ভিতৰত ভাৰত নামৰ খ্যাতি ৰাখি আছিছে।

এই যুগৰ প্ৰধান সৃষ্টি—(১) সামাজিক বন্ধন আৰু জাতি

ভেদ প্ৰথা (২) মূৰ্ত্তিপূজা আৰু (৩) বাল্যবিবাহ। এই যুগত ধৰ্ম্মক্ষেত্ৰত বৌদ্ধধৰ্ম্মৰ ক্ৰমিক পতন আৰু হিন্দুধৰ্ম্মৰ পুনৰুত্থান। এই যুগৰ চতুৰ্দ্দশ শতাব্দি ভাৰতৰ অমৃতময় যুগ। বৌদ্ধধৰ্ম্মৰ সাময়িক প্ৰভাৱৰ ওচৰত বৈদিক ধৰ্ম্ম মাৰ গৈ আছিছিল। এই যুগত ভাৰতত বিদেশীয় জাতিৰ আধিপত্য আৰু ব্ৰাহ্মণবিলাকৰ শ্ৰেষ্ঠত্ব বৰ বেচি হৈ উঠিছিল। ব্ৰাহ্মণ বিলাকৰ নিয়মৰ ওচৰত আন জাতি নিকত্তৰে মূৰ দোৱাইছিল। চতুৰ্দ্দশ-পঞ্চদশ শতাব্দিৰ মাজ ভাগত বিদেশীয়, আন ধৰ্ম্মাৱলম্বী মুছলমান ৰজাৰ তলত পৰি হিন্দু ধৰ্ম্ম বৰ নিস্তেজ হৈ পৰিছিল "কৰতোয়াং সমাৰভ্য যাৱদ্দিকৰ বাহিনী" সংজ্ঞা দি প্ৰাচীন কামৰূপ ভূভাগৰ সীমা নিৰ্দ্দেশ কৰা আছে। বৰ্ত্তমান আসাম গোটেইখন এই সীমাৰ ভিতৰত নপৰিলেও আজিৰ ব্ৰহ্মপুত্ৰ উপত্যকা প্ৰদেশ, ভুটানৰ কিয়দংশ, পূৰ্ব্ববঙ্গৰ ৰঙপুৰা জিলা, কুচবিহাৰ প্ৰভৃতি একত্ৰযোগে প্ৰাচীন কামৰূপ নামে অভিহিত হৈছিল। প্ৰাগ্‌জ্যোতিষপুৰৰ ভোগদত্ত, বৰ্ম্মাবংশৰ প্ৰসিদ্ধ ৰজা শ্ৰীবলবৰ্ম্মা, শোণিতপুৰৰ প্ৰসিদ্ধ বলিৰজাৰ পুত্ৰ বাণৰজা, কৌণ্ডিল্যৰ ভীষ্মক, নাগশঙ্কৰবংশ, আৰু জীতাৰি বংশৰ আৰিমত্ত, পালবংশীয় ধৰ্ম্মপাল, সেনবংশীয় নীলধ্বজ, দুৰ্লভ নাৰায়ণ প্ৰভৃতি আৰ্য্য পৰাক্ৰমী ৰজা বিলাকৰ প্ৰাচীন কীৰ্ত্তিকলাপ আজিও ঠাইয়ে ঠাইয়ে প্ৰাচীন কামৰূপৰ অতুল বিভৱ আৰু সভ্যতাৰ পৰিচয় প্ৰদান কৰিছে। প্ৰাগজ্যোতিষপুৰৰ সৌন্দৰ্য্য, বশিষ্ঠাশ্ৰমৰ ৰমণীয়তা, চান্দ সদাগৰৰ ঘৰৰ কাৰুকাৰ্য্যতা, নীলাচলৰ পবিত্ৰতা, আজিও কামৰূপৰ প্ৰাচীনত্ব, কামৰূপৰ সবল উদাৰ ধৰ্ম্মৰ, চিনাকী দিছে।

খৃঃ ৬৪০ চনত কুমাৰ ভাস্কৰ বৰ্ম্মা কামৰূপত ৰাজত্ব কৰে। এই সময়ত এই ৰাজ্যৰ মানুহবিলাকৰ ভাষা আৰু ধৰ্ম্ম আন আন ৰাজ্যৰ ভাষা আৰু ধৰ্ম্মৰ পৰা তেনেই পৃথক আছিল। ভাস্কৰ বৰ্ম্মা জাতিত ব্ৰাহ্মণ আছিল। তাহানি কামৰূপ অধিবাসী পূজা-সেৱাত বৰ অনুৰক্ত আছিল। বৌদ্ধ-ধৰ্ম্ম নেমানিছিল। তেওঁলোকৰ ঈশ্বৰ-ভক্তি বৰ সবল আৰু গুপ্তভাবৰ আছিল। খৃঃ ১০০০ ৰ পৰা খৃঃ ১২০০ লৈকে কামৰূপ পালবংশী ৰজাৰ শাসনত আছিল। এই সময়ৰ ভিতৰত ইয়াৰ অধিবাসীৰ ধৰ্ম্মভাব আগৰ দৰে সবল আৰু উদাৰ আছিল।

সেনবংশীয় ৰজাৰ ৰাজত্বৰ সময় (খৃঃ ১২০৪ খৃঃ ১৪৯৮) এই সময়ৰ ভিতৰত মুছলমানবিলাকে তিনি চাৰিবাৰ কামৰূপ আক্ৰমণ কৰে। এই সময়তে আকৌ চুকাফা নামেৰে এজন প্ৰবল প্ৰতাপী অহোম ৰজাই খৃঃ ১২২৯ শকত পাতকাই পৰ্ব্বতেদি সোমাবত (বৰ্ত্তমান তেজপুৰ মহকুমাৰ ভৰালী নৈৰ পৰা লক্ষীমপুৰ জিলাৰ দিকৰাই নৈৰ মাজত থকা ভূভাগ) উপস্থিত হৈছিল।

বিভিন্ন ধৰ্ম্মপন্থি পৰাক্ৰমী শত্ৰুৰ আক্ৰমণত খৃঃ ১১৪২ৰ পৰা খৃঃ ১২০৮ লৈকে কামৰূপৰ ভিতৰৰা অৱস্থাৰ বিষয় বিশেষ জনা নেযায়। ইয়াৰ পিছত কোচ, চুটীয়া, কছাৰী অহম বংশীয় অনাৰ্য্য ৰজাবিলাকে বহুশতাব্দি ধৰি কামৰূপত ৰাজত্ব কৰে। এই বিলাক অনাৰ্য্য ৰজাৰ শাসনত আগাগত ধৰ্ম্মভাবৰ বহুত পৰিবৰ্ত্তন ঘটিছিল। এই বিলাক ম্লেচ্ছবংশীয় ৰজাৰ তলত পবিত্ৰ বৈদিক ধৰ্ম্ম প্ৰায় লুপ্ত হৈ আহিছিল।

খৃঃ ১২২৯ ৰ পৰা খৃঃ ১৩৭৬ লৈকে কেইবা জনও অহোম ৰজাই সৌমাৰত ৰাজত্ব কৰে। অহোম ৰজা চুখাংফা ১২৯৩ শকত ৰজা হয়। এইজনা স্বৰ্গদেৱে কমতাপুৰৰ বিখ্যাত নীলধ্বজ ৰজাক যুদ্ধত খটাই তেওঁৰ ৰজনী নামে জীয়েকক বিয়া কৰাই সেনবংশীয় ৰজাৰে সৈতে মিতিৰ পাতিছিল। খৃঃ ১৩৭৬ ৰ পৰা খৃঃ ১৩৯৮ লৈকে অহম ৰাজ্য অৰাজক অৱস্থাত থাকে। খৃঃ ১৩৯৮ চনত চুডাংফা বা বামুণী কোঁৱৰ অহম ৰাজপাটত বহি অহম ৰাজ্যত বামুণৰ প্ৰতিপত্তিৰ বীজ ৰোপণ কৰে। খৃঃ ১৪০৭ ৰ পৰা খৃঃ ১৪২২ লৈকে সৌমাৰত চুজাংফা ৰাজত্ব কৰে। খৃঃ ১৪২২ৰ পৰা খৃঃ ১৪৩৯ লৈকে চুফাকফাৰ ৰাজত্ব। এওঁৰ পিছত পুতেক চুচেনফা খৃঃ ১৪৩৯ চনত সিংহাসনত উঠে। এওঁৰ দিনত 'টিঙচু' নগাৰে সৈতে এখন ঘোৰতৰ যুদ্ধ লাগিছিল। চুচেনফাৰ পিছত তেওঁৰ পুত্ৰ চুহানফা কোঁৱৰ খৃঃ ১৪৮৮ চনত ৰজা হয়। এওঁৰ ৰাজত্ব কালত কোচৰজা বিশ্বসিংহই অহম ৰাজ্য আক্ৰমণ কৰে। ইয়াৰ পিছত আকৌ 'টিঙচু' নগাৰে সৈতে যুদ্ধ লাগে।

সেনবংশীয় ৰজাৰ ৰাজত্বৰ পিছত কামৰূপত ভূঞা, কছাৰি, কোচ, অহোম প্ৰভৃতি অন্য ধৰ্ম্মাৱলম্বী ৰজাই ৰাজত্ব কৰে। ৰাজ্যত বহুত অৰাজকতা হোৱাত আৰু ওপৰোক্ত নানাজাতীয় বিধৰ্ম্মাৱলম্বী ৰজাৰ আক্ৰমণৰ হেচাত কোচ খাই আসামৰ সৰল শুপ্ৰভাৱৰ বৈদিকধৰ্ম্ম নিস্তেজ হৈ ভোগী প্ৰভৃতি তান্ত্ৰিক সকলৰ মজ্জাচাৰ, নৰবলী প্ৰভৃতি নৃশংস কাণ্ডত উপনীত হৈছিল।

বামানন্দ ধৰ্ম্মৰ ঘোৰ তামসিকতাত মানুহে প্ৰকৃত ধৰ্ম্মপথ

বিচাৰি নাপাই ঘোৰ কুসংস্কাৰ পৰায়ণ হৈ পৰিছিল। প্ৰকৃত ধৰ্ম্মপথ দেখাওঁতাৰ অভাৱত মানুহে তান্ত্ৰিক মতে ভূত পিশাচাদি আৰু বৃক্ষ শিলাদি জড় পদাৰ্থৰ ওচৰত মদ্য মাংস সেৱন আৰু বলি বিধান দি গোটেই দেশখন তমসাচ্ছন্ন কৰি তুলিছিল। এই মধ্যযুগত কামৰূপত যেনেকৈ উদাৰ বৈদিক ধৰ্ম্ম পূজা পাতলাদিত পৰিণত হৈছিল গৈ ঠিক তেনে দৰে ভাৰতৰ আন ২ ঠাইতও ধৰ্ম্ম-বিপ্লৱ উপস্থিত হৈছিল। এনে সময়ত কামৰূপৰ ভাৰতৰ ঘোৰ দুৰ্দ্দিনত "পৰিত্ৰাণনায় সাধুনাম্ বিনাশায় চুস্কৃতাম" পবিত্ৰ বৈষ্ণৱ "ধৰ্ম্মসংস্থাপনায়" ভয়হাৰী ইচ্ছাময় ভগৱন্ত হৰিৰ অংশে পূৰে পশ্চিমে উত্তৰে দক্ষিণে গোটেই ভাৰতে সনাতন বৈষ্ণৱ ধৰ্ম্মৰ কোবাল সোঁতৰ আগত তন্ত্ৰ মন্ত্ৰ ধুই লৈ, "হৰিনাম-ৰস-অমৃতৰ নদী" "ব্ৰহ্মাণ্ডক ভেদ কৰি" আসামত—ভাৰতত—পৃথিৱীত বহাবলৈ. "কৃষ্ণ এক দেৱ দুঃখহাৰী কালমায়াদিৰো অধিকাৰী, কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ জানিবা বিষ্ণুসে জগতে সাৰ" এই পবিত্ৰ মহামন্ত্ৰ অপাৰ সংসাৰে জীৱৰ একমাত্ৰ পৰিত্ৰাণৰ উপায় দেখুৱাবলৈ, পূৰে কামৰূপত ১৩৭১ শকত শ্ৰীমৎ শঙ্কৰদেৱ, ১৪ ৫ শকত 'হৰিৰূপে' শ্ৰী শ্ৰীহৰিদেৱ ১৪১০ শকত দামোদৰ দেৱ আৰু ১৪১১ শকত মাধৱ দেৱৰ আৱিৰ্ভাৱ হয়। এই মহা পুৰুষ চাৰিজনাই দৰাচলতে একই পবিত্ৰ পৰম নিৰ্ম্মল শুদ্ধ সনাতন ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰি, সদিয়াৰ পৰা কুচবিহাৰ-ৰঙ্গপুৰলৈ এই বিস্তীৰ্ণ ভূভাগ অজ্ঞান তিমিৰান্ধকাৰৰ পৰা ৰক্ষা কৰি আচল মুক্তি পথ উলিয়াই দিছে। শঙ্কৰদেৱী, দামোদৰী, হৰিদেৱী বুলি আমাৰ ভিতৰত কোচাল কৰা আমাৰ ভ্ৰম মাথোন।

শ্ৰীমদ্ভাগৱত আৰু শ্ৰীমদ্ভাগৱত গীতা সমস্ত বেদ বেদান্তৰ সাৰ। ভগৱৎপ্ৰাপ্তিৰ গূঢ় পৰমাৰ্থ-তত্ত্ব বিলাক এই বিলাক গ্ৰন্থত লুকায়িত আছে। সৰ্ব্ব সাধাৰণৰ পক্ষে এই 'গুহায়াং নিহিতং' ৰত্নৰাজি বিচাৰি উলিওৱা এক ৰকম অসম্ভৱ। বিচাৰি পালেও ভাষাৰ অকাট্য নিবন্ধন হেতু বুজা নেযায় আৰু পালন কৰিব নোৱাৰ।

দেশৰ অৱস্থা চাই, সৰ্ব্বসাধাৰণৰ উপকাৰাৰ্থে 'নাম ঘোষা' 'কীৰ্ত্তন ঘোষা', 'গুণমালা', 'ভক্তিমা' 'গুৰুচৰিত' প্ৰভৃতি লিখি শ্ৰীশ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, ৺শ্ৰীশ্ৰীহৰিদেৱ প্ৰভৃতি মহাপুৰুষে আসামত, ঘৰে ঘৰে সৰল ভাবে পৰম পবিত্ৰ বৈষ্ণৱ ধৰ্ম্ম, শ্ৰৱণকীৰ্ত্তন স্মৰণ সেৱন অৰ্চ্চনা বন্দনা দাস্য সখ্য-আত্মনিবেদন, কীৰ্ত্তন-ঘোষা পদৰূপে বিলাইছে।

এই সময়তে ঠিক একই পবিত্ৰ বৈষ্ণৱ ধৰ্ম্মৰ সোঁত বিভিন্ন ভাষাত বিভিন্ন প্ৰকাৰে পশ্চিমে শ্ৰীশ্ৰীচৈতন্য মহাপ্ৰভুৱে, উত্তৰে ৰামানন্দই, দক্ষিণে হৰিব্যাসে, বহোৱাইছিল, শ্ৰীশ্ৰীচৈতন্য মহাপ্ৰভুৰ ধৰ্ম্মৰ সোঁত ব্ৰজবালাৰ প্ৰেমৰূপে ব্ৰজৰ তৃণ লতা ধূলি পৰ্য্যন্ত ধুই নৈ বৃন্দাবনত ৰাধাকৃষ্ণৰ যুগল মূৰ্ত্তিৰ পদতলত সাগৰ সঙ্গম লভিছিল।

৺শ্ৰীশ্ৰীহৰিদেৱ প্ৰভুৱে যেতিয়া আসামত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আগবাঢ়ে তাৰ ৫০ বছৰ আগৰ পৰা এইখন দেশ মদ্য মাংস সেৱী তুৰাচাৰী অসভ্য আৰু অনাৰ্য্য কোচ-কচাৰি, চুটীয়া, আহোম বংশীয় ৰজাৰ দ্বাৰা শাসিত হৈ আহিছিল, অনাৰ্য্যৰ তলত পৰি মানুহে বৈদিক কাৰ্য্য কলাপ পাহৰি গৈ ঘোৰ তান্ত্ৰিক হৈ পৰিছিল। হিন্দুৰ শীৰ্ষ স্থানীয় ব্ৰাহ্মণ সকলৰ

'একমেৱ দ্বিতীয়ো নাস্তি" এই মূল মন্ত্ৰৰ ঠাইত পূজাপাতলাদি বাহ্যিক ক্ৰিয়া কাণ্ডৰ সৃষ্টি হৈছিল। এনে সময়ত আসামত ৺শ্ৰী শ্ৰীহৰিগুৰু মহাপ্ৰভুৰ আবিৰ্ভাব হয়। দেশৰ অৱস্থা চাই ধৰ্ম্ম প্ৰচাৰৰূপ দুৰূহ কাৰ্য্য সম্পাদন কৰোতে মহাপুৰুষক বহুত দুখ কষ্ট সহিব লগাত পৰিছিল। তামসিকতাৰ ঠাইত সাত্বিক বৈষ্ণৱ ধৰ্ম্ম বিলোৱাই এই মহাপুৰুষৰ মুলমন্ত্ৰ আছিল। সমাজৰ আৰু ৰাজ ঘৰৰ পৰা নানা লাঞ্চনা ভোগ কৰিও কৰ্ত্তব্য কৰ্ম্মত কথমপি বিমুখ নহই, নীতি ভ্ৰষ্ট বিপথগামী মানৱক প্ৰকৃত জ্ঞান ভক্তি মাৰ্গ দেখুৱাই দি, দেৱধৰ্ম্ম প্ৰচাৰ কৰি, ধৰ্ম্ম-ৰাজ্য স্থাপন কৰিছিল। তমসাচ্ছন্ন পৃথিবীত সূৰ্য্য বত্তি জ্বলাই দি ঘোৰ সংসাৰত মুক্তি উপায় দেখুৱাই দি গৈছে।

শ্ৰীশ্ৰীহৰিদেৱৰ জন্ম।

৺শ্ৰী শ্ৰীহৰিদেৱ মহাপ্ৰভু ১৪১৫ শকত ভাদ-মাহৰ কৃষ্ণাপঞ্চমী তিথিত দুপৰীয়া সময়ত নাৰায়ণ পুৰত জন্ম লভে।

এই নাৰায়ণপুৰ গ্ৰাম বৰ্ত্তমান কোন জিলাত আছিল সেই বিষয় বিশেষ জনা নেযায়। বৰ্ত্তমান নগাওঁ জিলাৰ অন্তৰ্গত বালিজা গাওঁৰ উত্তৰত নাৰায়ণপুৰ নামেৰে এখন কছাৰি গাঁও আছে। এই নগাওঁতেই শ্ৰীশ্ৰীশঙ্কৰদেৱ, আৰু মাধৱদেৱৰ জন্ম হয়। এই তিনিজন মহাপুৰুষ সমসাময়িক, একই ধৰ্ম্ম প্ৰচাৰক, আৰু বহুত দিনলৈকে তেওঁলোকৰ ভিতৰত ঐক্যতাৰ আৰু পৰম প্ৰীতিৰ ভাব বৰ্ত্তমান থকা দেখা যায়। এই নাৰায়ণপুৰও হৰিদেৱৰ জন্ম স্থান হব পাৰে। চৰিত্ৰ পুথিত দেখা যায়।

"অনেকবৎসৰং তত্ৰ নাৰায়ণপুৰে বিভুঃ।
ভক্তিং কৃত্বা স্বভক্তস্য কামৰূপং গমিষ্যতি"॥
"সৌমাৰদেশে বিপ্ৰেন্দ্ৰ ঘোৰং যুদ্ধমভূত্তদা।
তত্ৰ সৈন্যমনাহাৰাৎ নিপপাত শতং শতং॥"
"নাৰায়ণপুৰে ৰাজমেক আস্তে দ্বিজোৰসন্।
দ্বিজবাক্যে মতে সৰ্ব্বে নাশং জগ্মুঃ ক্ষুধাতুৰাঃ॥"

প্ৰথম শ্লোকৰ পৰা জনা যায় যে হৰিদেৱ বহুত বছৰ জন্মভূমিত থাকি কামৰূপৰ পিনে শিষ্যসৈতে আহিছিল।

দ্বিতীয় আৰু তৃতীয় শ্লোকত দেখা যায় যে এসময়ত সৌমাৰ দেশত এখন ঘোৰতৰ যুদ্ধ হৈছিল। সেই যুদ্ধত বহুত সৈন্য মৰিছিল আৰু ৰাজ পক্ষৰ পৰাজয় হৈছিল। পৰাজয়ৰ কাৰণ সেনাপতিয়ে ৰজাত জনাইছে যে নাৰায়ণ পুৰৰ হৰিদেৱ নামেৰে এজন মহাপুৰুষৰ কথা মতে সৈন্য বিলাকে তপলীয়া ভাত নেখাই অনাহাৰে প্ৰাণ এৰিছে।

১৪১৫ শকত হৰিদেৱৰ জন্ম হয়। যোগিনীতন্ত্ৰ মতে তাহানিৰ কামৰূপ বঙ্গদেশৰ ৰংপুৰ জিলাৰ কৰতোয়া নৈৰ পৰা বৰ্ত্তমান শদিয়াৰ অন্তৰ্গত দিকৰাই নৈলৈকে গোটেই ভূভাগকেই বুজাইছিল। খৃঃ ১৪০৭ৰ পৰা ১৪৩৯ খৃষ্টাব্দলৈকে সৌমাৰত ৩ জন অহোমবংশীয় ৰজাই ৰাজত্ব কৰে। শেষ জন ৰজা চুচেনফা খৃঃ ১৪৫৯ চনত পিতৃ সিংহানত উঠে। এওঁৰ দিনত সৌমাৰত 'টিঙচু' নগাৰে সৈতে এখন ঘোৰতৰ যুদ্ধ লাগিছিল আৰু তাতে প্ৰথমবাৰ অহোম ৰজা হাৰে। এই সময়ত হৰিদেৱৰ বয়স ২৫ বছৰ মান হৈছিল। সুতৰাং ধৰ্ম্ম প্ৰচাৰ কামত হাত দিয়াৰ সম্পূৰ্ণ উপযোগী হৈছিল।

এই যোগিনী তন্ত্র মতে তাহানিব 'সৌমাব' ভবালী আক দিকবাই নৈব মাজত থকা ভূভাগককেই বুজাইছিল। বৰ্ত্তমান তেজপুব মহকুমাত এই ভবলী নৈ দেখা যায়। এই হিচাবে বৰ্ত্তমান নগাওঁও তাহানি সৌমাবব ভিতবত থকা বুলি অনুমান হয়। বাজ আজ্ঞা পাই দূতে হবিদেৱক বান্ধি ধবি আনিবলৈ গৈছিল। সৌমাব দেশত হবিদেৱ নথকাহেতুকেঁ দূতে আন বজাব অধীনস্থ অধিবাসীক সহজে ধবি আনিবলৈ যাব নোৱাবিলেহেতেঁন। খৃঃ ১৪১৫ আক খৃঃ ১৪৩৯ব ভিতবত সৌমাবত আন কোনো ঘোবতব যুদ্ধব বিষয় জনা নেযায়।

১৪৯০ শকত মহাপ্ৰভু হবিদেৱ বৈকুণ্ঠ পয়ান হয়।

খৃঃ ১৭৪২ আক খৃঃ ১৪৯০ শকব ভিতবত সৌমাবত, খৃঃ ১৪৮৮ চনত, কোচ বজাব সৈন্তে আক 'টিঙচু' নগাবে সৈন্তে আকৌ যুদ্ধ লাগে। এই যুদ্ধত আহোম বজা পোনতে হাবে। তেতিয়া হবিদেৱব অন্তিম কাল। সুতবাং এই যুদ্ধত বোধকবো হবিদেৱে আকৌ কামৰূপব পবা উজাই আহি সৌমাবত সৈন্তক তপলীয়া ভাত খাবলৈ বাধা দিয়া নাছিল। ইয়াব পবা অনুমান হয় তাহানিব সেই নাবায়ণপুব হয়ত বৰ্ত্তমান নগাঁও জিলাত নাইবা শিৱসাগব জিলাত আছিল। বৰ্ত্তমান লক্ষীমপুব মহকুমাত তেজপুব এলাকাব কলাবাড়ীব গুবিত থকা নাবায়ণপুবও হবিদেৱব জন্মভূমি হব পাবে।

শ্ৰীশ্ৰীহবিদেৱব পূৰ্ব্বপুৰুষ।

মহাপুৰুষব পূৰ্ব্ব পুৰুষ সম্বন্ধে এই দবে লিখা আছে—

"নবোত্তম দ্বিজঃ কশ্চিত তপোধ্যয়ন সংযুতঃ।

দেবার্চ্চনপরো নিত্যমাসীৎ কাশ্যপ গোত্রজঃ ॥
তস্মাৎ জজ্ঞে গুণৈঃ শ্রেষ্ঠঃ কৃষ্ণদত্তঃ সুবুদ্ধিমান।
হরদত্তঃ ততোজাতঃ সর্ব্বগুণৈরলঙ্কৃতঃ ॥
হরদত্তাদুমাকান্তঃ পঞ্চানন্দস্ততো ভবৎ ॥
পঞ্চানন্দাৎ সুতো জজ্ঞে সূর্য্যবরো মহামতিঃ ॥
অজনাভস্ততোজাতঃ সর্ব্বশাস্ত্র বিশারদঃ।”

এই শ্লোকৰ পৰা আমি জানোঁ যে কাশ্যপ গোত্রীয় তপোধ্যয়ন যুক্ত নৰোত্তমৰ লৰা কৃষ্ণদত্ত, তেওঁৰ পুত্র হৰদত্ত, হৰদত্তৰ পুত্র উমাকান্ত, উমাকান্তৰ লৰা পঞ্চানন্দ, পঞ্চানন্দৰ লৰা সূৰ্য্যবৰ, সূৰ্য্যবৰৰ লৰা অজনাভ।

পালবংশৰ অবসানত সেন বংশৰ অভ্যুত্থান হয়। এই বংশৰ প্ৰসিদ্ধ নৃপতি নীলধ্বজে প্ৰাগ্‌জ্যোতিষপুৰৰ (গুৱাহাটী) পৰা ৰাজধানী তুলি লৈ বঙ্গপুৰৰ অন্তৰ্গত কমতাপুৰত ৰাজধানী স্থাপন কৰে। দুৰ্ল্লভনাৰায়ণ এই বংশীয় নৃপতি সকলৰ মাজত সৰ্ব্বাপেক্ষা প্ৰধান আৰু পৰাক্ৰমী বিদ্যোৎসাহী আৰু গুণগ্ৰাহী আছিল। এই দুৰ্ল্লভ নাৰায়ণে (খৃঃ ১৪৫২—খৃঃ ১৪৭২ শকৰ মাজত) গৌড়েশ্বৰৰ পৰা সাত ঘৰ ব্ৰাহ্মণ আৰু সাত ঘৰ কায়স্থ নিজ দেশলৈ আনি বেটিবান্দী আৰু বৃত্তি বিধান দি স্থাপিত কৰে। ব্ৰাহ্মণ সাত জনৰ ভিতৰত কৃষ্ণ পণ্ডিত নামেৰে এজন আছিল। এই কৃষ্ণ পণ্ডিতেই আনুমানিক আমাৰ মহাপ্ৰভু হৰিদেৱৰ উপৰি বংশ তপোধ্যয়ন যুক্ত নৰোত্তমৰ লৰা কৃষ্ণদত্ত হব পাৰে।

মহাপুৰুষ সকলৰ জন্ম প্ৰায় অলৌকিক ঘটনাৰে পৰিপূৰ্ণ। মহাপ্ৰভুৰ পিতৃ অজনাভে সতী পাৰিজাতিক বিয়া কৰায়।

অজনাভৰ বহুদিন ধৰি সন্তানাদি হোৱাৰ একো সম্ভৱ দেখা নগৈছিল। তেওঁ বৰ ঈশ্বৰ পৰায়ণ আছিল। এদিন স্বপনত দেখিলে শ্ৰীবৎসাঙ্ক পীত বস্ত্ৰ ধাৰী, শ্যামবৰ্ণ, বনমালা সুশোভিত, শঙ্খ-চক্ৰ-গদা-পদ্মধাৰী পদ্মপলাশলোচন হৰি তেওঁৰ ওচৰলৈ আহি দৈববানী কৰিলে যে তেওঁৰ ঘৰত এজন মহাপুৰুষ জন্মিব। বাস্তবিকতে দ্বিজ শ্ৰেষ্ঠ অজনাভে এই স্বপ্ন দেখাৰ পিছতেই সতী পাৰ্বিজাতী গৰ্ভ ধাৰণ কৰে আৰু দশ মাহ পূৰ্ণ হ'লত মহাপুৰুষ হৰিদেৱৰ জন্ম হয়। হৰিদেৱৰ সক কালতেই মাক বাপেক ঢুকায়। তেওঁৰ সুভদ্ৰা নামেৰে এজনী ভনীয়েক আছিল। এওঁৰ লগতেই হৰিদেৱ ডাঙৰ দীঘল হয়। হৰিদেৱৰ ধৰ্ম্মভাৱ সৰুৰে পৰা বৰ প্ৰবল আছিল। দেশৰ কু-আচাৰ, কু-নীতি দেখি সেইবোৰৰ বিৰুদ্ধে তেওঁ ঘোৰ প্ৰতিবাদ কৰিছিল। ঘোৰ তামসিকতাৰ ঠাইত উদাৰ সাত্বিক বৈষ্ণৱ ধৰ্ম্ম বিলোৱাই এই মহাপুৰুষৰ জীৱনৰ মূলমন্ত্ৰ আছিল। এই কামত হাত দি সমাজৰ আৰু ৰাজ ঘৰৰ পৰা বহু লাঞ্চনা ভোগ কৰিব লগাত পৰিছিল। ইমান বেগ পাইও মহাপুৰুষে নিজ কৰ্ত্তব্য পাহৰা নাছিল। আৰু অৱশেষত জুইত পুৰা সোণৰ নিচিনা সমাজৰ চকুৰ আগত উজ্জ্বল বৰণ ধাৰণ কৰি পতিত সমাজক, বিপথগামী মানৱক, ধৰ্ম্মপথ দেখুৱাই দিয়ে। সেই সময়ত যাতায়াতৰ বিশেষ একো সুবিধা নাছিল, তথাপি মহাপুৰুষে বহুত দুখ কষ্ট অতিক্ৰম কৰি পুৰী প্ৰভৃতি বহুত তীৰ্থ স্থান পৰি দৰ্শন কৰি বহু সমাজৰ ৰীতি নীতি, আচাৰ ব্যৱহাৰ ধৰ্ম্মভাৱ বিষয় অভিজ্ঞতা লাভ কৰি কৰিছিল।

হৰিদেৱৰ তীৰ্থ পৰ্য্যটন আৰু সম-সাময়িক মহাপুৰুষ শঙ্কৰদেৱ আৰু চৈতন্যদেৱ প্ৰভৃতিৰ লগত প্ৰেমালিঙ্গন।

আগত কই অহা হৈছে যে আনুমানিক খৃঃ ১৪৪২ শকত সৌমাৰত এখন ঘোৰতৰ যুদ্ধ লাগিছিল।. এই যুদ্ধই মহাপুৰুষৰ ধৰ্ম্ম ভাব বহলাই দিয়ে। এই যুদ্ধত ৰজাই সেনা-বিলাকক তপলীয়া ভাত খুৱাইছিল। সেনা-বিলাকে এই তপলীয়া ভাত চুৱা বুলি খাবলৈ সন্মত-নোহোৱাত দূতে আহি ৰজাৰ আগত কলে যে হৰিদেৱ নামেৰে এজন বামুনৰ লবাৰ কুপৰামৰ্শত সেনাবিলাকে তপলীয়া ভাত নেখাই বহুতে প্ৰাণ এৰিছে। ৰজাই এই কথা শুনি খঙ্গত জ্বলি উঠি হৰিদেৱক ধৰি আনিবলৈ দূত পঠিয়ালে। দূতে ৰাজ আজ্ঞা নিবেদন কৰাত মহা প্ৰভুৱে কথা বিষম ভাবি উদাৰ গোবিন্দক তামুল পান আনি দিয়াৰ চলেৰে গৈ, ভিতৰৰ পৰা সুভদ্ৰা দেবীক লগত লই পলাবলৈ ইঙ্গিত দিলে। উদাৰ গোবিন্দে প্ৰভুৰ আজ্ঞা মানি তাকে কৰিলে। অলপ পিচত উদাৰ গোবিন্দে তামুল অনাত পলম কৰিছে এই চলেৰে ভিতৰত গই হৰিদেৱ অন্তৰ্ধ্যান হ'ল। ৰাজদূত নিৰাশ হৈ গুচি গ'ল। হৰিদেৱে বিচাৰি অৱশেষত ঘোৰ হাবিৰ মাজত সুভদ্ৰা আৰু উদাৰ গোবিন্দক লগ পালে। প্ৰভুৰ আদেশ পাই উদাৰ গোবিন্দে এখন ডাঙ্গৰ কলৰ ভেল সাজিলে। এই ভেলত বাৰ দিন ভটিয়াই আহি তেওঁলোকে হাজো পালে। ইয়াতে মাধৱ দৰ্শন কৰি প্ৰসাদ খাই আকৌ ভেলত উঠে। কথিত আছে যে ইয়াতে হৰিদেৱে মাধৱৰ মালা আনি নিজে মূৰত পিন্ধিছিল। ইয়াৰ পৰা ভটিয়াই যাই মালিপাৰাৰ ঘাটত ভেল বান্ধে। এই মালিপাৰা গাঁও আগেয়ে

বড়পেটা মহকুমাৰ অন্তৰ্গত বহৰীৰ দক্ষিণে আছিল বুলি জনা যায়। এই গাওঁৰ থাগৰীয়া মালী নামেৰে এজনে অতি আদৰেৰে মাতি নি নিজ গৃহত প্ৰভুক মহাভাগ অতিথি বুলি পূজা সৎকাৰ কৰি ৰাখে। ইয়াতেই প্ৰভুৱে থাগৰাক ভাগ-ৱতী ধৰ্ম্মৰ ভক্তিৰ লক্ষণ কয়। ইয়াৰ পিছত প্ৰভুৱে ওৰেষাত গৈ মহাপ্ৰভু জগন্নাথৰ পদবন্দনা কৰে গৈ। কথিত আছে যে সুভদ্ৰা দেবী জগন্নাথৰ মূৰ্ত্তি দেখি তেওঁক জগতস্বামী ভাবি তেওঁতে লীন গৈছিল।

জগন্নাথ দেৱক পূজা বন্দনা কৰি ওলাই আহোঁতে মন্দিৰৰ দ্বাৰত হৰিদেৱে শ্ৰী শ্ৰীশঙ্কৰ দেৱক লগ পায়। বহুত কথা বাৰ্ত্তাৰ পিচত দুয়ো দুয়োক চিনি প্ৰেমালিঙ্গন কৰি নদীয়াৰ শ্ৰীচৈতন্য দেৱৰ ওচৰলৈ যোৱাৰ আলচ কৰিলে। হৰিদেৱে মালিপাৰাত থাগৰীয়াক ভক্তি লক্ষণ দেখুৱাই ভক্তি তত্ত্ব শিকায়। ইয়াৰ পৰা বুজা যায় যে শ্ৰীচৈতন্যদেৱ আৰু শ্ৰীশঙ্কৰ দেৱক লগ পোৱাৰ বহুত আগৰে পৰা হৰিদেৱৰ ভক্তি পিপাসা বৰ প্ৰৱল আছিল। হৰিদেৱ আৰু শঙ্কৰদেৱ দুয়োজনাই একই ভক্তি মাৰ্গৰ পন্থী আছিল। প্ৰকৃত ভক্তি কি আৰু তাক কি দৰে অবলম্বন কৰিলে মানুহৰ সহজে জ্ঞান চক্ষু ফুটি ওলাব পাৰে তাকেহে বিচাৰি দেশে বিদেশে ফুৰিছিল।

হিন্দুৰ কৰ্ম্ম বিজ্ঞানৰ আদৰ্শ সন্ন্যাস,— ত্যাগ, ভোগ নহয়। কৰ্ম্মবীৰ ত্যাগী, যোগী জগত-তথ্য অনুসন্ধানে ব্যস্ত। এই কৰ্ম্মীত্যাগীৰ ওচৰত সক বৰ, জাতি অজাতি, ভেদাভেদ নাই-কিয়া। হিন্দুৰ ধৰ্ম্মপ্ৰাণ জানে যে কৰ্ম্মই আসক্তি নাশৰ মূল-ভিত্তি। এই উপদেশ পোৱাৰ বাবে জীৱন্মুক্ত স্বয়ং শুকদেৱও

গৃহী জনকৰ ওচৰত মূৰ দোঁৱাইছিল আৰু নিজৰ যোগ-গৌৰৱক ধিক্‌কাৰ মানিছিল। এই ত্যাগৰ মন্ত্ৰত ভাৰত চিৰকাল মুগ্ধ। ভাৰতৰ লেংটি সন্ন্যাসী ৰাজৈশ্বৰ্য্যৰ মুকুটত। ইয়াৰ প্ৰভাৱত যাজ্ঞবল্ক্য, পৰাশৰ, বশিষ্ঠ, বুদ্ধ, নানক, কবীৰ, চৈতন্য, শঙ্কৰ-মাধৱ, হৰিদেৱ, দামোদৰ প্ৰভৃতি ধাৰ্ম্মিক কৰ্ম্মবীৰ সকল সমাজৰ ওচৰত বজ্ৰাবৰত শীৰ্ষস্থান পাইছিল। ত্যাগীৰ ওচৰত সকলৰ, মানাপমান জ্ঞান নেথাকে। মই ডাঙৰ সি সৰু ই 'লঘুচেতসাং' মইমতালি ভাৱৰ প্ৰকাশ মাথোন।

সাধুৰ লগত সাধুৰ ভাব চিৰকাল; সাধুৱে সাধুক কেতিয়াও নিন্দা নকৰে, সাধুসঙ্গ বিচাৰিহে ফুৰে। কুম্ভমেলা, বাৰানসী-ধাম, বৃন্দাবন, পুৰী প্ৰভৃতি হিন্দুৰ পৰম পবিত্ৰ তীৰ্থস্থান আজিও এই ভাৱৰ মহৎ উদাহৰণ ৰাখি আছিছে। ভক্তৰ লগত ভক্তৰ দৰিশন ভক্তৰ ওচৰত,—মহাপুৰুষৰ ওচৰত যে কেনে গৌৰৱৰ বিষয় তাক আমি গমকে ধৰিব নোৱাৰোঁ। আমি সাম্প্ৰদায়িকত্বৰ তলত মুৰজুপি নাদৰ ভেকুলিৰ দৰে নিজকে নিজে বখানোঁ। মহাপুৰুষৰ উদাৰভাৱ মুকলি বতাহৰ নিচিনা, অপাৰ সমুদ্ৰৰ নিচিনা বিশ্বগ্ৰাহী।

সত্য এটা; সত্যৰ জয় সৰ্ব্বত্ৰ সমান। মহাপুৰুষৰ উদ্দেশ্য মহৎ আৰু সাৰ্ব্বজনিক। আমাৰ নিচিনা ক্ষুদ্ৰমনা নিৰুৰ্ম্মীৰ ওচৰত হে মহাপুৰুষৰ মাজতও বিভিন্নতা, বিভিন্নপথমুখীতা ভাব আছে। এই কাৰণে জগন্নাথদেৱৰ মন্দিৰদ্বাৰত শঙ্কৰদেৱ আৰু হৰিদেৱৰ দেখা সাক্ষাৎ সময় উভয় ভক্তৰ প্ৰাণ প্ৰেমাশ্ৰুত উতিবুৰি গৈছিল। ভক্ত মহাপুৰুষে যেতিয়া পুৰীত থাকি আন এজন চৈতন্যৰূপী ভক্তৰ বাতাৰ পালে তেতিয়া

সাধুসঙ্গলাভে তেওঁলোকৰ ব্যগ্ৰতা জন্মিল আৰু তেতিয়াই শ্ৰীশঙ্কৰদেৱে হৰিদেৱৰ সৈতে নদীয়ালৈ গৈ চৈতন্য তথ্য জনাৰ অভিপ্ৰায় জনালে—

'শঙ্কৰে বোলন্ত শুনা হৰিদেৱ
মনে এৰা আন অসন্তোষ।
নদীয়াত আছে চৈতন্য গোঁসাই
লওঁ ব'লা তান্তে উপদেশ॥

হৰিদেৱ আৰু শঙ্কৰদেৱ চৈতন্যৰ দ্বাৰত উপস্থিত হলত ব্ৰহ্ম হৰিদাসে প্ৰভুৰ "শূদ্ৰ এৰি ব্ৰাহ্মণক আনিও মতাই" এই আদেশ মতে হৰিদেৱক চৈতন্যৰ ওচৰত লই যায়। শঙ্কৰদেৱ শূদ্ৰ বুলি দ্বাৰত থাকিল। এই প্ৰসঙ্গতে এটি বাদোন্মুখী কথা শুনায়হি। যি চৈতন্যই হৰিদেৱ শঙ্কৰদেৱক দেখা পাই কৈছে—

"শুনা হৰিদেৱ তুমি ব্ৰহ্মঅংশে জাত।
পূৰ্ব্বে নাৰায়ণে নাম কহিছে তোমাত॥
চাৰিগুটিক নামক যে পূৰ্ব্বে আছা পাই।
তথাপি আসিলা যে তোৰা আমাৰ ঠাই॥"
"আৰু মই কহু শুনা স্বৰূপ বচন।
ভকতিৰ অধিকাৰী হৈবে তিনিজন॥
হৰিগুৰু, দামোদৰ, শঙ্কৰ তিনি জন।
ব্ৰহ্ম অংশে আসিয়া ভৈলেক উতপন॥"

যি চৈতন্যই মুছলমান নেৰা হৰিদাসক পৰ্য্যন্ত আলিঙ্গন কৰি প্ৰেমত মতলীয়া হৈছিল, সেই চৈতন্যই শ্ৰীশঙ্কৰদেৱক,

---

উপদেশ লওঁ ব'লা' মানে নাম মন্ত্ৰ শৰণ ভোজন লোৱা নহয়; সাধুৰ সঙ্গত কথাবতৰা পতা।

একন প্ৰধান সাধুপুৰুষ বুলি জানিশুনিও, শূদ্ৰ হোৱা বাবে তেওঁক ভিতৰলৈ নিনি, অকল হৰিদেৱক হে মতাই নিছিল নে? এনেকথা সহজে পতিয়ন নেযায়। ই এটা কোঁচথাই থকা ক্ষুদ্ৰ মনৰ কথা মাথোন। সাম্প্ৰদায়িকতা লৈ বাদ বিসম্বাদ কৰাৰ একো সকাম নাই। সকল ঠাইতেই সকল সময় মহাপুৰুষৰ ভাব সাধাৰণত কৰি ওথ থাপৰ। আমাৰ ওচৰত সকল মহাপুৰুষেই নমস্য। আমাৰ উদ্দেশ্য মহাপুৰুষে প্ৰবৰ্ত্তোৱা সত্যতথ্যৰ অনুসন্ধান আৰু তেওঁলোকৰ ওথ আদৰ্শ, ওথ সঙ্কল্প কি আৰু তাৰ কাৰ্য্য হৈছে কি সেইটো বিচাৰি উলিওৱা। আমাৰ শঙ্কৰদেৱ, আমাৰ হৰিদেৱ বুলি বঢ়াই কৰাটো আচল ভকতৰ চিনাকি দিয়া নহয়। বৰ্ত্তমান যুগ প্ৰবৃত্তি-মাৰ্গ এৰি নিবৃত্তি-মাৰ্গ লৈ চাল খাইছে। এতিয়া আৰু পন্থা লৈ কটাকটি মৰামৰি কৰাৰ সময় নাই। আসক্তিৰ সৈতে ত্যাগৰ, ভোগৰ সৈতে সংযম, মৰ্ম্মকোচালৰ সৈতে শান্তিৰ অমিয়া মাধুৰীৰ সান মিহলি কৰি নতুন যুগ প্ৰবৰ্ত্তনৰ দিন আহিছে। এই দিনত বাদ বিসম্বাদ এৰি সকলোৱে লগলাগি 'সত্যং যেন পন্থা' সেই বাট বিচাৰি ফুৰোহঁক।

কীৰ্ত্তনৰ সময়ত যেন আমাৰ মনে থাকে—

"তৃণাদপি সুনীচেন তৰোৰিব সহিষ্ণুনা।
অমানিনা মানদেন কীৰ্ত্তণীয় সদা হাৰ॥"

মহাপুৰুষৰ উদ্দেশ্য বুজি, তেওঁলোক প্ৰবৰ্ত্তিত ধৰ্ম্মপন্থ বিচাৰি নিজ নিজ ভক্ত সকলে ঠিক তেনেদৰে নিয়ম কাৰণাদি পালন কৰিব পাৰিছে নে নাই এইটো বুজাৰ চেষ্টা কৰিলেই ভকতৰ ভিতৰত বাদ বিসম্বাদ নেথাকিব।

চৰিত্ৰ পুথিৰ পৰা আৰু এটি কথা দেখা যায় যে চৈতন্য-দেৱে শঙ্কৰ আৰু হৰিদেৱক প্ৰথম সম্মিলনতে তেওঁলোকৰ ধৰ্ম্মভাবৰ প্ৰশংসা কৰিছিল। শঙ্কৰ হৰিদেৱে চৈতন্যক যেনে মহৎ চকুৰে চাইছিল, চৈতন্যও তেওঁলোকক তিমান ওখ ঠাইত বহুৱাইছিল। গুণী গুণৰ মৰ্য্যাদা বুজে। তাঙ্গৰ সক বিচাৰবাদ নেথাকে। জ্ঞানীৰে সদাই নিজকহে সক যেন দেখি উচ্চ আদৰ্শ দেখুৱায়।

হৰিদেৱ, শঙ্কৰদেৱ, আৰু দামোদৰদেৱ—এই তিনিজন জগৎগুৰু বুলি প্ৰখ্যাত হব বুলি চৈতন্যই কৈছিল। আকৌ চৈতন্যই কৈছিল যে তেওঁলোকে আগেয়ে চাবিগুটি নামক পাইছিল। কেৱল তেওঁ বৈকুণ্ঠৰ শাস্ত্ৰবুলি এখন ভুৰ্জ্জপত্ৰ লিখিত ভাগৱত শাস্ত্ৰ হৰিদেৱৰ হাতত দিছিল। এই শাস্ত্ৰৰ তত্ত্ব হৰিদেৱে ভক্ত সকলক বুজাই দিছিল। চৈতন্যে হৰিদেৱক ইয়াক ভাঙ্গি পদ কৰি শঙ্কৰক দেখুৱাব কৈছিল। কামৰূপ পোৱাৰ আগতে এই শাস্ত্ৰ খুলি চাবলৈ নিষেধ আছিল। ইয়াত বাজে এই চৰিত্ৰত শঙ্কৰ কিংবা হৰিদেৱে চৈতন্য দেৱত শৰণ লোৱা সম্বন্ধে আন একো জনা নেযায়। শ্ৰীক্ষেত্ৰৰ পৰা উভতি আহি শঙ্কৰ আৰু হৰিদেৱ পাটবাউসীত উপস্থিত হয়। পাটবাউসীৰ আগৰ নাম বৰলুচুঙ্গ বুলি জনা যায়। এই পাটবাউসী বা বৰলুচুঙ্গ আসামৰ তিনিজন মহা-পুৰুষৰ বহুদিন ধৰি লীলা ক্ষেত্ৰ আছিল। অনন্তৰ হৰিদেৱে পাটবাউসী এৰি কিছুদিনৰ নিমিত্তে দন্তপুৰ (বৰ্ত্তমান বহৰী) নামেৰে এখন গাওঁলৈ যায়। ইয়াতেই তেওঁৰ প্ৰধান আৰু প্ৰিয় শিষ্য ৬জনৰ লগত ভাব হয়।

"লগত মিলিলা আসি ভক্ত ছয়জন।
উদাব গোবিন্দ, থানেশ্বব যে ব্রাহ্মণ ॥
গোবিন্দ, খাগৰা, পাটহাথি, ববতাতি।
এই ছয়জন ভক্ত প্রভুব সংহতি ॥"

সকলো মহাপুৰুষবে কিছুমান অলৌকিক শক্তি থাকে। সাধাৰণৰ ওচৰত সেইবোৰ আচৰিত বা অসম্ভব বোধ হব পাবে কিন্তু তত্বজ্ঞানী সকলৰ ওচৰত সি একো নহয়। "যতো ধৰ্ম্ম স্ততো জয়ঃ"—সদাই আছে আৰু থাকিবও। সুতৰাং ধাৰ্ম্মিকৰ ওচৰত একো অজেয় নাই। হৰিদেৱৰ জীৱনতও বহুত অলৌকিক ঘটনা ঘটিছিল। তাৰ ভিতৰত চৰিত্ৰ পুথিত কেইটি মানক মাথোন উল্লেখ আছে ঃ—

হৰিদেৱ দন্তপুৰত থকা কালীন শুনিব পালে যে তাত বাঢ়জন থট্ট আছে আৰু সিহঁতৰ ভিতৰত এজনী অতি ৰূপৱতী বেশ্যা আছে। ইহঁত সদাই সেই বেশ্যা জনীত বত থাকি নানা ৰকম ব্যভিচাৰ কৰি ফুৰে। এদিন প্ৰভুৱে সিহঁ-তৰ ঘৰলৈ গৈছিল। হৰিদেৱক দেখি বেশ্যা জনীয়ে নানা ৰঙ্গ ভঙ্গে তেওঁক মুহিবলৈ চেষ্টা কৰিব ধৰিলে। প্ৰভুৱে কোপ দৃষ্টিৰে চোৱা মাত্ৰ তাই স্বৰূপ ধৰি বিকটাকাৰে অচেতন হৈ মাটিত ঢলি পৰি মৰি থাকিল। প্ৰভুৰ এনে অদ্ভুত শক্তি দেখি থট্ট বাঢ়জনে আহি হৰিত একান্ত শৰণ ললেহি।

হৰিদেৱ মানেৰীত থাকি পাটবাউসীলৈ সদায় অহা যোৱা কৰিছিল। এদিন আহোঁতে এটা ভয়ঙ্কৰ বাঘ আহি প্ৰভুৰ বাট ভেটিলে। গোবিন্দ লগত আছিল। বাঘ দেখি তেওঁ পিচ ভৰি কৰি ভিৰিলৰ মাৰিলে, কিন্তু প্ৰভুৱে গোবিন্দক

আশ্বাস দি বাঘৰ মূৰত তুলসী মালা দি তাক বশ কৰি গুচি গ'ল। সেই বাটতেই আকৌ এটা দুৰ্দ্ধৰ মহে মানুহক সদায় উৎপাত কৰি ফুৰিছিল। প্ৰভুৱে তাকও শিঙত ধৰি বশ কৰিছিল।

পালশাদি গাওঁত (পাটবাউসী মানেৰীৰ মাজত থকা আগৰ এখন গাওঁ) ধনুকাটা নামেৰে এজন বৰ দৰ্পী মানুহ আছিল। এদিন তাৰ দৰ্পচুৰ কৰাৰ মনেৰে হৰিদেৱে তাৰ ধান খেতিৰ মাজেৰে যাব ধৰিলে। তেতিয়া ধনু কাটাই হৰি-দেৱক "কুনজন কাণা শহমাজে যায় ধান্য ভাঙ্গি কৰি আলি" এই বুলি গালি পাৰিব ধৰিলে। প্ৰভুৰ ওচৰত দৰ্প কৰি কথা কোৱাৰ ফলত ধনুকাটা নিজে কণা মুনা হৈ খেতৰ মাজত পৰি থাকিল। এদিন শ্ৰী শ্ৰীশঙ্কৰদেৱে সেই বাটে দ মানেৰীত প্ৰভুৰ থানলৈ যোৱাতে বাটত ধনুকাটাক অন্ধ হৈ পৰি থকা দেখিলে। দয়ালু শঙ্কৰ তাৰ মুখে আটাই কথা শুনি ধনুকাটাক হৰিদেৱৰ ওচৰলৈ পঠিয়াই দিলে। শঙ্কৰৰ অনুৰোধত হৰি-দেৱে ধনুকাটাক চক্ষু দান দিলে।

এদিন বেদজ্ঞানগৰ্ব্বী ভট্টদেৱ আদি কাৰ বাৰজন ব্ৰাহ্মণে মহাপুৰুষ তিনি জনক পৰীক্ষা কৰিবৰ অৰ্থে এতোলা বিষ লৈ প্ৰথমে শঙ্কৰদেৱৰ ওচৰ চাপি কলে যে যদি তেওঁ বিষ-তোলা খাই হজম কৰিব পাৰে তেন্তে তেওঁলোক আটাই কেইজনে তেওঁৰ চৰণত শৰণ লব। শঙ্কৰদেৱে বজা আৰু ব্ৰাহ্মণৰ গুৰু হোৱাত অস্বীকাৰ দেখুৱাই দামোদৰৰ ওচৰত পঠালে। দামোদৰক বিষপানত অসমৰ্থ দেখি হৰিদেৱৰ ওচৰ চাপিল গৈ। হৰিদেৱে পোন প্ৰথমে বিষপান কৰাত অমৃত

দেখুৱালে। পিচত ব্ৰাহ্মণ সকলৰ পীড়াপীড়িত বিষপান কৰি কিছু সময় অচেতন হৈ পৰি থাকে। চেতন লভিলত ব্ৰাহ্মণ বাঢ়জনে তেওঁত শৰণ লবলৈ আগ বাঢ়িলে। প্ৰভুৱে শৰণ দিবলৈ অস্বীকাৰ কৰে। অবশেষত বহুত কাকুতি মিনতি এৰাব নোৱাৰি তাৰ ভিতৰৰ চাৰিজন ব্ৰাহ্মণক মন্ত্ৰ দিয়ে।

হৰিদেৱৰ বিয়া কৰিবলৈ সদৌ মন নাছিল। কিন্তু ভক্ত সকলৰ অনুৰোধ এৰাব নোৱাৰি অৱশেষত প্ৰভুৱে জনাৰ্দ্দন বিপ্ৰৰ কন্যা তিলোত্তমাক বিয়া কৰায়। এওঁৰ গৰ্ব্ভত ভুবনেশ্বৰী আৰু বনমালা নামেৰে দুগুটী কন্যা আৰু দামোদৰ নামেৰে এটি পুত্ৰ জন্মে। দামোদৰে কৃষ্ণশৰ্ম্মা উপাধ্যায়ৰ ওচৰত বহৰীত থাকি সকল শাস্ত্ৰ পাঠ কৰিছিল। এদিন কছুৱা নদী (বৰ্ত্তমান চেঙ্গা বহৰীৰ মাজত থকা এটা বিল) সাতুৰা পাৰ হোৱাতে তাতে পানীত ডুবি মৰে। হৰিদেৱৰ মৃত্যু সময়ত ১৪৯০ শকত তেওঁৰ ধৰ্ম্মমালা ভুবনেশ্বৰী দেৱীৰ মূৰত দি যায়। শঙ্কৰ, মাধৱ আৰু দামোদৰ দেৱ পাটবাউসীত থকাৰ সময় হৰিদেৱ মানেৰীত থান পাতি আছিল। এই মানেৰী সত্ৰ কলাদি বা কালাদি নৈৰ দাঁতিত আছিল। * বড়পেটা মহকুমাৰ চেঙ্গাগাওঁৰ দক্ষিণে ২ মাইল মান আঁতৰত এই মানেৰীৰ অস্তিত্ব আজিও দেখা যায়। এই সত্ৰত হৰিদেৱে ভিঠি বান্ধি মন্দিৰ সাজে আৰু তাৰ ভিতৰত প্ৰতিমা স্থাপন কৰি তিনি শন্ধ্যা প্ৰসঙ্গ কৰে। হৰিদেৱৰ পদশীলা ইয়াতে থকা বুলি জনা যায়। এই পদশীলাত বহি ভাগৱতৰ অমৃতময়ী ভক্তি মথি তাৰ ৰস ভকত সকলক বিলাইছিল।

প্ৰায় সময় হৰিদেৱে মানেৰাৰ পৰা গৈ পাটবাউসীত

ভাগৱত ব্যাখ্যা কৰিছিল। এই ব্যাখ্যা শুনি মহাপুৰুষ শঙ্কৰে 'টীকাৰ সম্যক্', 'ভাষাৰ ৰহস্য', আৰু এই দুইকো মিলাই বাক্য অনুসাৰে নানাৰূপ ছন্দ আৰু গীতেৰে পদ কৰিছিল। এই মণিকাঞ্চনৰ সংযোগৰ পৰা আজি অসমীয়া সাহিত্যৰ ভঁৰাল পৰিপূৰ্ণ, আজি অসমীয়া সাহিত্যক্ষেত্ৰত দেখুওৱাৰ কীৰ্ত্তন ঘোষা, নামঘোষা, গুৰুচৰিত, ভটিমা।

কিন্তু কেনে দুখৰ বিষয় যে অসমীয়াই এই মহাপুৰুষ কেই জনাৰ ভিতৰত এনে ভ্ৰাতৃপ্ৰেম এনে সদ্ভাব দেখিও, যথেষ্ট প্ৰমাণ পাইও আজিও সাম্প্ৰদায়িকত্বৰ ওচৰত মূৰ দোৱাই বহুতেই নিজৰ ভিতৰতে খোৱা কামোৰা কৰি, কৰ্ম্মৰ নামে, শম্যৰ নামে, হাইকোঢ়াল লগাই পবিত্ৰ বৈষ্ণৱ ধৰ্ম্মক তললৈ হেচি নি মহাপুৰুষৰ অপযশ আনিছে।

এদিনাখন শঙ্কৰদেৱে হৰিগুৰুৰ সত্ৰ মানেৰীক দেখাৰ মন কৰিলে। ভক্ত সকল সৈতে আহোঁতে তেওঁলোকে দেখিলে যে হৰিদেৱ যি বাটেদি সদায় তেওঁলোকৰ ওচৰলৈ আহে সেই বাট হাবি, বোকাপানীৰে দুৰ্গম হৈ ৰইছে। এই দেখি তেওঁ-লোকৰ মনত অসুখ লাগিল। অৱশেষত গুৰুৰ যাতায়তৰ সুচলাৰ্থে আটাইমিলি আলি বান্ধি দিলে। যাৰ ভিতৰত এনে প্ৰীতিভাৱ আছিল তেওঁলোকৰ ভিতৰত অপ্ৰীতিৰভাৱ আঙ্গু-লিয়াই দিয়া ভক্তজনৰ মন কিমান উদাৰ তাক পাঠকেই বেশ গম পাব। শঙ্কৰৰ অনুৰোধ মতে এদিন মাধৱদেৱ আৰু আন আন ভকত সকলে শঙ্কৰদেৱৰ ঘৰৰ ভিতৰত জলপান কৰিবলৈ গৈ ঘৰৰ ভিতৰত এটি মাটিৰ ভিড়াৰ চাৰিও ফালে কিছুমান বগা ফুল দেখি কাৰণ শোধাত শঙ্কৰে তেওঁৰ ভাৰ্য্যাই লক্ষ্মীপূজা

কৰে বুলি উত্তৰ দিলে। ভাৰ্য্যাক অভকত জানি শঙ্কৰে মাধৱ দেৱৰ দ্বাৰা হৰিদেৱক মতাই আনি তেওঁত শৰণ লবলৈ উপ-দেশ দিলে।

৺শ্ৰীশ্ৰীহৰিদেৱ বা হৰিগুৰুক এজন বাক্‌সিদ্ধ মহাপুৰুষ, আৰু বয়োজ্যেষ্ঠ সৰ্ব্বশাস্ত্ৰত পাৰদৰ্শিতা দেখি শঙ্কৰ মাধৱ দামোদৰে তেওঁক বিশেষ কৈ মান কৰিছিল।

এঠাইত শঙ্কৰে লিখি গৈছে—

"শুনা হৰিগুৰো ভাৰ্য্যাৰ আমাৰ

আজি ধাৰ শুক ভৈলা।

এহি বুলি শুক্ল বস্ত্ৰ জুৰ আনি

সম্মান তাঙ্ক কৰিলা

শুনা হৰিগুৰো ভাগৱত ধৰ্ম্ম

কহিও মোত বুজাই।

ইত্যাদি।

ইয়াৰ পৰা হৰিদেৱৰ প্ৰতি শঙ্কৰদেৱৰ কেনে অচলাভক্তি আছিল তাক সুন্দৰকৈ বুজা যায়। বাস্তৱিক ভকতেহে ভকতৰ মূল বুজে। সাপেহে সাপৰ ঠেং দেখে। হৰিদেৱৰ সাত্ত্বিক ভাগৱতী ধৰ্ম্মভাৱৰ গভীৰতা শঙ্কৰ চৈতন্যেহে ভালদৰে বুজি-ছিল। গুণগ্ৰাহী গুণৰ মৰ্য্যাদা বুজে। অগুণী গুণীৰ মূল নুবুজি নুগুনি বাটত ভেটা দিব যাই নিজৰ ভিতৰত কোঢ়াল লগাই বেমেজালিত পৰি মৰে।

শ্ৰীশ্ৰীশঙ্কৰদেৱে দ্বিজ দামোদৰক লগত লই ভকত সক-লোৰে সৈতে মানেৰাক গই তাত দেউল বান্ধি শ্ৰীশ্ৰীহৰিদেৱৰ মান বঢ়াইছিল। দৰাচলতে দেখা যায় যে শঙ্কৰ, মাধৱ,

হৰিদেৱ আৰু দেৱ দামোদৰৰ ভিতৰত পৰস্পৰ সদ্ভাৱ আৰু সম্মিলনৰ দ্বাৰাইহে আমাৰ আসামৰ পবিত্ৰ বৈষ্ণৱ ধৰ্ম্মৰ উদয় হৈছিল। পৰস্পৰৰ সংযোগত সহানুভূতিত ধৰ্ম্মভাৱ প্ৰবল হৈ সাধাৰণৰ তামসিকতা দূৰ কৰি দিছিল। পৰস্পৰৰ সাক্ষাতত পৰস্পৰৰ মনপ্ৰাণ আনন্দত পুলকিত হৈ কোনে কাক কি দৰে সম্মান দেখুৱাব তাকে ভাবি আকুল হৈছিল। কিন্তু বৰ্ত্তমান সাম্প্ৰদায়িকতাৰ বশীভূত হৈ হৰিদেৱীয়ে শঙ্কৰদেৱীক দেখি মুখ কোচাই পিচভৰি দেখুৱায়। কেনে উদাৰ ধৰ্ম্মৰ কেনে অধঃপতন। মুখৰ ভক্তি প্ৰকৃত ভক্তি নহয়। আনৰ ওচৰত 'তৃণাদপি সুনীচ' হৈ কাৰ্য্যত আনৰ ওচৰত ভক্তিবীজ ৰোপণ কৰি নিজক ধন্য মানিব পাৰাই আচল ভক্তি। স্বয়ং ভগবান্ শ্ৰীকৃষ্ণ ভক্তৰ কাৰণে যুগে যুগে আবিৰ্ভাব হৈ সামান্য মানুহৰ দৰে কিমান দুখ কষ্ট সহিছিল তাক প্ৰত্যেক হিন্দুৱে জানে।

অতিথি সেৱা হিন্দুধৰ্ম্মৰ এটা প্ৰধান অঙ্গ। অতিথি গৃহত আহি সৎকাৰ নেপাই ফিৰি গলে গৃহস্থৰ ধৰ্ম্ম লোপ হয়। ঘৰত একো দিবৰ নেথাকিলেও অতিথিক মধুৰ বাক্যে সন্তোষ কৰা প্ৰত্যেকৰ কৰ্ত্তব্য।

হৰিদেৱৰ অতিথি সেৱা ধৰ্ম্মৰ এটা প্ৰধান অঙ্গ আছিল। এক সময়ত হৰিদেৱ কিছু দিনৰ নিমিত্তে কছুৱা নদীৰ পাৰত বাহ কৰি আছিল। তাত অতিথি সেৱাৰ বিশেষ সুবিধা নে-দেখি কলাদি বা কালাদি নদীৰ তীৰলৈ যায়।

"অতিথি সেৱাত জনা সৰ্ব্বধৰ্ম্মপাই
তাকে জানি ঐত থাকিবাক খুজুৱায় ॥"

হৰিদেৱৰ ধৰ্ম্মমত তলত দিয়া পদ কেই ফাঁকিৰ পৰা বেশ বুজা যায়। প্ৰভুৱে পদবন্ধে ভক্ত সকলৰ আগত কৈছে—

"হৰিৰ একান্ত ভক্ত আছে নিৰন্তৰ।
হৰি হেন মানি তাক কৰিবা সাদৰ ॥
স্নান কৰি মাধবৰ স্তোত্ৰক গাহিবা।
পঞ্চ উপচাৰে হৰি পূজাক কৰিবা ॥
তাত পৰে মাধৱক কৰি স্তুতি নতি।
শিৰে নমস্কাৰ কৰি কৰিবা ভকতি ॥
নিৰ্ম্মাল্য তুলসী লই প্ৰসাদ ভুঞ্জিবা।
আনন্দ কৰিয়া হৰি কীৰ্ত্তন কৰিবা ॥
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম কৰিবা সদায়।
ভাগৱত ধৰ্ম্মৰ এহিসে অভিপ্ৰায় ॥
বেদৰ বিহীত কৰ্ম্ম সদায় কৰিবা।
কদাচিতো মহন্তক নিন্দা নকৰিবা ॥
প্ৰাণীহিংসা নকৰিবা কৈনু সাৰে সাৰ।
প্ৰাণীহিংসা সম মহাপাপ নাহি আৰ ॥"

পবিত্ৰ বৈষ্ণৱ ধৰ্ম্মৰ ভাগৱতী ধৰ্ম্মৰ মূলমন্ত্ৰ এই। এই একমাত্ৰ মহামাৰ্গ মহাপন্থা। এইয়েই সকল জগৎ গুৰুৰ—সকল অৱতাৰৰ মহামন্ত্ৰ।

"হৰিৰ একান্ত ভক্ত আছে নিৰন্তৰ"—দেখোক কেনে উদাৰ ধৰ্ম্মভাৱ—কেনে বাদ বিসম্বাদ, সাম্প্ৰদায়িকতাৰ নামগন্ধ শূন্য। "হৰি হেন মানি তাক কৰিবা সাদৰ"—কেনে সুন্দৰ জাতিভেদ শূন্য পবিত্ৰ ভ্ৰাতৃভাৱ বন্ধুভাৱ। মানৱৰাজ্য প্ৰকৃতি ৰাজ্যৰ বাহিৰ নহয়। ভগৱান্ প্ৰত্যেক সৃষ্ট জীৱকেই স্ব স্ব

স্থান আহাৰ দি ৰক্ষণাবেক্ষণ কৰিছে। জ্ঞানীৰ ওচৰত ধাৰ্ম্মিকৰ ওচৰত ইটোৱে সিটোৱে হিংসা কৰাৰ ইয়াত একোটো নাই।

সেই কাৰণেই হৰিদেৱে 'প্ৰাণীহিংসা বৰ ডাঙৰ মহাপাপ বুলি কই গৈছে। এনে সংক্ষেপ, সৰল আৰু বিনাক্লেশে আচৰিব পৰা মহাপ্ৰভুৰ পবিত্ৰ পন্থতো আজিকালি গুৰু সকলৰ আওকাণৰ নিমিত্তে কিছুমান বেমেজালি দেখা যায়। অনেক সময়ত গুৰু সকলৰ ভকত সকলৰ আগত অনাহকত নীৰিহ হাঁহছাগলাদি প্ৰাণীৰ হেজাৰ হেজাৰ বলি বিধান হয়। সত্ৰাধিকাৰী বাপু সকলে, ভকত সকলে যেন আদি গুৰুৰ অনতিপ্ৰেত এই সকল কৰ্ম্ম নিজে এৰি, আৰু শিষ্য সকলকো কৰিব নিদি, পৰম পবিত্ৰ ভাগৱতী নাম ধৰ্ম্ম শ্ৰৱণকীৰ্ত্তন প্ৰচাৰ কৰি এই সনাতন বৈষ্ণব ধৰ্ম্ম নিখুত নিভাজ ৰাখি শ্ৰী শ্ৰীহৰিদেৱৰ গুৰুৰ প্ৰকৃত ভকত বুলি পৰিচয় দিয়ে এইয়ে আমাৰ সৰল গোঁহাৰি।

৺শ্ৰী শ্ৰীহৰিদেৱ মহাপ্ৰভুৱে ১৪৯০ শকৰ জেঠমাহৰ অমাৱশ্যা তিথিত তেওঁৰ নিজে স্থাপিত প্ৰধান সত্ৰ মানেৰীত বৈকুণ্ঠ পয়ান কৰিলা।

৺শ্ৰীশ্ৰীহৰিদেৱস্থাপিত প্ৰধান প্ৰধান সত্ৰ।

মানেৰী, নাৰায়ণপুৰ, হৰিপুৰ, মাহৰা।
গুভা, বৈণাকুচি, কৈহাটী আৰু যে জাগৰা॥

চামৰূপে ৺ মানেৰী, উজনীত নাৰায়ণপুৰ আৰু কোচবেহাৰত ৺ হৰিপুৰ এই তিনি সত্ৰ সৰ্ব্বাপেক্ষা প্ৰধান।

৺মানেৰীত ৺শ্ৰী শ্ৰীহৰিদেৱৰ পাদশীলা, লাখুটি আৰু মালা

প্ৰভৃতি থকাৰ চিন এতিয়াও পোৱা যায়—এই গতিকে মানে-ৰাক সৰ্ব্বাপেক্ষা প্ৰধান সত্ৰ বুলি ধৰা হয়।

৺শ্ৰীশ্ৰীহৰিদেৱৰ প্ৰধান শিষ্য ৪ জন।

৺যদুমণিদেৱ। এওঁ গুৰুৰ আদেশ মতে ১৪৭২ শকত শিৱ-সাগৰ জিলাত ৺ মাহৰা সত্ৰ স্থাপন কৰে।

৺নাৰায়ণদেৱ—এওঁ ১৪৭৫ শকত কামৰূপত শুভা সত্ৰ স্থাপন কৰে।

৺হৰিচৰণদেৱ—এওঁ ১৪৭৫ শকত কামৰূপত জাগৰা সত্ৰ স্থাপন কৰে।

৺জগন্নাথদেৱ—এওঁ ১৪৭৫ শকত কামৰূপত বৈণাকুচি সত্ৰ স্থাপন কৰে।

ইয়াৰ বাহিৰে হৰিগুৰুৰে বৰতাতি আদি কাৰ বাৰজন তাতিক স্বয়ং বহৰীত মেধী পাতি থৈলা।

এইৰূপে শ্ৰীশ্ৰীহৰিগুৰুৰে অৱশেষত ৺মানেৰীত উদাৰ গোবিন্দ, থানেশ্বৰ, আৰু আন আন ভক্তবৃন্দক লগতলৈ পূৰ্ণ-ব্ৰহ্ম শ্ৰীকৃষ্ণদেৱত শৰণ সাধুসঙ্গত অব্যাভিচাৰী প্ৰেমভক্তিৰ চৰমপৰম সাধন, হৰিনাম শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম, আৰু মহাচাৰৰ প্ৰবৰ্ত্তন কৰি, ধৰ্ম্ম আৰু ৰীতি নীতিৰ পৰম পুৰুষাৰ্থৰ সংস্কাৰ কৰি গৈছন।

উপসংহাৰত বক্তব্য যে শ্ৰীশঙ্কৰ, শ্ৰীহৰিদেৱ আৰু মাধৱদেৱ—আসামৰ এই তিন জন মহাপুৰুষে আসামবাসিৰ শাৰীৰিক মানসীক আৰু আধ্যাত্মিক উন্নতিৰ বাট দেখুৱাই মহৎ উপকাৰ সাধি গৈছে। এই তিন জন মহাপুৰুষ আমাৰ প্ৰাতঃস্মৰণীয়।

এওঁলোকৰ প্ৰতি অকৃতজ্ঞতা বা অভক্তিৰ চিন্ দেখুওৱা মহাপাপ। অলমিতি বিস্তৰেন।

নগাওঁ
১৩২৫ সাল। } শ্ৰীকৰুণাকান্ত বৰুৱা।

গুৰুস্তোত্ৰ।

নমঃ কৃষ্ণায় নিত্যায় পৰমেশ্বৰায়ানন্তমূৰ্ত্তয়ে।
অচিন্তায় দেৱায় শুদ্ধায় ত্বামহং শৰণং গতঃ॥
যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভবতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানাং সৃজাম্যহং॥
পৰিত্ৰাণায় সাধুনাম্, বিনাশায় চুস্কৃতাম্।
ধৰ্ম্ম সংস্থাপনায় সম্ভবামি যুগে যুগে॥ গীতা॥

অথ শ্ৰীশ্ৰীহৰিগুৰু স্তোত্ৰং।

পুৰাহি বৈকুণ্ঠ পুৰে বসন্তং,
ব্ৰহ্মাদি দেব ব্যূহ যাচ্যমানং;
বিলুপ্ত ধৰ্ম্মস্য হি ৰক্ষণাৰ্থং,
নমামি দেবং হৰিদেব সঞ্জ্ঞং।
কলৌ দ্বিজৰজনাভ গৃহে স্বৰূপং,
আবিৰ্ভবন্তং কলিকল্মষঘ্নং;
বিশুদ্ধ সত্বোৰ্জ্জিত শান্ত মূৰ্ত্তিং,
নমামি দেবং হৰিদেৱ সজ্ঞম্।
গুণাতীতং শান্ত গুণাগ্ৰগণ্যং,
বৃন্দা পলাশস্ৰজ কম্বুকণ্ঠং;

তিলোত্তমা শোভিত বক্ষ দেশং,
নমামি দেবং হরিদেব সঞ্জং।
ভক্তিপ্রদং ভাগবতং ভবেন্দ্রং,
ভৃত্যার্ত্তিহং ভাবুক ভক্তি ভাব্যং;
ভবার্ণবে ভ্রান্ত ভক্তকর্ণ ধারং,
নমামি দেবং হরিদেব সঞ্জং।
সমুদ্র সম্ভূত বিষ মহেশঃ,
পপৌ যথা বিপ্রগণৈঃ প্রদত্তং;
তথা প্রণীতোগ্র বিষং বিষঘ্নং,
নমামি দেবং হরিদেব সঞ্জং।
কালোরগৈ দষ্ট মতীব ঘোরৈঃ,
চিকিৎসিতং ভক্তি সুধা প্রদানং;
মনুষ্যবারং মৃতবদ্ধি চেষ্টং,
নমামি দেবং হরিদেব সঞ্জং।
প্রফুল্ল পঙ্কেরুহ পত্র নেত্রং,
প্রসন্নবদনং পরিশুদ্ধ হাস্যং;
উর্দ্ধত্রিপুণ্ডৈঃ পলিত কপোলং,
নমামি দেবং হরিদেব সঞ্জং।
আজানুলম্বিত ভুজং সুনাসিকং,
সুরেন্দ্রদন্তো লিনিভ সুমধ্যম্;
দাড়িম্ব বিরাজিত সর্ব্বদন্তং,
নমামি দেবং হরিদেব সঞ্জং।
স্বভক্ত বৃন্দৈ ভ্রমরাণু কারিভিঃ,
প্রহেড়য়াঙ্ঘ্রি মধুপান লালসৈঃ;

উপাসিত সচ্চৰণাৰ বিন্দং,
নমামি দেবং হৰিদেব সজ্ঞং ।
হেমাদ্রি শৃঙ্গাৎ সুৰনিম্নগায়াঃ
জলপ্রবাহ প্রতিভাস কেন
যজ্ঞো পবীতেন বিভাত মাঙ্গং,
নমামি দেবং হৰিদেব সজ্ঞং ।
ভুক্তি মুক্তি দায়কং প্রশস্ত চাৰুবিগ্রহং,
দয়ালুঃ গুৰুং ব্ৰহ্ম নিষ্ঠং প্রশান্তং ।
নমামি দেবং হৰিদের. সজ্ঞকম্ ।
শ্ৰীজগন্নাথ দেব কবে বিদ মুদিত মুদাৰং,
শৃণু সুখদং সুভদং ভব সাগৰ পাৰং ;
পঠ পাঠয় ভ্রান্তমতে সহজ ত্রিসন্ধ্যং
যদি বাঞ্চসি বাঞ্ছিত মুক্তি পদং পৰমম্ ।
ইতি ৺ শ্ৰী শ্ৰীহৰিদেব স্তোত্র সম্পূৰ্ণম্ ॥

পদ ।

বসতি আছিলা পূৰ্ব্বে বৈকুণ্ঠ নগৰে ।
ব্ৰহ্মা আদি দেবগণে জানালা সত্বৰে ॥
নষ্টধৰ্ম্ম ৰাখিবাৰ কৰোক যুকতি ।
হৰিদেৱ নাম দেৱক কৰোহোঁ প্ৰণতি ॥
কলিত ব্ৰাহ্মণ অজনাভৰ গৃহত ।
কলিপাপ নাশ কৰি ভৈলা আবিৰ্ভূত ॥
শুদ্ধ সত্ব গুণে দীপ্ত প্রশান্ত মূৰতি ।
হৰিদেৱ নাম দেৱক কৰোহোঁ প্ৰণতি ॥

গুণাতীত শান্তগুণ গুণিগণ গণ্য ।
তুলসীৰ মালা কম্বুকণ্ঠে কৰে ধন্য ॥
বক্ষদেশে শোভা কৰে তিলোত্তমা অতি ।
হৰিদেৱ নাম দেৱক কৰোহোঁ প্রণতি ॥
ভক্তিদাতা ভাগৱত সংসাৰতে সাৰ ।
ভূত দুঃখহাৰী ভক্তিগৰ্ভ ভাবুকৰ ॥
ভৱসিন্ধুমাজে ভ্ৰান্ত নৃ-কৰ্ম্ম ধৰতি ।
হৰিদেৱ নাম দেৱক কৰোহোঁ প্রণতি ॥
একতোলা মান বিষ কৰিলা প্রদান ।
বিষহাৰি তথা উগ্ৰবিষ কৰে পান ॥
সাগৰ মন্থনে বিষ যথা পশুপতি ।
হৰিদেৱ নাম দেৱক কৰোহোঁ প্রণতি ॥
ভয়ঙ্কৰ কালসৰ্পে দংশিলে একবাৰ ।
চেষ্টাহীন তেতিক্ষণে হয় মনুষ্যৰ ॥
ভক্তিৰূপ অমৃতেৰে চিকিৎসা কৰোতি ।
হৰিদেৱ নাম দেৱক কৰোহো প্রণতি ॥
প্রফুল্ল কমলদল সম দ্বিনয়ন ।
ইষৎ মধুৰ হাস্য প্রসন্ন বদন ॥
কপালে শোভিছে উৰ্দ্ধ পুৰন্দ তিলতি ।
হৰিদেৱ নাম দেৱক কৰোহি প্রণতি ॥
আজানুলম্বিত ভুজ নাসিকা সুন্দৰ ।
ইন্দ্ৰব্ৰজ সমতুল দেখি কঙ্কালৰ ॥
দালিম্বৰ বীজক জিনিছে দন্ত পাতি ।
হৰিদেৱ নাম দেৱক কৰোহো প্রণতি ॥

হেমাদ্রি পর্ব্বত অতি উচ্চত শিখৰ।
তাত শোভি আছে যথা শুদ্ধ গঙ্গাধৰ ॥
শুদ্ধ শুক্ল যজ্ঞসূত্রে অঙ্গ কৰে জ্যোতি।
হৰিদেৱ নাম দেৱক কৰোহোঁ প্ৰণতি ॥
ভ্ৰমৰগণৰ তুল্য নিজ ভক্তগণে।
চৌপাশে বেঢ়িছে মকৰন্দ পান মনে ॥
গুৰুৰ চৰণ পদ্ম উপাসায় অতি।
হৰিদেৱ নাম দেৱক কৰোহোঁ প্ৰণতি ॥
শ্ৰীজগন্নাথ দেব কৃত স্তৱ সুশোভন।
শুনা অতি অদভুত অশুভ নাশন ॥
যদি ইষ্ট-শ্ৰেষ্ঠ-মুক্তি-পদ বাঞ্চা কৰা।
পৰম সুখদ স্তৱ ইটো সদা পাঠ কৰা ॥
পাঠকৰা অন্যক পঢ়োৱা ত্ৰিসন্ধ্যাত।
ঘৰত বহি পাবাহা ভক্তি মুক্তি হাতত ॥

মথিত্বা চতুৰো বেদান্ সৰ্ব্বশাস্ত্ৰানি চৈবহি।
সাৰস্তু যোগিভিঃ পীতস্তক্রং পিবন্তি পণ্ডিতাঃ ॥

বেদ চতুষ্টয় আৰু সমস্ত শাস্ত্ৰ মন্থন কৰি তাৰ নবনীত স্বৰূপ সাৰভাগ যোগিগণ পান কৰিছে ; আৰু তাৰ অসাৰভাগ পণ্ডিত বিলাকে পান কৰে। সাধাৰণৰ জ্ঞান ভ্ৰান্ত জ্ঞান। এই জগতত অকল সৰ্ব্বব্যাপী চৈতন্য ব্যতিত আৰু আন একো সত্য পদাৰ্থ নাই। জীবমাত্ৰ ঘোৰ মায়া জালত বদ্ধ ; এই মায়াজাল ছিন্ন কৰাৰ একমাত্ৰ উপায় ব্ৰহ্মজ্ঞান। ব্ৰহ্মজ্ঞান লাভ একদিনে নহয়। সৎগুৰুৰ উপদেশ মতে সৎগুৰুৰ

চৰণাৰ বিন্দু ধ্যান কৰি সেই গুৰুৰ গুৰু পৰম গুৰু পৰমেশ্বৰক পাব পাৰি।

> চৈতন্যৰহিতা মন্ত্ৰাঃ প্ৰোক্তবৰ্ণাস্তু কেবলাঃ।
> ফলং নৈব প্ৰযচ্ছন্তি লক্ষকোটি শতৈৰপি॥

অচৈতন্য মন্ত্ৰ অকল বৰ্ণৰ সমষ্টি মাথোন। অচৈতন্য মন্ত্ৰ লক্ষকোটিবাৰ জপ্ ধেয়ান কৰিলেও তাৰ পৰা একো ফল পোৱা নেযায়।

মালা-ঝোলা লই মুখে ৰাম ৰাম বুলিলে আৰু ক্ৰিয়া কলাপ অনুষ্ঠান কৰিলে মন্ত্ৰ জপৰ ফল পোৱাৰ আশা সুকঠিন। এই জগতত এনে সৎগুৰুৰ সাক্ষাৎ বৰ টান কথা যোনে দীক্ষাৰ লগত শিষ্যক মন্ত্ৰ চৈতন্যৰ উপায়াদি শিক্ষা দিয়ে। বিদ্যা-বুদ্ধি, আচাৰ-ব্যৱহাৰ আহাৰ সংযমাদি ক্ৰিয়া কৰ্ম্মে শিষ্য গুৰুৰ একো প্ৰভেদ নাই এনেকুৱা বাৰ্ষিকী আদায় কৰিয়া কৃত কৃতাৰ্থ গুৰুৰ সংখ্যাই বেচি। পৰম নিৰ্ম্মল বিশুদ্ধ ধৰ্ম্মও অসাধু জনৰ হাতত পৰি বিকৃতাবস্থা প্ৰাপ্ত হয়।

স্বধৰ্ম্মনিৰত পাঠকৰ মাজত বহুতেই মন্ত্ৰ জপাদি কাৰ থাকে; কিন্তু জপতপে সিদ্ধ মনোৰথ হব নোৱাৰি মহাপুৰুষৰ প্ৰতি অভক্তি দৰ্শন কৰিবলৈও বিমুখ নহয়। আগেয়ে কোৱা হৈছে যে 'চৈতন্য ৰহিতাঃ মন্ত্ৰাঃ' শুদ্ধচিত্তে সংযমী হৈ সেই "স্বৰূপং বিদ্যমানং' হৰিগুৰুৰ পূৰ্ণমূৰ্ত্তি হিয়াত ধাৰণা কৰি পাঠক কায়মনোবাক্যে এই স্তোত্ৰং ত্ৰিসন্ধ্যা পাঠ কৰিলে কিছুদিন পিছত দেখিব যে প্ৰকৃত মহাপুৰুষৰ প্ৰকৃত শিষ্য।

পাঠক দোষাদোষ ক্ষমা কৰি নিজে নিজে নিজ নিজ চিত্তবৃত্তি

নিৰোধ কৰত সদ্গুৰু প্ৰদৰ্শিত বাট অবলম্বন কৰি ইহপৰকালৰ আশ্ৰয় একমাত্ৰ পূৰ্ণব্ৰহ্ম শ্ৰীশ্ৰীকৃষ্ণ দেৱত একান্ত শৰণ মাগোঁহক। যেনে কোন এজনী তিৰোতা এজনক ভজিলে সতী আৰু অব্যাভিচাৰিণী আৰু বহুজনক ভজিলে অসতী ব্যাভিচাৰিণী হয়, তেনে কৰি আন দেৱদেবীক তেজি অকল শ্ৰীকৃষ্ণ দেৱক ভজি অব্যাভিচাৰিণী ভক্তিমাৰ্গ লাভ কৰোঁহক।

মাঞ্চ যোঽব্যাভিচাৰেণ ভক্তি যোগেণ সেৱতে।
সগুণান্ সমতীত্যৈতান্ ব্ৰহ্মভূয়ায় কল্পতে॥

. গীতা ১৪শ অঃ ২৬ শ্লোক।

জানামি ধৰ্ম্মং নচমে প্ৰবৃত্তি জানাম্যধৰ্ম্মং নচমে নিবৃত্তি।
ত্বয়া হৃষীকেশেন হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি॥

সেহি ধন্য লোক শুচিমন্ত সৰ্ব্বগুণ শ্ৰেষ্ঠ বিদ্যাবন্ত
যজ্ঞে তপে আতি সিসি জন শুদ্ধমতি।
সিসি জন মহাদাতা জ্ঞানী সিসি সত্যবাদী মহামানী
পুৰুষোত্তমত আছয় যাৰ ভকতি॥ 'নামঘোষা'।

জয় জয় হৰিগুৰু দেববৰ, সজ্জন মনোহৰ, দ্বিজৰূপে অবতাৰ।
কলিযুগ পাপ পয়োধি কয়োলি হৰিনাম কৰিলা বিস্তাৰ॥

কৃষ্ণ ত্বং হি চিৎ স্বৰূপং নিত্য জ্ঞান মখণ্ডিতং।
তদ্বিনোদৰূপ মন্যন্ময়া কল্পং চৰাচৰং॥

হৰি তুমি হে মাত্ৰ চৈতন্য স্বৰূপ। তুমি সত্য শুদ্ধ আৰু পূৰ্ণজ্ঞানময়, তুমি বিনা জগতৰ সমস্তই অনিত্য, অনৃত, জড়ত্ব আৰু অল্পজ্ঞান বিশিষ্ট। এই বিশ্ব ব্ৰহ্মাণ্ড তোমাৰ লীলাভূমি। এই জগত তোমাৰ বিশ্বমোহন মায়া দ্বাৰা ৰচিত। তেতেকে

তুমি সত্য আৰু জগতৰ সমস্তই মিথ্যা। অজ্ঞান বশতঃ যাহা অনৃত তাহা আমা লোকৰ মনত সত্য বুলি প্ৰতীতি জন্মে।

ক্ষমস্ব গোবিন্দ প্ৰপন্নদীনং ত্বয়ি ভক্তি হীনং।

ও শ্ৰীশ্ৰীগুৰবে নমঃ।

নিবেদক —

শ্ৰীকৰুণাকান্ত বৰুৱা।

শ্ৰীশ্ৰীগুৰবে নমঃ।

ভবিষ্যৎ পুৰাণে হৰগৌৰী সম্বাদে :—

কৈলাস শিখৰাসীনং দেবেশং সতী পাৰ্ব্বতি শঙ্কৰং
প্ৰপচ্ছ কলি লোকানাং সম্প্ৰদায়স্য লক্ষণম।

শ্ৰীপাৰ্ব্বত্যুবাচ।

কলিযুগেহি ভূতেশ লোকানাং তনুমেধসাং।
কো বোপাসনীয়াচৰ্য্যঃ সম্প্ৰদায়শ্চ কো ভবেৎ॥
ইতি মে প্ৰাৰ্থিতং দেব হেহনুমত্যা মহেশ্বৰ।
কথয়স্ব মহাদেব গদিতুং যদি মন্যসে॥

শ্ৰীহৰ উবাচ।

শৃণু দেবী প্ৰবক্ষ্যামি সম্প্ৰদায়স্য নিৰ্ণয়ং।
শ্ৰীশঙ্কৰ হৰি সাক্ষাদৱতাৰ কলৌযুগে॥
লোকান্ তাৰায়িতুং দেবো বৈকুণ্ঠাৎক্ষিতিমাগতঃ।
হৰদেবায় বিপ্ৰায় যাচকায় মহাত্মনে॥
ততঃ গ্ৰামশ্চ কথিতো ভক্তি মুক্তি সমন্বিতঃ।
তস্যাগ্ৰতো ৰাম ৰাম পত্ৰং দত্বা সুৰেশ্বৰি॥
দামোদৰায় মহতে শঙ্কৰায় চঃ বৈষ্ণবে।
দেয়ং গোপ্যঞ্চ ভৱতানন্দেঃং যস্য কস্যাচিৎ॥

পার্ব্বত্যুবাচ ।

যো হরি সংজ্ঞকো দেবঃ কস্মাজ্জাতস্তুঃ ভূতলে ।
তস্য ব্যক্তিঞ্চ ভোদেব কথয়স্ব মহেশ্বর ॥
দামোদর শঙ্করশ্চ তয়োর্জন্ম মম প্রিয় ।
কথয়স্ব মহাভাগ শৃণুতো নাস্তি সংশয়ঃ ॥

হর উবাচ ।

চতুর্থ উদ্ভবো ভ্রাতা মণুস্তামস সংজ্ঞকঃ ।
তস্মিন্ মন্বন্তরে চৈব হরিণ্যা হরিমেধসঃ ॥
হরিরিত্যাহুতো দেবৈর্গজেন্দ্র স্তারিতো গ্রহাৎ ।
বাণাজসিন্ধুচন্দ্রে চ শাকে ভবতি ভূতলে ॥
তস্য স্বাং স্যাৎ সমুদ্ভূতো হরিদেবো ভবিষ্যতি ।
ভাদ্র মাসি শিতে পক্ষে পঞ্চম্যাং দিন মধ্যমে ॥
নারায়ণপুরে সাক্ষাদজনাভ গৃহে মুদা ।
পারিজাতিনী ভার্যায়া ভবিষ্যতি ন সংশয় ॥
কৃপালু ভক্ত বাৎসল্যো নিগ্রহাণু গ্রহেক্ষমী ।
তস্য দ্বাদশ ভক্তাস্ত ভবিষ্যন্তি কলৌযুগে ॥
নষ্ট ধর্ম্মস্য রক্ষার্থং স্বধর্ম্ম পালনায় চ ।
হরিদেব ইতি খ্যাতো ভবিষ্যতি কলৌযুগে ॥

পদ ।

জয় জয় জগত ঈশ্বর দেব হরি ।
১। পদ চরণ বন্দো শিরোপত করি ॥

হৰি গুৰু চৰণত কৰি নমস্কাৰ ।
হৰগৌৰী সম্বাদক কৰিবো প্ৰচাৰ ॥
শ্লোক ভাঙ্গি পদ বন্ধে লিখিবাক চাঁও ।
যদি গুৰু ঈশ্বৰৰ কৃপাকণা পাঁও ॥
কৈলাশ পৰ্ব্বত সিতো অতি ৰম্যস্থান ।
কত মুক্তা মাণিকে কৰে দীপ্তমান ॥
যক্ষ ৰক্ষ গন্ধৰ্ব্ব কিন্নৰে সুশোভিত ।
তাৰ মাজে হৰগৌৰী বসিয়া আছন্ত ॥
অহর্নিশি হৰি গুণ কীৰ্ত্তন কৰন্ত ।
সদালাপে জগতেৰ হিতক চিন্তন্ত ॥
একদিনা পতিব্ৰতা দেবী সে পাৰ্ব্বতী ।
স্বামীৰ অগ্ৰত প্ৰশ্ন কৰিলন্ত সতী ॥
কলিৰ যুগত লোক হৈব অল্পমতি ।
কিমতে সংসাৰ মাজে পাব অব্যাহতি ॥
কোনবা দেৱক চিন্তি তৰিব সংসাৰ ।
কোনে উপদেশ দাতা হুইবেক লোকৰ ॥
হে প্ৰভো ভূতেশ প্ৰাৰ্থনা কৰোহো মই ।
দয়া কৰি দেব বিস্তাৰি কহিযো বুজাই ॥
পাৰ্ব্বতীৰ বচন শুনিয়া মহেশ্বৰ ।
কিঞ্চিৎ বিলম্বে দিলন্ত উত্তৰ ॥
সম্প্ৰদায় নিৰ্ণয়ক শুনা মন কৰি ।
কলিৰ যুগত বৈকুণ্ঠৰ পৰা হৰি ॥
শ্ৰীশঙ্কৰ নামে আসি অৱতাৰ হৈব ।
জ্ঞান ভক্তি উপদেশে লোক নিস্তাৰিব ॥

লোক তাৰিবাক হেতু পৃথিবীক আসি।
হৰিদেব ব্ৰাহ্মণত কহিব প্ৰকাশি ॥
ভক্তিৰ যাচক হৰিদেব মহামতি।
তান আসে কহিবন্ত ভক্তিতত্ত্ব সতী ॥
হৰিদেব আগে ৰাম ৰামৰ হাতত।
পত্ৰ দিয়া শ্ৰীগুৰুই কহিব তাহাত ॥
দামোদৰ দেব যে মহন্ত বিপ্ৰবৰ।
শঙ্কৰ কায়স্থ তেহোঁ বৈষ্ণৱতে সাৰ ॥
এহি দুইজন হাতে গোপ্য পত্ৰ দিব।
অন্য লোকে দেখিবাক নিষেধ কৰিব ॥
মহেশ্বৰ বচন শুনিয়া ভগবতী।
হৰক নমিয়া পুনু কহিলন্ত সতী ॥
হৰিদেব নামে দ্বিজ কলিৰ কালত।
কাৰ অংশে উপজিব জন্মিব কৈত ॥
হে দেব দেব মোত কহিয়ো বুজাই।
তুমি বিনে সংশয় ছেদন্তা আৰ নাই ॥
দেৱ দামোদৰ আৰু বৈষ্ণৱ শঙ্কৰ।
কৈত হুইবেক জন্ম তাসম্বাৰ ॥
ভবিষ্যত কথা শুনিবাক ইচ্ছা কৰো।
কহিয়োক ভয়হাৰি চৰণত ধৰোঁ ॥
হৰ-গৌৰি সম্বাদৰ কথা বিতোপন।
এক মনে শুনা হবে শমন দমন ॥
হৰিৰ কিঙ্কৰে কহে এৰি আন কাম।
পাপ দূৰ হোক ডাকি বোলা ৰাম ৰাম ॥

তুলড়ি।

পার্ব্বতীর বাণী শুনি শূলপাণি
ভবিষ্য কহিবে লৈলা।
চতুর্থ উত্তম শ্রেষ্ঠ তমঃ মন্বান্তরে
সহোদর জাত হৈলা॥
হরি জন্মধরে হরি মেধসরে
হরিণী দ্বিজ ভার্য্যাত।
যত দেবগণে আনন্দিত মনে
করিলা স্তুতি বহুত॥
অতি আনন্দিত মনে ক্রোড়ে রাখি দেবগণে
পূর্ব্বে সেই দ্বিজ সুতে।
হরি হেন নাম খ্যাত অনুপাম
হরি বুলি সদা মাতে॥
গ্রাহ হস্তে ভেস্তে গজিন্দ্রক মুক্ত
করি নিলা বৈকুণ্ঠক।
সেহি হরি অংশে শ্রেষ্ঠ দ্বিজ বংশে
ভূতলে জন্ম ধরিলেক॥
বৈকুণ্ঠর পরা মায়ায় মোহিয়া
দেব দেব জনার্দ্দন।
চতুর্দ্দশ শত পোক[illegible]শকত
আসি হৈলা অবতীর্ণ॥
ভাদ্র মাসে শুক্লা পঞ্চমী তিথিত
মধ্যাহ্ন সময়ে আসি।

নাৰায়ণপুৰে অজ নাভ গৃহে
জন্মিব কৈলো প্ৰকাশি ॥
পৰম পবিত্ৰ দ্বিজ অজনাভ
তান ভাৰ্য্যা পাৰিজাতী ।
তান গৰ্ভে হৰি অৱতাৰ ধৰি
লোক নিস্তাৰিব সতী ॥
পৰম কৃপালু ভকত বৎসল
হৰিদেৱ নামে খ্যাত ।
ভক্ত বাৰজন তাহান হৈবেক
জানিবা কলি. যুগত ॥
নষ্ট ধৰ্ম্ম দেখি অৱতৰি আসি
স্বধৰ্ম্ম ৰক্ষা কৰিব ।
নানা স্থানে হৰি ধৰ্ম্ম স্থাপ্য কৰি
লোক সব নিস্তাৰিব ॥
কলিযুগে হৰি সন্তৰূপ ধৰি
ভূমি ভাৰ হৰিয়ন্ত ।
নিগ্ৰহানুগ্ৰহ দাতা শুচি শান্ত
হৈব জানা স্বৰূপত ॥
শুনিয়ো লোকাই কলিযুগে নাই
অন্য ধৰ্ম্মে অধিকাৰ ।
কেবলে হৰিৰ নামেহে জানিবা
সংসাৰত পাৰাপাৰ ॥
কলিত জনম লভিয়া হৰিৰ
নামত নকৰে ৰতি ।

সিতো মূঢ়মতি আর কেনমতে
সাধিবে আপন গতি ॥
হেন জানি নর বিলম্ব নকর
সদা বোলা হরিবাণী।
হরির কিঙ্করে দ্বিজ গদাধরে
কহিছে কাকণ্য বাণী ॥

অথ ৺শ্রীশ্রীহরিগুরু চরিত্র।

৺ হরিদেবং গুরুং নত্বা সংসার বন্ধ মোচকং।
তচ্চরিত্রং সমাসেন বর্ণ্যতে পদ্যবন্ধতঃ ॥

শ্রীকৃষ্ণং গোপবেশং সুবরর সুখদং শ্যামবর্ণং স্বরূপং বাণীং লক্ষ্মীঞ্চ দেবীং সকলজনমনোবাঞ্ছিতার্থাদি দাত্রীং সর্ব্বান্বৈ বিষ্ণুভক্তান প্রকৃতিগুণ কৃত ক্রোধ কামাদি মোচান্ স্তুত্বা বাণেশ্বরো ৺ হরিপদ-বিভবাং স্তচ্চরিত্রং করোতি।

স্থানেশ্বর দ্বিজঃ কশ্চিদাসীৎ শাস্ত্রার্থ তত্ত্ববিদ্।
ভক্তিপন্থমনেকং বৈ সাধুসঙ্গাৎ শৃণোতিশঃ ॥
সকৃত্বা গুরুদেবস্য দর্শনেচ্ছামতিং ততঃ।
গবেষরা থ্যাদাগত্য তস্থৌ সর্ব্বাশ্রমে তদা ॥
তত্রলোক মুখাৎ শ্রুত্বা বৈকুণ্ঠ গমনং গুরোঃ
অচেতনো হতজ্ঞানঃ পপাত স মহীতলে ॥

দ্বিজ গদাধর একজন ৺হরিদেবর ভক্ত।

৺ দ্বিজ বাণেশ্বর কৈকাটী সত্রর উপরি পুরুষ। এঁও ৺ হরিদেবর এজন মহাভক্ত আছিল।

ততঃ শোকাকুলো ভূত্বা রুরোদ পুনরুত্থিতঃ।
রুদন্তং তং সমালোক্য দ্বিজাগ্রণী রুদারকঃ॥
সমাশ্বস্য সমালিঙ্গ্য পরমপ্রেম নির্ভরঃ।
শুশ্রূষিতোম্বপানৈঃ সমুত্থ্য পারীষদো গুরোঃ॥
থানেশ্বর দ্বিজ শ্রেষ্ঠঃ প্রপচ্ছতমুদারকং।
গুরোশ্চবিত্রমুৎকৃষ্টং প্রেমনির্ভরয়া গিরা॥

উদারক উবাচ।—

কৃতো লোকহিতঃ প্রশ্নঃ সাধূনাং হিতকারকঃ।
যেন প্রশ্নেন সন্তক্তা স্তরিষ্যন্তি ভবার্ণবং॥
অতোহহং বক্ষ্যামি হৃষ্টং সমাসেন স্বরূপতঃ।
ভিৰিয়া দিলা লৱৰে॥
নাহি ভয় বুলি প্ৰভু হাত তুলি
বুলিলা আশ্বাস বাণী।
বাঘৰ শিৰত তুলসীৰ মালা
দিলাহা প্ৰভু আপুনি॥
এহিমতে হৰি ৰিপু দূৰ কৰি
চলি যান্ত আনন্দতে।
একগোটা মোহে অনেক প্ৰাণীক
বধিয়া আছে তহিতে॥
গোবিন্দে দেখিয়া বোলন্ত ভৰিয়া
বিচেষ্টা দেখোহোঁ বড়।
মোহোৰ বচন শুনিয়ো গোবিন্দ
ভয় নকৰিবা আৰ॥
এহি বুলি হৰি হাতে মালা লই
দিলা নিয়া তাৰ মাথে।

গোবিন্দক ধৰি লিলা গতি কৰি
চলি যান্ত ৰাজ পথে ॥
আচ পৰে যেন চৰিত্ৰ মিলিলা
শুনিয়োক নিৰন্তৰে ॥
পালশাম্বি গ্ৰামে আছে একজন
ধনু কাটা নাম ধৰে ॥
পৰম দুৰ্জ্জন নাহি এবো জন
নামানে কাকো দৰ্পত ॥
তাহাৰ দৰ্পক চুৰ কৰো বুলি
পশিলা ধান্য মাজত ॥
দেখি ধনু কাটা ক্ৰোধৰ বেগত
পাৰিবে লাগিলা গালি ।
কোনজন কনা শহ মাজে যান
ধান্য ভাজি কৰি আলি ॥
সিয়ো কনঃ ভৈলা তৈতে পৰি ৰৈলা
নাজানি গুণ সমুলি ।
পৰম ঈশ্বৰ তাৰ দৰ্প চুৰ
কৰি প্ৰভু গৈলা চলি ॥
শঙ্কৰত যাই গোবিন্দে কহিলা
শুনিয়া বিস্ময় ভৈলা ।
ঈশ্বৰৰ কৰ্ম্ম জানিয়া তাহাক
আশ্বাসী বুলিবে লৈলা ॥
আত অনন্তৰে ভৈলা যেন কথা
শুনা তাক সৰ্ব্বজন ।
তৃষ্ণায়ে পীড়িত ভৈলা শঙ্কৰৰ
জলক আনা এখন ॥

জল আনি দিলা আনন্দে ভুঞ্জিলা
তৃষ্ণা ভৈলা নিবারণ ।
তেতিক্ষণে পাছে বুলিলা শঙ্করে
শুনহ মোর বচন ॥
সবে লগ লাগি আহা যাওঁ আজি
হরি গুরুর সত্রক ।
আরু দেখোঁ গৈয়া কোন পন্থ দিয়া
আসে আমার স্থানক ॥
পঙ্কে পরিপূর্ণ দেখিয়া বাটক
মাধব মনে অসুখ ।
আহা বান্ধো আলি নকরিবা হেলা
গুরু পাবে বর দুঃখ ॥
হেন শুনি সবে আলিক বান্ধিলে
পন্থ করিলন্ত ভালে ।
শঙ্করে দেখিয়া আনন্দে বুলিলা
ভজন করা সকলে ॥
শুনি আজ্ঞা বাণী গৃহে পশি সবে
দেখিলা অকর্ম্ম বর ।
এক গুটী ভিরা শুক্ল পুষ্প সমে
দেখিলন্ত তাত পর ॥
ইতো কিবা বুলি পুছিলা মাধব
মোরে কহা শীঘ্র করি ।
লক্ষ্মী কেনে পূজা করোহোঁ আপুনি
মাধ জানা নিষ্ঠ করি ॥
সকল ভকতে শুনি হেন কথা
আসিলা পাছে গুলায় ।

শঙ্কৰ আগে সমস্ত কহিলা
অতকত আছে আই ॥
শঙ্কৰে বোলন্ত শুনিয়ো মাধৱ
শুকক আনা এখনে ।
শুনিয়া মাধৱে হৰি যে দেৱক
আনিলন্ত তেতিক্ষণে ॥
তাহান ভাৰ্য্যাক উপদেশ দিলা
শিকাইলা নীতি আচাৰ ।
শঙ্কৰে শুনিয়া আনন্দ কৰিয়া
কৰিলা মান্ত বিস্তৰ ॥
শুনা হৰি শুক আমাৰ ভাৰ্য্যাৰ
আজি ধৰি গুৰু ভৈলা ।
এহি বুলি শুক্ৰ বস্ত্ৰ জুৰি আনি
সম্মান তাঙ্ক কৰিলা ॥
শুনা হৰি শুক ভাগবত ধৰ্ম্ম
কহিয়ো মোত বুজাই ।
শুনি হৰি দেৱে কহিবে লাগিলা
ভাগৱত সমুদায় ॥
শুনা সভাসদ শুকৰ চৰিত্ৰ
সকল ধৰ্ম্মতে সাৰ ।
শুক বিনে আন মতে একো জন
নপাৰে সংসাৰ পাৰ ॥
সংসাৰ সাগৰে শুনি লাগে ভয়
কৃষ্ণৰ নামেসে সাৰ ।
কাম ক্ৰোধ দুই কুম্ভীৰ মগৰ
আওটানি খাই গাৰৰ ॥

চৈধ্য উর্ম্মি পাক সভকে উঠয়
লোভ মোহ ভেলে চবি।
বিষয় বতাসে চউ উঠলায়
তল যাওঁ তাতে পবি॥
হেন জানি সবে চিন্তিও কৃষ্ণক
মনে তেজি আন কাম।
দ্বিজ দিবা কবে বোলে কবযোড়ে
ডাকি বোলা বাম॥

পদ।

শুনিয়োক কথা আবে আত অনন্তবে॥
শঙ্কবে বুলিলা শুনা দ্বিজ দামোদবে॥
অদভুত কৰ্ম্ম তান দেখিও সম্প্রতি।
সমস্তুতে বড়া হবি গুৰু মহামতি॥
এতেকে চলিয়া আমি যাওঁ মানেবীক।
দোল ভিঠি বান্ধি মান কাবাইঁো তেওঁক॥
এহি বুলি চলিলা শঙ্কব দামোদব।
লগত চলিলা আন ভক্ত নিবন্তব॥
এহিমতে চলিয়া গৈলেক তিনিজন।
শহব মাজত পবি আছে একজন॥
শঙ্কবে দেখিয়া বোলে তুমি কোনজন॥
স্বৰূপ কবিয়া মোত কথা এতিক্ষণ॥

ধনুকাটা বোলে শুনা আমাৰ বচন।
শহমাজে গৈলেক আমাৰ একজন ॥
গাৰৱ দৰ্প্ত মই বুলিলোহোঁ কণা।
স্বৰূপ কহিলোঁ মই হেন মনে মানা ॥
শঙ্কৰে বোলন্ত কৃপাময় হৰি গুৰু।
দুষ্ট সংহাৰক তুমি ভক্ত কল্পতৰু ॥
অবিদ্যা মোহিত সিতো নজানে তোমাক।
চক্ষুদান দিয়া তুমি অন্ধ যে প্ৰাণীক ॥
হৰিদেৱে শুনি পাছে মহা তুষ্ট ভৈলা।
কণা শুচি তেতিক্ষণে তান চক্ষু ভৈলা ॥
অদভুত দেখি ধনুকাটা গুণে মনে।
নম্ৰভাৱে কৰি স্তুতি ধৰিলা চৰণে ॥
নমোনমো জগতৰ কৰ্ত্তা আদি দেৱ।
তিনিও জগতে যাৰ পদে কৰে সেৱ ॥
তুমি চৰাচৰ গুৰু জগতৰ বাপ।
তোমাক নিন্দিলোঁ মোৰ ভৈলা মহাপাপ ॥
পশিলোঁ শৰণে তুৱা পদে কৰি সেৱ।
প্ৰসন্ন হুয়োক মোক ৰাখা হৰিদেৱ ॥
আনো নানা স্তুতি তাঙ্ক কৰিবে লাগয়।
আৰ নকহিলোঁ পদ বাহুল্যক ভয় ॥
এহিমতে স্তুতি কৰিলন্ত কৰি সেৱ।
শুনিয়া দয়ালু পাছে ভৈলা হৰিদেৱ ॥
পৰম ভকতি জ্ঞান তাহাত কহিলা।
আন নকৰিয়া মানেৰীক চলিগৈলা ॥
উদাৰ গোবিন্দে কহে শুনা খানেশ্বৰ।
মানেৰীক পাইলা পাছে শঙ্কৰ দামোদৰ ॥

সাতদিন সাতরাত্রি যাত্রা আরম্ভিলা।
যাত্রা সাঙ্গ করি পাছে প্রসাদ ভুঞ্জিলা॥
চারিও কাষরে ফুল তুলসীক কইলা।
বান্ধি-ন্ত দোলগুটী শোভান্বিত হৈলা॥
বিধিমতে নিয়া তাতে প্রতিমা তুলিলা।
অনেক আনন্দ গীত কীর্ত্তন করিলা॥
শঙ্করে বোলন্ত শুনা ভক্ত জ্ঞানীগণ।
উরিষা নগরে যেন হরি গুরু স্থান॥
ইহার ভিতরে জন্ম লভে যিতো জন।
অপ্রয়াসে চলি যায় বিকুণ্ঠ ভুবন॥
তিনিও দেশর যত লোক নিরন্তর।
সবে আসি ইহাত যোগাইবো কর ভার
আমিও সকলে আসি করিলোহোঁ স্নান।
আজি ধরি নাম হৈলা মানেরোর স্থান॥
এহি বুলি বিদায় মাগিলা ভূয়োজন।
ভাসম্বাক প্রভু পাছে করাইলা ভোজন॥
আশ্বাস করিয়া পাছে দিলন্ত বিদাই।
চলিগৈলা ভূয়োজন আপোনার ঠাই॥
আতপরে কথা কহোঁ শুনা সমুদাই।
বাড়জন বিপ্র আইলা শঙ্করর ঠাই॥
একতোলা বিষ লই পরীক্ষা করয়।
বিষ পাণ করে যিটো জানিবো নিশ্চয়॥
এহি অঙ্গীকার করি সবে দ্বিজগণ।
বিষলই শঙ্করর আগত উপসন্ন॥
দেখিয়া শঙ্করে পাছে বুলিলা বচন।
কিবা প্রয়োজনে আইলা আমার স্থান॥

শুনি দ্বিজগণে কথা কহিলা নিঃশেষ ।
শিৱ ভুঞ্জি আমাক দিয়োক উপদেশ ॥
শঙ্কৰে বোলন্ত শুনা ইহাৰ কাৰণ ।
ব্ৰাহ্মণ ৰাজাৰ গুৰু নহোঁ দ্বিজগণ ॥
পাটবাউসীত আছে দামোদৰদেৱ ।
হৰিগুৰু মানেৰীত কৰিবাহা সেৱ ॥
শুনি দ্বিজসৱ দামোদৰ পাশে গৈলা ।
দেখি দামোদৰে পাছে বচন বুজিলা ॥
শুনা দ্বিজগণ তোৰা বচন আমাৰ ।
পূৰ্ব্বে বিষ ভুঞ্জিয়াছে উমাপতি হৰ ॥
আমাৰ শকতি নাই জানা নিষ্ঠ কৰি ।
বিষ লৈয়া যোৱা সৱে কৈলাশ নগৰী ॥
শুনি হেন তেজিকণে নেথাকিলা ৰই ।
মানেৰীত দ্বিজগণ প্ৰবেশিলা গই ॥
পৰম পণ্ডিত বেদ গৰ্ব্বি বিপ্ৰগণ ।
তাসম্বাৰ নাম শুনা সৱে দিয়া মন ॥
যদুমণি জগন্নাথ আৰু সত্যদেউ ।
গোপাল যে ভট্টদেৱ ভগবান দেউ ॥
হৰিচৰণ নাৰায়ণ আৰু সৰু গুৰু ।
বংশীদেৱ বলদেৱ আৰু বড় গুৰু ॥
এহি বাৰজন বিপ্ৰ আসিলা তেখনে ।
হৰিদেৱে দেখি পাছে দিয়াইলা আসনে ॥
ব্ৰাহ্মণসৱক আশ্বাস কৰিলা গোসাঁই ।
কিবা কাৰ্য্যে আসা তোৰা আমাৰ যে ঠাই ॥
দ্বিজগণে বোলে প্ৰভু শুনিয়োক বচন ।
একতোলা বিষ লই আসিছোঁ তযু স্থান ॥

সামান্য শুকক চাই বুবোঁ যাতু জন।
হেন জানি প্রভু বিষ কৰিয়োক পান॥
হৰিদেৱে বোলে শুনা কহোঁ মই তাক।
মহাদেৱে পাৰে বিষ পাণ কৰিবাক॥
চলিয়ো সত্বৰ কৰি বুলিলোঁ বচন।
বিপ্রে বোলে শুনা প্রভু ইহাৰ কাৰণ॥
চৈতন্যক আদি কৰি শঙ্কৰ দামোদৰ।
সবে মিলি পঠাইয়াছে আশ্রমে তোমাৰ॥
নাই বিষ পান কবোঁ বুলিলা গোসাঁই।
মহন্ত সবাৰ যদি হাত আছে পাই॥
এহি বুলি বিষক কৰিলা প্রভু পাণ।
মনুষ্যৰ চেষ্টাক দেখাইলা বৰ্ত্তমান॥
নজানয় ইহাৰ মহিমা আছে কত।
বিষ লাগি প্রভু পৰি থাকিল ভূমিত॥
শুনিয়োক গুৰুৰ চৰিত্র সৰ্ব্বজন।
পৃথিবীত কোনে বিষ কৰিয়াছে পাণ॥
মনুষ্যৰ কৰ্ম্ম নহে জানিবা ইহাক।
হৰি হেন জানি সবে ভজিয়ো তাহাক॥
কৃষ্ণৰ চৰণ পদ পঙ্কজ নিঙ্গৰ।
ধ্বজ বজ্র আদি পদ্মপাণি পটন্তৰ॥
ৰাজহংস সদৃশ আমাৰ ইতো মন।
সেহি নিজবাত পক্ষী থাকে সৰ্ব্বক্ষণ॥
নপশিলে কফ-বাতে মৃত্যু সময়ত।
কণ্ঠ নিৰোধন আসে জানা সি ক্ষেত্ৰত॥
কতো ত্যক্ত কৰাই কৰিবেক অচেতন।
হেনজানি ভজিয়োক কৃষ্ণৰ চৰণ॥

কৃষ্ণৰ চৰণ মনে সেৱিবা সদায়।
পৰলোকে গতি হৰি বিনে আন নাই ॥
হৰিক ভজিয়ো সবে ত্যেজি আন কাম।
দ্বিজ দিবা কৰে শুনে বোলা ৰাম ৰাম ॥

লেছাৰি।

দেখিলেক বিপ্রে বিপৰীত   প্রভু পৰি আছে পৃথিবীত
শোকৰ বেগত লাগি গৈলন্ত ঝমক।
হৰি হৰি বিধি প্রভুদেৱ   তিনিও জগতে কৰে সেৱ
আজি কোন সত্তে আমি বধিলোঁ তোমাক ॥
গঙ্গা গয়া কাশী আদি কৰি   সমস্ত তীৰ্থক আছো কৰি
সবে নষ্ট হৈলা আজি ধৰি জানোঁ আমি।
পিতৃ পিতামহ বন্ধু যত   লবেয়ো পৰিবে নৰকত
গুৰু দ্রোহী পাপে অধোগতি গৈলোঁ আমি ॥
পূৰ্ণ শশী সম মুখ কান্তি   সুদীৰ্ঘ নাসিকা বিৰাজন্তি
লম্বিত কৰ্ণক দেখন্তে অতি সুন্দৰ।
দাড়িম্ব নিন্দি দন্ত দু পান্তি   গ্রীবা বক্ষস্থলে কৰে কান্তি
হৃদয়ত মালা শোভা কৰে নিৰন্তৰ ॥
আজানুলম্বিত বাহুদ্বয়   তাতে শোভে নখ-ৰেখাচয়
অৰুণ কৰ চৰণে আঙ্গুলী জ্বলন্ত।
কেতকীৰ বৰ্ণ সমৰূপ   দেখিলে মাত্রকে নাশে পাপ
পাদ পদ্ম দুই ভকতৰ ভয় নাশন্ত ॥

এহিৰূপ বিভো হৃদি ধৰে   ভূৰুৰ মৃত্যুক সুখে তবে
কিনো মন্দভাগ্য আমি বধিলোঁ কিসক।
কতো জন্মে আমি পুণ্য কৰি   ব্ৰাহ্মণৰ গৰ্ভে জন্ম ধৰি
শাস্ত্ৰসব যত পঢ়িলোঁ সবে নিষ্ফলক॥
ঘোৰ কৰ্ম্ম কৰোঁ হৰি হৰি   কিয় আছো আমি প্ৰাণ ধৰি
হৰি হৰি হৰি কিহৰ আমাৰ গতি।
ধিক্কাৰ আমাৰ জীৱনক   যিহেতু বধিলোঁ বৈষ্ণৱক
কোনে দিলে অভিশাপ আমাসাৰ প্ৰতি॥
কোনে পাৰা দিয়া বিষ খাওঁ   ইহান লগতে মৰি যাওঁ
যমপুৰে যাই নেৰাম ইহান শোক।
বেদ শাস্ত্ৰ গীতা ভাগৱত   লভি তত্ত্ব সকল শাস্ত্ৰত
বেকত কৰিয়া হৰি ভকতি দিলেক॥
তাহাৰ নাশনে ঘোৰ পাপ   হৃদয়ত উঠে মহা তাপ
লোকৰ দূষণ ভৈলোহোঁ জানোঁ সম্প্ৰতি।
তুমি প্ৰভু পূৰ্ণ অংশ জাত   হৰিৰূপে জগতে বিদিত
তুমাক প্ৰবঞ্চি ভৈলোঁ আমি আত্মঘাতি॥
ধিক ধিক জন্ম লভিবাৰ   আমি বাৰ মহা পাতকীৰ
কিনো মন্দমতি কৰিলোঁ গুৰুক নাশ।
এহি বুলি পাছে দ্বিজগণে   হৃদি মুষ্টি হানে ঘনেঘনে
পৃথিবীত পৰি কাৰয় দীৰ্ঘ নিশ্বাস॥
উদ্ধৱক আদি ভক্তগণে   ব্ৰাহ্মণক চাই গৰ্জ্জে ঘনে
পৰম ক্ৰোধত পাৰিবে লাগিলা গালি।
কত দেখি আছে ড়াঙ্গধৰি   আসা মাৰোঁ আসাক্বাৰ বেড়ি
কোনমতে আসি কিসক গুৰু বধিলি॥
শুনৰে অধম দ্বিজ জাতি   ব্ৰহ্মবধ কৰিলিহি আজি
তোমাসাৰ আৰে নৰকত হৈবে স্থান।

ইলোকত যাজ দূতগণে ধৰি বান্ধি নিবে এতিক্ষণে
যাতনা ভুঞ্জিয়া নাশিবে তোমাসাৰ প্ৰাণ ॥
শুনি হেন বাণী দ্বিজগণে আপোনাক নিন্দে মনে মনে
পৃথিবীত পৰি মনত গুণিবে লৈলা।
লোকৰ নিন্দাৰে ভৈলা বৰ কৰিলোহোঁ কৰ্ম্ম ভয়ঙ্কৰ
ইতো কৰ্ম্ম আমাসাক নৰকত লৈলা ॥
হেন পাতকীৰ প্ৰায়শ্চিত্ত বেদে নিৰিহিলা পৃথিবীত
এহি বুলি সবে পৰি অচেতন ভৈলা।
আমি হেন মহা পাতকাৰ গতি নাহি জানা সাবেসাৰ
চন্দ্ৰ সূৰ্য্য থাকে মানে অপযশ ৰৈলা ॥

ছবি।

এহি বুলি দ্বিজগণ ভৈলা সবে অচেতন
পৃথিবীত পৰি দুঃখ মনে।
ভকতৰ দুঃখ দেখি আকুলিত ভৈলা প্ৰভু
উঠিয়া বসিলা ততিক্ষণে ॥
জ্বলন্তে আছয় আতি যেন বিজুলীৰ পাতি
ৰূপ যেন দেখি মনোহৰ।
অদভুত কৰ্ম্ম দেখি পৰম বিস্ময় মানি
পৰিয়া কৰিলা নমস্কাৰ ॥
অৰুণ চৰণ ৰেণু তুলিয়া লৈলন্ত শিৰে
মনে বড় আনন্দ কৰিলা।
যোৰহাত নম্ৰ বাণী পৰম ঈশ্বৰ জানি
পাছে স্তুতি কৰিবাক লৈলা ॥
তুমি জগতৰ স্বামী তোমাক নজানোঁ আমি
বিষ খুৱাই পৰীক্ষোঁ তোমাক।

অগনিত কবি সাহ দিব্রয় কবিগ্ন জাগ
পটন্তৰে পাইলেক আমাক ॥
আমি বিপ্ৰ বাঢ়জন যুকিলোহোঁ নানা স্থান
পণ্ডিত বুলিয়া বঢ়ো মান ।
আসিলোহোঁ দৰ্পকৰি সবে চুৰিলাহা হৰি
তযুআগে ক্ষুদ্ৰ যেন পতঙ্গ ॥
এহিমতে স্তুতি নতি প্ৰভুৰ চৰণে আতি
পৰিয়া কৰিলা বাঢ় দ্বিজে ।
হৰিৰ ভৃত্যৰ ভৃত্য দিবাকৰে ৰচে গীত
শুনিয়োক সকল সমাজ ॥
গুৰু বিষ্ণু ব্ৰহ্মা হৰ জানা আক সাৰে সাৰো
মনে গুৰু চিন্তা নিৰন্তৰ ।
গুৰুৰ চৰণে ধৰি গুৰুক কাণ্ডাৰী কৰি
সুখে তৰা ভৱনদী পাৰ ॥
হেন জানি নৰলোক সবে গৰ্ব্ব তেজিয়োক
মুখে উচ্চাৰিও ৰাম ৰাম ।
তৰিবা সংসাৰ দুখঃ লভিবা মুকুতি সুখ
নিৰন্তৰে বোলা ৰাম ৰাম ॥

পদ।

আত অনন্তৰে কথা শুনা সৰ্ব্বজন।
হলাহল বিষক প্ৰভু কৰিলা পাণ ॥
হলাহল বিষক জাগিলা যোগবলে। (১)
ব্ৰাহ্মণ সকলৰ দৰ্প গুচিলা সকলে ॥

---

(১) প্ৰাপ্য পুণ্যকৃতাং লোকানুষিত্বা শাশ্বতীঃ সমাঃ।
শুচীনাং শ্ৰীমতাং গেহে যোগভ্ৰষ্টোঽভিজায়তে ॥
অথবা যোগীনামেব কুলে ভৱতি ধীমতাং।
এতদ্ধি দুৰ্লভতৰং লোকেজন্ম যদীদৃশম্। গীতা, ৬।৪১।৪২।
সৰ্ব্বচিন্তা পৰিত্যাগো নিশ্চিন্তো যোগ উচ্যতে। যোগশাস্ত্ৰ।
যোগোশ্চিত্ত বৃত্তি নিৰোধঃ। পাতঞ্জল, ।২।

যোগভ্ৰষ্টব্যক্তি পুণ্যকাৰী ব্যক্তিৰ প্ৰাপ্য স্থানত বহু দিন থাকি পিছত সদা চাৰ সম্পন্ন ধনীৰ ঘৰত নাইবা ব্ৰহ্ম বুদ্ধি সম্পন্ন উচ্চ বংশত জন্মলাভ কৰে। সি জন্মত পৌৰ্ব্ব দেহিক বুদ্ধি প্ৰাপ্ত হই মুক্তি লাভ বিষয়ত বেচি যত্ন কৰে। যেতিয়া মানুহ সৰ্ব্ব চিন্তা পৰিত্যাগ কৰে, তেতিয়া তেওঁৰ সেই মনৰ লয়াবস্থাক যোগ বুলি উক্ত হয়।

চিত্তৰ বৃত্তিসকলক ৰুদ্ধ বা নিৰোধ কৰাৰ নাম যোগ। যোগ বলে যে অত্যাশ্চৰ্য্য অমানুষিক কাম কৰিব পৰা যায় তাৰ এটা প্ৰমাণ হৰিদেৱে হলাহল বিষ পাণ কৰি দেখুৱালে। যোগসিদ্ধ পুৰুষ বাক্যসিদ্ধ। যোগবলে হৰিদেৱ ৰাজ দূতৰ মাজৰপৰা অন্তৰ্দ্ধান হৈছিল। ব্ৰহ্মক পাব লাগিলে যোগ সাধন অত্যাবশ্যক। স্বয়ং ভগবানকও সেই গতিকে সৰ্ব্বশ্ৰেষ্ঠ যোগী বোলা হয় যম-নিয়মাদি সাধনে হিংসা-কাম-লোভাদি পাপমল বিদূৰিত আৰু কামনা বাসনা জড়িত চিত্তবৃত্তিসকল নিৰুদ্ধ কৰিব পাৰিলেই হৃদয়স্থ চৈতন্য পুৰুষ (হৰিৰ) সাক্ষাৎ লাভ হয়। হৰিদেৱ গুৰু যে এজন প্ৰধান যোগী পুৰুষ আছিল তাৰ কোনো ভুল নাই। তেওঁ এই যোগবলে হৰি অংশে জাত হৈ আকৌ যোগবলে মহাবিষ্ণুতে লয় প্ৰাপ্ত হয়।

পৰম অদ্ভুত কৰ্ম্ম দেখিয়া প্ৰভুৰ।
তাহাঙ্ক মানুষ বোলে অধম পামৰ॥
হেন জানি তাহাৰ চৰণ মনে ধৰি।
হৃদয় পদ্মত চিন্তা তাঙ্ক যত্ন কৰি॥
ঈশ্বৰৰ অংশে অৱতাৰ তেহোঁ হৰি।
জানি বাঢ় দ্বিজে প্ৰণামিলা পাৱে ধৰি॥
দিয়ো উপদেশ প্ৰভু চৰণত ধৰোঁ।
তোমাৰ প্ৰসাদে ঘোৰ সংসাৰক তৰোঁ॥
তুৱা সম গুৰু আমি নতু আছোঁ পাই।
ৰাখিও আমাক প্ৰভু নিৰ্গুণ গোসাঁই॥
হৰিদেৱে বোলে শুনিয়োক বিপ্ৰগণ।
বিচাৰিয়া গুৰু লভিয়োক আন জন॥
আমি কেনমতে তৰোঁ ঘোৰ সংসাৰত।
আনক ৰাখিবো কেনে দুৰ্ঘোৰ কলিত॥
এতেক বচন শুনিলন্ত দ্বিজগণে।
মৃত্যু সম হৈয়া ফিৰি গৈলা তেতিক্ষণে॥
তাত পাছে ফিৰি আসিল বাৰজন।
সিবেলাও তাসম্বাক কৰিলা বাৰণ॥
চাৰিজন দ্বিজ আসিলন্ত পুনৰ্ব্বাৰ।
দেখিয়া তাহাঙ্ক প্ৰভু কৰিলা সাদৰ॥
চাৰিত কহিলা বিষ্ণু জ্ঞান মহাতত্ত্ব।
শুনি তাসম্বাৰ মনে আনন্দ বহুত॥
পুছিলা সাদৰে ভাগৱত ধৰ্ম্ম যত।
হৰিদেৱে বোলে মই কহোঁ তোমাসাত॥
প্ৰথমতে কহোঁ শুনা ধৰ্ম্ম ভাগৱত।
যাক জানি নৰ সুখে তৰে সংসাৰত॥

হৰিক একান্ত ভক্ত যত নিৰন্তৰ।
হৰি হেন মানি তাঙ্ক কৰিবা সাদৰ ॥
স্নান কৰি মাধৱৰ স্তোত্ৰক বুলিবা।
পঞ্চ উপচাৰে হৰি পূজাক কৰিবা ॥
তাত পৰে মাধৱক কৰি স্তুতি নতি।
শিৰে নমস্কাৰ কৰি কৰিবা ভকতি ॥
নিৰ্ম্মাল্য তুলসী লই প্ৰসাদ ভুঞ্জিবা।
আনন্দ কৰিয়া হৰি কীৰ্ত্তন কৰিবা ॥
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম কৰিবা সদায়। (১)
ভাগৱত ধৰ্ম্মৰ এহিসে অভিপ্ৰায় ॥
বেদৰ বিহিত কৰ্ম্মসদায় কৰিবা।
কদাচিতো মহন্তক নিন্দা নকৰিবা ॥
প্ৰাণী হিংসা নকৰিবা কৈলোঁ সাৰেসাৰ।
প্ৰাণীৰ হিংসাত পৰে পাপ নাহি আৰ ॥
এহি বুলি আদেশ কৰিলা দেৱ হৰি।
যায়ো যদুমণি তুমি উজান নগৰী ॥
জন্মভূমি ত্যাজিবাক নাহিকে বিহিত।
এহি ধৰ্ম্ম নিয়া তুমি স্থাপিবা তহিত ॥
পাছে হৰিচৰণক মেধি যে পাতিলা।
মালা দিয়া জাগৰাক আদেশ কৰিলা ॥
নাৰায়ণ দেৱক প্ৰভু আনিলন্ত মাতি।
মালা দিয়া মেধি পাতি হাতে নিলা বাতি ॥
শুভাক চলিয়ো হেৰা কৰিলোঁ আদেশ।
শুদ্ধ সত্য ধৰ্ম্ম তুমি কৰিবা নিঃশেষ ॥

(১) ভক্তিৰ নব অঙ্গ— শ্ৰৱণ, কীৰ্ত্তন, বিষ্ণু নাম স্মৰণ, পাদ সেৱা, অৰ্চ্চনা, বন্দনা, দাস্য, সখীত্ব আৰু আত্ম নিবেদন।

পাছে জগন্নাথক যে মেধি পাতি থৈলা ।
বৈণাকুছিক যোৱা বুলি আদেশ কৰিলা ॥
থানেশ্বৰ উদাৰ প্ৰভুৰ লগে থৈলা ;
নিগুৰ্ণ ভকতি দুইকো সকলে কহিলা ॥
বৰতাঁতি আদি কৰি বাৰ ঘৰ তাঁতি ।
তাসম্বাক থৈলা বহৰীত মেধি পাতি ॥
থানেশ্বৰ নিগদতি শুনা মহা মতি ।
এহি চাৰিজন কোন কহিয়ো সম্প্ৰতি ॥
উদাৰে বোলয় শুনিয়োক মন কৰি ।
এহি চাৰি পাৰিষদ জানা নিষ্ঠ কৰি ॥
নন্দে আসি যদুমণি জানা সমুদায় ।
হৰিচৰণ সুনন্দ যে কহিলোঁ বুজাই ॥
পুষ্পদন্তে নাৰায়ণ জানা তাক আতি ।
জয়দন্তে জগন্নাথ কহিলোঁ সম্প্ৰতি ॥
চাৰি পাৰিষদ আসি প্ৰভুৰ লগত ।
ঠাই ঠাই ধৰ্ম্ম পাতি থৈলা হৰষিত ॥
যদুমণি আছিলন্ত সোমাৰ দেশত ।
হৰিচৰণ দেৱক যে জানিবা হাজোত ॥
নাৰায়ণ দেৱৰ জন্ম শান্তি যে পুৰত ;
দ্বিজ জগন্নাথ জন্মে চেণ্ডদি গ্ৰামত ॥
এহি চাৰি পাৰিষদ প্ৰভুৰ লগত ।
ধৰ্ম্ম পন্থ দেখুৱাই থৈলা পৃথিবীত ॥
শুনা সভাসদ পদ চৰিত্ৰ গুৰুৰ ।
কৰ্ণৰ অমৃত যাক জানা নিৰন্তৰ ॥
সমস্ত কাৰ্য্যত জানা গুৰু সাত আগ ।
হেন জানি তাহাঙ্ক ভজিয়ো মহাভাগ ॥

নমো নমো হৰি গুৰু কৃপাৰস সিন্ধু।
দৰিদ্ৰ দায়ক দীন দুঃখিতৰ বন্ধু॥
জন্মে জন্মে তোমাৰ দাসৰ হওঁ দাস।
এহি কৃপা কৰা মোক নকৰা নৈৰাশ॥
হৰি হেন নাম নচাৰোক সুখে দুখে।
শঙ্কটত তুৱা নাম আসোক মোৰ মুখে॥
এহি বৰ মাগোঁ প্ৰভু তুমি পূৰ্ণ কাম।
জানি নৰলোক সদা ঘুষিয়োক ৰাম॥

দুলড়ি।

অনন্তৰে আসি বৎসৰ যে সাত
কুৰি যে প্ৰভুৰ ভৈলা।
ভকতিৰ পন্থ বিদিত কৰিয়া
অনেক লোক তাৰিলা॥
সেহি সময়ত প্ৰভুৰ আগত
আকাশি বচন ভৈলা।
পূৰ্ব্বত ৰামৰ আগে কাল আসি
যি সব কাহিনি কৈলা॥
শুনি দেৱ হৰি মনে ৰঙ্গ কৰি
বৈকুণ্ঠে যাইবাৰ মন।
ইঙ্গিত আকাৰে জানিলা উদাৰে
মোক বঞ্চে নাৰায়ণ॥
শোকৰ বেগত কান্দিবে লাগিলা
দুয়ো চৰণত পৰি।
পুত্ৰ ভাৰ্য্যা এৰি ভৈলোঁ তব দাস
মোক এৰা কেন কৰি॥

তযু উপদেশে ভৰিবো সংসাৰে
হেন আশা আছে মনে।
সকল ভৰষা চুৰ ভৈলা আজি
বঞ্চিয়া তুমা চৰণে॥
হে প্ৰাণপতি মোৰ তুমি নিজ গতি
দূৰ কৰা ইতো শোক।
কাহাত ভৰষা কৰিয়া বঞ্চিবো
কৈক এৰি যাহা মোক॥
তযু সম আৰু গুণৱন্ত স্বামী
কোন জন্মে পাইবো আৰ।
এহি বুলি শোকে কান্দিবে লাগিলা
চৰণত থৈয়া শিৰ॥
ইহাৰ চৰণে সেৱিবাক পালোঁ
কত জন্মে তপ সাই।
তাক হৰুয়াওঁ মোহৰ অভাগ্য
বঞ্চিলা মোক গোসাঁই॥
এহি বুলি সন্ত উদাৰ মহন্ত
তাহান গুণ সুমৰি।
গোবিন্দক আদি কৰি ভক্ত গণে
বিনারে চৰণে পৰি॥
হে নাথ স্বামী তযু ভৃত্য আমি
পঙ্কজ পদে তোমাৰ।
জন্মে জন্মে গুৰু ভক্ত কল্পতৰু
তুমিসে হৈবা আমাৰ॥
বুলিয়া সকলে শোকত ব্যাকুল
কান্দে চৰণত পৰি।

ভকতৰ দুঃখ দেখি মনে কষ্ট
সন্তোতক ভৈলা হৰি ॥
সবাকো সম্বোধি বুলিবে লাগিলা
দয়াশীল কৃপাময় ।
কালৰ অধীন যত ভূত প্ৰাণী
কেহোঁ স্বতন্তৰী নয় ॥
তাকে জানি সবে আমাৰ বচনে
স্থিৰ কৰিয়োক মন ।
যিতো মহাজ্ঞান পূৰ্ব্বে আছা পাই
তাক জপা সৰ্ব্বক্ষণ ॥
এতেকে ভকতি হৈবে তোমাসাৰ
কহিলোঁাহোঁ সাৰেসাৰ ।
নামতেসে চিত্ত দিবা সৰ্ব্বক্ষণ (১)
ভকতি হৈবে তোমাৰ ॥
প্ৰভুৰ মুখৰ অমৃত সমান
বচন শুনি সকল ।
শোক মোহ দূৰ ভৈলা তেতিক্ষণ
সবাৰো চিত্ত নিৰ্ম্মল ॥
যেন অন্ধকাৰ কৃষ্ণ ৰজনীৰ
ৰশ্মিয়ে কৰয় দূৰ ।
সেহিমতে আৰে প্ৰভুৰ বচন
গুচ্ছালা মলি সবাৰ ॥
পাছে যে গোসাঁই গোবিন্দক চাই
বুলিলা মধুৰ বাণী ।
সাধু সকলক আনা এতিক্ষণ
গোবিন্দে চলিলা জানি ॥

গুৰুৰ আদেশ কহিলা সবাতো
তাহান সব বৃতান্ত।
শুনি সাধুসবে আথ বেথ কৰি
শীঘ্ৰ বেগে চলিযান্ত॥
মানেৰীক পাই দেখিলা গোসাঁই
তিনি জগতৰ পতি।
কুশৰ উপৰি যোগাসন ধৰি
প্ৰকাশে বিমল জ্যোতি॥
সেহি সময়ত প্ৰভু চৰণত
কৰিলা স্তুতি বিস্তৰ।
পদ বন্ধে তাক কহন্তে আৰৰ
বাহুল্যক আছে ডৰ॥
পাছে হৰিদেৱে উৎসব পাতিলা
আসিলা লোক বিস্তৰ।
সবাহাক্কে পাছে মাতিলা গোসাঁই
বচন শুনিয়ো মোৰ॥
মোহৰ দুহিতা ভূবন ঈশ্বৰী
মালাক দিলোঁ শিৰত।
শুদ্ধ সত্য ধৰ্ম্ম মোৰ ভক্তি দিয়া
গৈলোঁ জানা মানেৰীত॥
মোৰ সম দেখি থাকিবা সদায়
এৰিও মনে সংশয়।
তেৱে তোমাসাৰ বিশ্বাস ভকতি
বাঢ়িবে জানা নিশ্চয়॥
নিৰ্গুণ ভকতি ইহাত থাকিবে
জানা তাক নিষ্ঠ কৰি।

এহি বুলি পাছে ভিলেক বিদায়
তাসম্বাক দেব হরি ॥
প্রভুক সাদরি নমস্কার করি
গৈলা সবে নিজ স্থান ।
আজ অনন্তরে যেন কথা ভৈলা
শুনা তাক বিদ্যমান ॥
এহিমন্তে হরি দিব্য রূপ ধরি
যোগাসনে বসি আছে ।
সূর্য্যসম আতি দেহাকরে কান্তি
ভক্ত সব আছে কাছে ॥
সেহি বেলা আসি অমাবস্যা তিথি
মিলিলা জেঠর মাসে ।
বৈকুণ্ঠর পরা পারিষদ আসি
বিমান সমে প্রকাশে ॥
আকাশত থাকি নানা দিব্য বাদ্য
বারে আমন্দত বেঢ়ি ।
ব্রহ্মক সমধি মুর্দ্ধাস্ফুট করি
এরে নবকায়া হরি ॥
বিমানে চরিয়া দিব্যরূপ ধরে
কোটি সূর্য্য নহে সরি ।
হিয়াত শ্রীবৎস কণ্ঠত কৌস্তুভ
বৈকুণ্ঠক গৈলা হরি ॥
এহিমতে প্রভু মনুষ্য শরীর
এরিয়া বৈকুণ্ঠে গৈলা ।
প্রভুর মহিমা কোনে বুঝিবেক
দেখাইলা মনুষ্য লীলা ॥

পাছে ভুবনেশ্বৰী প্ৰভুৰ শৰীৰ
বেদমতে ভস্ম কৰি।
অনেক ভকতে সন্ত যে মহন্তে
কীৰ্ত্তন কৰয় বেঢ়ি॥
এহিমতে কৰ্ম্ম কৰিলা সকলে
বেদৰ যত কৰণি।
গুৰুৰ পৰম লীলা যে চৰিত্ৰ
এহিমতে সমাপনি॥

ছবি।

শুনা সমাজিক চয় অপৰ ৰহস্য কথা
থানেশ্বৰ ভৈলন্ত যিমত।
গুৰুৰ বৈকুণ্ঠ পাছে পয়াণ শুনিয়া দ্বিজে
চেতন গুছিলা তান গাত॥
হা গুৰু বাপ মোক এৰি গৈলা প্ৰভু কৈক
কিনো মোৰ ভৈলা বিধি বাম।
নেদেখিলোঁ পূৰ্ণ মুখ নতৰিলোঁ মৃত্যু দুঃখ
যম ঘৰে যাওঁ ইতো কাম॥
কমল মুখৰ বাণী নলৈলোহোঁ কিছু আমি
কিনো মোৰ অভাগ্য কপাল।
পূৰ্ব্বত কৰিছোঁ পাপ হৃদয়ত জ্বলে তাপ
ইতো দোষে বঞ্চিলে গোপাল॥
কত জন্মে পুণ্য কৰি পাইলোঁ হোঁ পূৰ্ণ হৰি
হৰুৱাইলোঁ কিনো মন্দচিত্ত।
বাতুৰ পাৱৰ ধুলি নপাইলোঁ লইবাক তুলি
ইতো শোক জ্বলে হৃদয়ত॥
এহি বুলি থানেশ্বৰ অচেতন ভৈলা বৰ
গুৰুৰ বিয়োগ শোক পাই।
বৃক্ষ তৃণ আছে যৈত গুৰুময় দেখে তৈত
যেন ভৈলা বাতুল পৰাই॥
উদাৰে আছন্ত দেখি সলোতক ভৈলা আখি
প্ৰেমে ভৈল গদ্গদ মাত।
মুছি পাছে আখি মুখ থানেশ্বৰ এৰা দুখ
মহন্তৰ শোক নাহি আত॥

যিতো পূর্ণ ব্রহ্মহৰি নৰৰূপে অৱতৰি
লোকক তাৰিলা কৃপাময়।
তাঙ্ক গুৰু পাওঁ আমি খেদ দুঃখ এৰা তুমি
তান ৰূপ চিন্ত মহাশয়॥
উদাৰৰ শুনি বাণী থানেশ্বৰ মহামানী
উঠিয়া বসিলা তান আগে।
তাহান পাৱত ধৰি শিৰে নমস্কাৰ কৰি
বুলিবে লাগিলা মহাভাগে॥
শুনিয়ো উদাৰ বাপ গুচাইলাহা ই তাপ
কিনো কৃপা কৰিলাহা মোক।
তোমাৰ সঙ্গক পাই ভৈলোঁ কৃতকৃত্য মই
গুচিল সকলে মোৰ শোক॥
গুৰুৰ অমৃত বাণী পিয়াইলন্ত মহামানী
তৃপিতি লভিলোঁ বহুতৰ।
মন ক্লেশ দূৰ গৈলা পৰম নিৰ্ম্মল ভৈলা
মেঘ মুক্ত চন্দ্ৰ আকাশৰ॥
এহিমতে দুয়োজন আছিলন্ত বহুদিন
গুৰুৰ চৰিত্ৰ কৰি পাণ।
থানেশ্বৰে উদাৰত মেলানি মাগিয়া গৈলা
সন্ত ভূষণৰ নিজস্থান॥
গুৰু বাক্য শিৰে ধৰি ভাগৱত ব্যাখ্যা কৰি
শুনাৱন্ত সন্তক সদাই।
এহিমতে কতদিন থানেশ্বৰ উদাসীন
আছিলন্ত তহিত চুনাই॥
আত অনন্তৰে পাছে সন্তৰ মৃত্যুৰ কাল
আসিয়া মিলিলা ভেতিৰূপে।

তাহান ভাৰ্য্যাক চাই বচন বুলিলা পাছে
বস্ত্ৰ আনি আছোঁ যত্নধনে ॥
আমাৰ বচনে প্ৰিয়া শীঘ্ৰ কৰি আনি দিয়া
মন অভিলাষ দূৰ হৌক।
স্বামীৰ শুনিয়া বাণী তেতিক্ষণে দিলা আনি
কতক্ষণ লভিলা সুখক ॥
মৃত্যুৰ সময় ভৈলা গাৱ হন্তে কাঢ়ি লৈলা
থানেশ্বৰে আছন্ত দেখিয়া।
টিকৰ স্বামীত কৰি বস্ত্ৰখান ভৈলা বৰ
কিনো মোৰ নিদাৰুণ মায়া ॥
এহি বুলি দ্বিজবৰ অঙ্গীকাৰ দৃঢ়তৰ
কৰিলন্ত গুৰুক সুমৰি।
ইতো কাল দুষ্ট মায়া জীৱৰ বন্ধক কায়া
নচাওঁ তান মুখ আজি ধৰি ॥
আত অনন্তৰে দ্বিজে প্ৰবেশিলা বনমাজে
গুৰুৰ পদ্মক ধৰি মনে।
নিজ মন্ত্ৰ ধ্যান কৰি হৃদয়ত স্থাপ্য কৰি
প্ৰজটি ফুৰন্ত বনে বনে ॥
নষ্ট বিষয়ৰ কাম বোলোঁ আগে সেহি নাম
ভৈলা তান লোকত সম্প্ৰতি।
থানেশ্বৰ উদাৰৰ সম্বোহোঁ কথা যত
এহি মানে ভৈলা সমাপতি ॥
শুনা সভাসদ সব গুৰুৰ চৰিত্ৰ পদ
তিলমাত্ৰ নেৰিবাহা মনে।
গুৰুক এৰিলেহে জানা আপুনি হৈবাহা নষ্ট
আকে জানি স্মৰা সৰ্ব্বজনে ॥

গুৰু সত্য হেনজানি নেৰিবাহা একো প্ৰাণী
সংসাৰত গুৰুহে ঈশ্বৰ।
হৰিদেৱ যিতো দাস তাহাৰ পদত ধৰি
দিবাকৰে ৰচিলা পয়াৰ॥
আমি মহা দ্বিজ জাতি নজানোঁ ভকতি স্তুতি
নজানোহোঁ আমি আৰ তত্ত্ব।
তথাপি গুৰুৰ ইতো ৰহস্য চৰিত্ৰ শুনি
মোৰ দোষ ক্ষমা সাধু যত॥
আত বঢ়া টুটা যত গুয়া আছে দোষ মোৰ
তাক ক্ষমা কৰা নিৰন্তৰ।
মোক মূৰ্খ হেন জানি নুবুলিবা নিন্দ বাণী
কৰযোড়ে মাগোঁ হেৰা আৰ॥
আমি দুষ্টগণে আসি আমাক কৰয় নিন্দা
কিনো মোৰ ঈশ্বৰ প্ৰসন্ন।
অনাদি জন্মৰ মোৰ আছে যত পাপ ঘোৰ
হৰিয়া নিবেক তেতিক্ষণ॥
ইকথা থাকোক এথা শুনাইতো কৃষ্ণ কথা
নেৰিবাহা তাহাৰ ভকতি।
হৰিক কৰিয়ো ধ্যান হৰিনাম মহা ধন
জানি হৰি নেৰিবা সম্প্ৰতি॥
হৰি বিনে পৰিত্ৰাণ পৰলোকে নাহি আন
নাহি নাহি গুণি চোৱা মনে।
তান ৰূপ হৃদি ধৰি দুৰ্ঘোৰ কলিত তৰি
সৰ্ব্বক্ষণে ঘুষিয়ো যতনে॥
এহি কথা সাৰ কৰি বিষয়ক পৰি হৰি
সঘনে ঘুষিয়ো ৰাম ৰাম।

তৰিবা সংসাৰ দুঃখ লভিবা মুকুতি সুখ
গুৰু স্মৰি বোলা ৰাম ৰাম ॥

ইতি ৺শ্ৰীশ্ৰীমহাপুৰুষ হৰিগুৰু চৰিত্ৰ সমাপ্ত।

প্ৰসঙ্গ মালা।

পুৰাৰ প্ৰসঙ্গ।

গীত।

হৰি ৰাম কিনো গতি হইব আমাৰ।
আজুৰি আনিলে মুখে নাম নাহে কৰিছো পাতক ঘোড়
বালি চাহি পৰা হস্তি সীমা ধৰি অনেক জনম পাইলোঁ।
তোমাৰ অমূল্য ভকতি ত্যজিয়া গৰল বিষক খাইলোঁ।
দিনৰ দিনমান বিষয় ব্যাকুল ন্যাহিকে নামত ৰতি।
মোক কৃপা কৰা এবন্ধু মাধব দিয়োক সাধু সঙ্গতি॥
ক্ৰোধে মদমন লোভে মদমন ইতিনি বৈৰিব সঙ্গে।
আপোন ইচ্ছাই পাপক কৰিলোঁ বঢ়াইলোঁ মনত ৰঙ্গে॥
কহে হৰিদেৱে কৃষ্ণৰ চৰণে সুখে হোৱা ভব পাৰ।
মুখ ভৰি ভৰি বোলা ৰাম হৰি পুৰুষ হোক উদ্ধাৰ॥

গীত।

মোক উপদেশ দিয়াহে গুৰুদেৱ,
মোক উপদেশ দিয়া।
সংসাৰ বন্ধন, কৰিয়া চিন্দন,
তুৱা চৰণে স্থান দিয়া॥

প্ৰভাত সময়ে নিদ্ৰা পৰিহৰি ৰাত্ৰি বসন দুৰ কৰি।
সহস্ৰেক দল শুক্ল পদ্ম মধ্যে যোগী চিন্তে ধ্যান কৰি॥
প্ৰসন্ন বদন, সুন্দৰ নয়ণ, বৰাভয় কৰ যোগ।
আনন্দ মুৰতি, সুপ্ৰসন্ন কান্তি, দেখি মনে মিলে ৰঙ্গ।

অন্তৰ্য্যামী হৰিগুৰু ৰূপধৰি কলিযুগে বিশেষত।
হৰিগুৰু নাম আছিল অনুপাম লোকত ভৈলন্ত খ্যাত ॥
গুৰুৰ চৰণ, সংসাৰ তাৰণ, যোগী চিন্তে সদা মনে।
হুইয়া অবনতি আতি অল্পমতি দ্বিজ দিবাকৰে ভণে ॥

গুণমালা।

হৰি ৰাম হৰি ৰাম নকৰা বিৰাম।

নমো হৰি গুৰু।
ভকত কল্প তৰু ॥
চৰণত ধৰোঁ।
তেবেসে নিস্তাৰোঁ ॥
তযু গুণ নাম।
ভকতৰ ধন ॥
কৰিবো বন্দন।
হেন আছে মন।
কলিৰ কালত।
সৌমাৰ দেশত।
কাশ্যপ গোত্ৰত।
নাৰেণ পুৰত ॥
দুপৰ বেলাত।
প্ৰভু ভৈলা জাত ॥
নাহিকে উপাম।
দ্বিজ অনুপাম ॥
হেন পূৰ্ণ কাম।
অনন্ত নাভ নাম ॥

যেখনে জন্মিলা ।
ডোকাৰ পৰিলা ॥
অজনাভ আইলা ।
সবস্ত্রে স্নানিলা ॥
তৈল যে তাম্বুল ।
বিলাইলা বহুল ॥
আনন্দে আকুল ।
কৰে হুলস্থুল ॥
বহু বাদ্য বাজে ।
সবে ৰঙ্গ কৰে ॥
মহোৎসব ভৈলা ।
ঘৰাঘৰি গৈলা ॥
পাৰিজাতি আই ।
আছে পুত্র চাই ॥
তিন দিন ভৈলা ।
স্তনক নখালা ॥
স্বামীত কহিলা ।
উপদেশ দিলা ॥
কৃষ্ণক চিন্তিলা
তেবে স্তন খালা ॥
গণক আইলা ।
গণি নাম থৈলা ॥
তোমাৰ তনয় ।
জানা মহাশয় ॥
বিষ্ণু অংশে জাত ।
কহিলোঁ নিশ্চিত ॥

যত্তেক দৃষ্টান্ত ।
সবে কৰি অন্ত ॥
তৈলা বিদ্যমান ।
পাইলা প্ৰমাণ ॥
দিবাকৰে ভণে ।
কেদিন জীৱনে ॥
ভজ নাৰায়ণে ।
আনন্দিত মনে ॥
গুৰুৰ চৰিত্ৰ ।
পৰম পবিত্ৰ ॥
পাতকীৰ মিত্ৰ ।
পৰম বিচিত্ৰ ॥
গুণ অতিশয় ।
ঘুচে কলি ভয় ॥
পাপ নাশ হয় ।
নাহিকে সংশয় ॥
চিন্তা শুদ্ধ মতি ।
কৰিয়া ভকতি ॥
লভিবা মুকুতি ।
পাইবাহা গতি ॥
দুৰ্ঘোৰ কলিত ।
পৰকাল হিত ॥
এবা জ্ঞান কাম ।
চিন্তা প্ৰভু নাম ॥
ধৰ্ম্ম অৰ্থ নাম ।
মোক্ষ অৰ্থ কাম ॥

চাৰা সৰ্ব্বকাম।
বোলা ৰাম ৰাম ॥

ভটীমা।

হৰি ৰাম হৰি ৰাম হৰি বিনে নাহি আন।
ব্ৰহ্মা মহেশ্বৰ যাহাৰ কিঙ্কৰ লৈলো তান পদ শৰণ ॥

নানা অৱতাৰ ধৰি ভকতৰ
তাৰন্ত দুখ সংহৰি।
ইন্দ্ৰক স্থাপন্ত 'বলিক চলন্ত
বামন ৰূপক ধৰি ॥
সোহি নাৰায়ণ ভকতৰ কাৰণ
অৱনীতে অৱতাৰ।
হৰিগুৰু ৰূপে ভকতগণ ক্ৰূপে
কৰিলা ধৰ্ম্ম প্ৰচাৰ ॥
ৰূপ বিতোপন কহিবো শোভন
যেন কেতকীৰ পাঁহি।
অতি সুকোমল পদ্ম সমতুল
মুখে মন্দ মন্দ হাসি ॥
নাসা তিল ফুল অধৰ বান্ধুল
দন্ত মুকুতাৰ পান্তি।
চৰণ দুখানি বান্ধুল বৰণ
নখচন্দ্ৰ কৰে কান্তি ॥
দেবাঙ্গ ভূষিত ৰূপ মনোনীত
দেখি মনোহৰ বেশ।

অজ্ঞান নাশন জ্ঞান প্ৰকাশন
ছেদে ভৱভয় লেশ ॥
শুকৰ চৰিত্ৰ পৰম পবিত্ৰ
শুনা একমন কৰি।
হৰিৰ কিঙ্কৰ কাহ্ন দিনাজয়
ডাকি বোলা হৰি হৰি ॥

ঘোষা—

কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ ॥
গোবিন্দ, গোবিন্দ, গোবিন্দ, গোবিন্দ, গোবিন্দ ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।
গোবিন্দ ৰাম মুৰাৰি, মুকুন্দ ৰাম মুৰাৰি।
ভৱভীতি মোচন, দুঃখ বিমোচন, ভকতৰ ভয়হাৰী ॥
পৰম পুৰুষ, পৰম আনন্দ, পৰম গুৰু মুৰাৰি।
অনাদি অনন্ত, অচ্যুত গোবিন্দ, ভকতৰ ভয়হাৰী ॥
জয় যাদৱ এ, মোৰে প্ৰাণ, জীৱৰ জাৱন নাৰায়ণ।
ভকতৰ ধন তযু অৰুণ চৰণ ॥

ঘোষা—

নমো নাৰায়ণ, ব্ৰহ্মাদি নাৰদ ব্যাস শুক পৰীক্ষিত।
অনন্ত কুমাৰ সাঙ্খ্য পৰাশৰ মৈত্ৰেয় বিদুৰ সহিত ॥
ব্ৰহ্মা মনু হৰ কপিল কুমাৰ শুক ভীষ্ম বলি ৰায়।
প্ৰহ্লাদ নাৰদ যম জনক বাঢ়জন সমুদায় ॥

শাস্ত্ৰত উত্তম গীতা ভাগৱত ধৰ্ম্মত উত্তম নাম।
দেৱতো উত্তম দৈৱকী নন্দন চৰণে কৰোঁ প্ৰণাম॥
প্ৰথম দ্বিতীয় তৃতীয় চতুৰ্থ পঞ্চম ষষ্ঠ সপ্তম।
অষ্টম নৱম দশম একাদশ দ্বাদশ স্কন্ধ উত্তম॥

ঘোষা—

পৰভাতে প্ৰণামো গোবিন্দ হৃষিকেশ।
চিদানন্দ মূৰুতি কপট গোপবেশ॥
প্ৰভাতে উঠিয়া নন্দেৰ ঘৰুণী কৃষ্ণক লগাইলা মাত।
উঠা উঠা বাপু কুৰুয়া ময়ূৰে জোগান ধৰে তোমাত॥
ফিঙ্গু দিলা জালি, উঠা বনমালী, ৰজনী প্ৰভাত ভৈলা।
বনৰ হৰিণ বনত লুকাইলা, পক্ষী দশোদিশে গৈলা॥
উঠৰে গোপাল, জাগিলেহে ভাল, ৰোদে পাইবা বৰি দুঃখ।
পিঠা পৰমান্ন কৰিয়া ভোজন, ধেনু মেলা চান্দ মুখ॥
উঠৰে ৰাম গোবিন্দ, জাগৰে ৰাম গোবিন্দ।
হংস তুলি পাই শীতল শয্যাত কতনু কৰস নিন্দ॥
উঠৰে ৰাম কানাই, জাগৰে কৃষ্ণ বলাই।
আঙ্গিনাৰ পৰা বালকে ডাকাই তোমাক লগ নাপাই॥
উঠিয়ো শয্যাৰ পৰা বান্ধ কৃষ্ণ ও ৰাম ধেনুলৈ যায় বৃন্দাবনে।
সঙ্গৰ বালক সবে ধেনুলৈ যাই ৰঙ্গে, আমাৰ কৃষ্ণ আছন্ত শয়নে॥
উঠা উঠা হৰি এ চান্দ বয়ান,— ও হৰি হৰি পদ্ম নয়ণ।
যশোদা মাৱে ডাকে ঘনেঘন, উঠা উঠা হৰিয়ে॥
মায়ৰ বচন শুনিয়া কানু, ও হৰি হৰি জাগিয়া কানু
হাতে লৈলা তুলি শিঙ্গা বেত বেনু, উঠা উঠা হৰি এ॥

ঘোষা—

শয্যাত জাগিয়া কৃষ্ণে জুড়িলা আহুতি।
নচাৰিবো তোৰ ধেনু নখাইবো নৱনু॥

ধেনু চাৰিবাক নযাস যাদু কোন্ বকৰাৰ পো।
তাবাক আছে দৈ লয়নু, চক্ষুৰ মুচাস লো॥
নাখাওঁ তোৰ দুধভাত নচাৰিবো ধেনু।
আচাৰি পৈনাইলা যাদু শিঙ্গা বেত বেনু॥
মায়ৰ শুনিবা যাদু নিষ্ঠুৰ বচন।
দধি দুগ্ধ ঘৃত মধু কৰিলা ভোজন॥
কান্দিতে যাই যাদু কান্দিতে যাই।
কান্দি কান্দি যাদু মোৰ দুধ ভাত খাই॥
হাতে সোণৰ লক্ক, আগত বাছৰু, গোপাল কান্দিতে যাই।
কোনবা বিধাতা কপালে লেখিছে গৰু চাৰি ভাত খাই॥
পচুলী ওলাই শিঙ্গা ডাক দিলা বংশী ডাক দিলা ৰই।
ব্ৰজৰ শিশুসবে বাহিৰাই গৈলা গাৱে গাৱে ধেনু লই॥
আজি কোন পন্থে যাইবা নাৰায়ণ, কোন বনে চৰাইবা ধেনু।
পন্থৰ ভালমন্দ একোকে নেজানোঁ, আগে চলা ৰাম কানু॥
মোহন বৃন্দাবনে ধেনু লৈ যাই ৰাম কানাই;
আগে ধেনু পাছে কানু মধ্যে বলোৰাম এ।
ধেনু লৈয়া যায় নন্দৰ কানাই ও যশোদা প্ৰমুখ্যে
গোপীসবে আছে চাই, মোহন বৃন্দাবনে ধেনুক চৰাই॥
ধেনু চাৰিবাক যাইছে কলিয়া।
হাতে মোহন বংশী লৈছে কলিয়া॥

ঘোষা—

যমুনাৰে বালি পাইয়া বনমালী মেলিলা দধি ভাত।
কাৰে লৈলা হাতে কাৰে লৈলা পাতে কাৰে লৈলা পামছাত॥
কুন্দলী আকাৰ কৰি নন্দসুত বসিলা বালি জুড়ি।
দাম সুদামে অন্ন বাণ্টি দেই ভুঞ্জে মনে ৰঙ্গ কৰি॥
পদ্মৰ কৰ্ণিকা ভৈলা নাৰায়ণ পাহি ভৈলা গোপগণ।
কুন্দলি আকাৰে বালিত বসিয়া কৰিলা অন্ন ভোজন॥

যমুনাৰে বালি পাইয়া বনমালী অন্ন ভুঞ্জিবাক লৈলা।
সেহি সময়ত গোবৰ্দ্ধনামুৰি ব্ৰহ্মাই চুৰি কৰি থৈলা॥
ভায়াৰে বলাই দাদাৰে বলাই বাছুৰু হৰাল কোন বনে।
ব্ৰহ্মাই কৰিছে চুৰ কৃপাৰ কাৰণে॥
বৃন্দাবনে বনে ফুৰে নাৰায়ণ মাথাত ময়ূৰৰ পাখী।
দেখিবাক ভাল মদন গোপাল মুখে মনোহৰ হাসি॥
ধেনু হেকুৱাই ৰাম কানাই ফুৰে বনে বনে।
ব্ৰহ্মাই কৰিছে চুৰ কৃপাৰ কাৰণে॥
ধেনু হেকুৱাই ৰাম কানু বসিলা খিয়ানে।
ব্ৰহ্মাই কৰিছে চুৰ ভক্তিৰ কাৰণে॥

ঘোষা—

মই কেনে দুৰ্জ্জন জানা নাৰায়ণ মৰিবাক নড়ৰাওঁ।
মায়াবী ঈশ্বৰ হেৰা পৰম ব্ৰহ্ম তোমাক মোহিতে চাওঁ॥
কৃষ্ণৰ মহিমা নাজানিয়া ব্ৰহ্মা চুৰি কৰি থৈলা পাল।
শিঙ্গা বেত বেণু গোবৰ্দ্ধ দামুৰ আপুনি ভৈলা গোপাল॥
কৃষ্ণক মোহিতে আসি ব্ৰহ্মাদেৱ আপুনি মোহিত ভৈলা।
হংসযান এৰি চৰণত পৰি স্তুতি কৰিবাক লৈলা॥
কৃষ্ণৰ আগত ব্ৰহ্মা ভৈলা লোট পোট।
যেন পৰি আগে সুবৰ্ণৰ দণ্ড গোট॥
কৃষ্ণ কৃষ্ণ বান্ধ কৃষ্ণ তুমি ভকতৰ হিয়া।
ব্ৰহ্মাক মোহাতে যিৰূপ ধৰিছা সেইৰূপে দেখা দিয়া॥
কালিক দমাতে যিৰূপ দেখালা সেইৰূপে দেখা দিয়া।
কংসক বধাতে যিৰূপ দেখালা সেইৰূপে দেখা দিয়া॥

ঘোষা—

হৰিদেৱ কিনো কৃপা আমাক কৰিলা প্ৰভু।
বিজ্ঞান প্ৰদীপ মোক দিলা হৰিদেৱ॥

ও ৰাম অচ্যুতৰ নাম মোৰ মুখত আঁহক ;
দামোদৰদেৱ কৃপা কৰিয়োক, কৃষ্ণ ৰাম কৃষ্ণ ৰাম ।
হৰি মাধব দামোদৰদেৱ, কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥

ঘোষা—

কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম নমো হৰিদেৱ ।
গোবিন্দ গোবিন্দ নমো হৰিদেৱ, গোবিন্দ ৰাম ৰাম ৰাম ॥

গীত—

ও হৰি হৰি নাম জপ আউৰ সকল মিছা
গুৰুৰ নাম জপ ।
গোবিন্দ শ্ৰীহৰি জপ গোবিন্দ শ্ৰীহৰি জপ

শ্ৰীভাগবদ্গীতা ।

ৰাম অৱতাৰে ভালুক বান্দৰ কৃষ্ণ অৱতাৰে গোপী ।
কলিত প্ৰভু হৰি অৱতাৰ মালা ধৰ ধৰ তুলসী ॥
কহে দিবাকৰ শুনৰে নৰ শমন ভয়ে ভীত ।
হৰিৰ নাম যেমন তেমন লৈয়ো সবে অবিৰত ॥

গীত—

সেহ সেৱি মন সন্তৰ সঙ্গ ।
মানৱী জনম নকৰা ভঙ্গ ॥
নিচিনা জনম পুৰী মানবী কায়া ।
সন্তৰ সঙ্গতি লই চাৰহু মায়া ॥
গাৰো ভোট যবন আহোম কছাৰি ।
ইসবো উদ্ধাৰ হোৱে সন্ত বিচাৰি ॥

গঙ্গা গয়া যমুনা প্রয়াগ কাশী।
ইসব উদ্ধাৰ হয় সন্ত পৰশি ॥
দ্বিজ হৰিদেৱ সন্তৰ পদে আশে।
নকৰা নৈৰাশ প্ৰভু কৰি লৈয়ো দাসে ॥

দ্বিপ্ৰহৰৰ প্ৰসঙ্গ।

(শ্ৰীমদ্ভাগৱত পাঠ)

ঘোষা—

ৰাম ৰাম জয় পৰমানন্দ।
পিবো তযু চৰণ কমল মকৰন্দ ॥
সেবোহোঁ তোমাৰ দুই পদ অৰবিন্দ।
ভজোহোঁ তোমাৰ দুই চৰণাৰবিন্দ ॥

ঘোষা—

জয় হৰি ৰাম জয় শ্ৰীৰাম।
পৰম মঙ্গল মাধৱৰ গুণ নাম ॥
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম।
মধু মোৰ মথন মুৰাৰি হৰি ৰাম ॥

ঘোষা—

নামন্তে শৰণ গুৰুতে শৰণ।
সন্তত শৰণ লৈলোঁ জন্ম নিবাৰণ ॥
নাম ধৰা এ ভকতৰ কাছে।
আগে গুৰুক দণ্ডৱৎ নাম ধৰা পাছে ॥

নাম ধৰা এ, জগতৰ মণি।
আসিব খান্ধৰ কৃষ্ণ নামধ্বনি শুনি ॥

কীৰ্ত্তন।

ঘোষা —

গুৰুৰ চৰণ চিন্তিয়ো চিত্ত হৃদয়ে সৰ্ব্বথা।
মুখে নাম লোৱা হৃদে চিন্তা গুৰুৰ কথা ॥

পদ—

গুৰু ব্ৰহ্মা গুৰু বিষ্ণু গুৰু মহেশ্বৰ।
চৰাচৰ জগতৰ গুৰুহে ঈশ্বৰ ॥
অজ্ঞান আন্ধাৰ গুচে যাহাৰ কৃপায়।
হেন গুৰু বিনে নাই তৰণ উপায় ॥
জগদগুৰু হৰিদেৱ ভুবন ঈশ্বৰ।
দ্বিজৰূপে অৱতাৰ পূজ্য জগতৰ ॥
গুৰুৰ চৰণ বিনে কিছু নাহি আৰ।
ভক্তি কৰি গুৰুদেৱক কৰিয়ো সাদৰ ॥
দুঃখ দূৰ হয় যাহাক কৰিলে স্মৰণ।
পুনঃ সংসাৰত আৰু নহয় গমন ॥
গুৰু চৰণক যেহি কৰয় ভকতি।
সেহিজনে পাইবন্ত পৰম মুকুতি ॥
বড় শৰাই আগত কৰিয়া স্থাপন।
শুদ্ধ বুদ্ধি দিবে ভাবি গুৰুৰ চৰণ ॥
তাম্বুল আদি উপহাৰ কৰিয়া অৰ্পণ।
শুদ্ধ চিত্তে গুৰুদেৱক কৰিবে চিন্তন ॥

যাৰ যিবা শক্তি অনুসাৰে দিতে পাৰে।
সংসাৰ বান্ধ এৰাইবেক শ্ৰীকৃষ্ণ বৰে ॥
ভক্তি কৰি নিতে চিন্তয় যিতোজনে।
গুৰুৰ কৃপায় তাক নেৰয় ধনে জনে ॥
যেহিজনে ভক্তি কৰি চিন্তে গুৰু নাম।
শুদ্ধ চিত্তে চলি যায় বৈকুণ্ঠৰ ধাম ॥
হেনজানি গুৰুভক্ত ত্যজিয়া ভাগৰ।
গুৰুক ভজিয়া তৰা পাপৰ সাগৰ ॥
ভণে দিবাকৰে গুৰু পদে কৰে নতি।
সৰ্ব্বজনে গুৰু পদে কৰিয়ো ভকতি ॥
হেনজানি গুৰুপদ কৰিয়োক সাৰ।
কলিত অপৰ ধৰ্ম্ম নাহি নাহি আৰ ॥

ঘোষা—

হৰিদেৱ কিনো কৃপা ভৃত্যক কৰিলা প্ৰভূ,
বিজ্ঞান প্ৰদীপ মোঁক দিলা হৰিদেৱ।
ও ৰাম অচ্যুতৰ নাম মোৰ মুখত আহক।
দামোদৰদেৱ কৃপাকৰি কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
হৰি মাধৱ দামোদৰদেৱ কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥

ঘোষা—

কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম নামা হৰিদেৱ।
গোবিন্দ গোবিন্দ নমো হৰিদেৱ গোবিন্দ ৰাম ৰাম।

গীত—

ভজ মন কৃষ্ণৰ চৰণ।   কৃষ্ণ বিনে গতি নাহি আন ॥
নীল জলদ তনু   মদনে মোহন জানু,
হৃদি মাজে দেখা দিয়া গৈলা।

পুন দৰশন লাগি চিত্ত মোৰ অনুৰাগী
প্ৰাণ মম অথিৰহি ভৈলা ॥
মই প্ৰভু ভক্তিহীন তুমি অতি ভক্তাধীন
এহিমাত্ৰ শুনিয়াছো সাৰ।
কহিতে মহিমা তব বেদ আদি পৰাভব
সংসাৰ সাগৰে কৰা পাৰ ॥
সজীব নিৰ্জীব সবে তোমাৰ সৃজন ভবে
তুমি সকলৰ প্ৰাণাৰাম।
জগত ব্যাপিয়া স্বামী আত্মাৰও আত্মা তুমি
মূলাধাৰ ৰূপ অবিৰাম ॥
মই অতি মূঢ়মতি নজানোঁ ভকতি স্তুতি
তোমাৰ দুই চৰণক আশ।
অত্যন্ত অধম বুলি ঘৃণা পৰিত্যাগ কৰি
কৰি লৈয়ো তথু নিজ দাস ॥

গীত—

জয় জয় হৰি গুৰু দেৱ অৱতাৰ।
পৰম অমূল্য ভক্তি কৰিলা প্ৰচাৰ ॥

পদ—

নাৰায়ণ পুৰে গুৰু অৱতাৰ ভৈলা।
অজনাভ বিপ্ৰৰ তনয় নাম লৈলা ॥
ভপলীয়া ভাত গুৰু খাইতে নিষেধিলা।
ৰাজাৰ কুনীতি দেখি ভটিয়াই আইলা ॥
উদাৰ গোবিন্দ সঙ্গে সুভদ্ৰা ভগিনী।
মাধৱক আসি প্ৰণামিলা ভিন্নি ভিন্নি ॥
মাধৱৰ মালা পাই হৰিষিত ভৈলা।
ভাৰ পৰা ভটিয়াই শ্ৰীক্ষেত্ৰক গৈলা ॥

লীন গৈলা সুভদ্রা ঈশ্বৰ জগন্নাথে।
বিদায় ভৈলা হৰিগুৰু প্ৰণামিয়া মাথে॥
মানেৰীত আসি হৰিগুৰু স্থিতি ভৈলা।
ভাগৱত শাস্ত্ৰখন প্ৰচাৰ কৰিলা॥
হৰিগুৰু দামোদৰ আৰু ৰাম ৰাম।
শঙ্কৰ মাধৱ সহিতে অনুপাম॥
সবে লগলাগি শুনে মহা ভাগৱত।
হৰিগুৰু ব্যাখ্যা কৰে অপাৰ আনন্দত॥
শঙ্কৰ গুৰুৱে শ্লোক ভাঙ্গি পদ কৰে।
এহিমতে হৰিগুৰুই ভকতি প্ৰচাৰে॥
গুৰুৰ মহিমা যত সবে ধন্য ভৈলা।
লোকক তাৰিয়া গুৰু বৈকুণ্ঠে চলিলা॥
কহে দ্বিজ ৰমাকান্তে গুৰুক সুমৰি।
গুৰুৰ চৰণ চিন্তি বোলা হৰি হৰি॥

গীত—

সখিহে গতনিশি শ্যাম গৈছে ফিৰি।
ৰাধা ৰাধা বুলি কত ডাকিছে মেৰি॥

পদ—

বনমালা বংশী তাৰ ফেলি গৈছে দ্বাৰে।
দিবা নিশি জাগি জাগি চিন্তোঁতো তাৰে॥
হে প্ৰাণ সখি আনি দিয়া মোৰ শ্যাম কানু।
তাহাৰ বিৰহে ছাৰোঁ এই পাপ তনু॥
কহে দ্বিজ দিবাকৰে ৰাধা ভাগ্যৱতী।
জনমে জনমে হৌক হৰিত ভকতি॥

৺দ্বিজ ৰমাকান্ত হৰিগুৰুৰ এজন ভক্ত আছিল। এওঁ কামৰূপৰ কুলবিল সত্ৰত জন্ম গ্ৰহণ কৰে।

নামঘোষণ—

হৰি ও হৰি ৰাম ৰাম হৰি ও হৰি ৰাম ৰাম,
হৰি ও হৰি ৰাম ৰাম। কৃষ্ণ ৰাম নাৰায়ণ,
গোবিন্দ জয় জয়, গোপাল গোবিন্দ ৰাম,
গোবিন্দ হৰি ৰাম গোবিন্দ হৰি ৰাম, ৰাম ৰাম ৰাম ॥

গীত—

মোকে কৃপা কৰা হৰিগুৰু করুণা সাগৰ স্বামী।
তোমাৰ যুগল চৰণে আশা কৰি আছো আমি ॥

পদ—

ব্ৰহ্মা মণুহৰ কপিল কুমাৰ নাৰদ শুক সনন্দে।
তোমাৰ অৰুণ-চৰণ পঙ্কজ সেৱন্ত কত প্ৰবন্ধে ॥
তাসম্বাক দেখি তোমাৰ চৰণ সেবিবাক কৰোঁ আশা।
সিংহৰ গতিক যথা শিবা মই ভৈলোহোঁ বুদ্ধি নাশা ॥
মোৰ দুৰাশাৰ, ভকতৰ নষ্ট নাই বুলি, আছা বানী।
মই পাপাচাৰে তোমাক ভজিতে আশা কৰোঁ তাকে জানি।
তুমি সত্য-সন্ত আপুনাৰ নিজ বচনক সত্য কৰা।
তোমাৰ ভৃত্যৰ ভৃত্যেৰ কিঙ্কৰ বুলি মোক প্ৰভু ধৰা ॥
তোমাৰ অনাদি অবিদ্যা মায়ায় মুহি আছে মোৰে।
তোমাক নজানি, দেহক মই বুলি, মজিলোঁ অকুল সাগৰে।
কহয় দ্বিজ দিবাকৰে পাৰ কৰা দয়াময় হৰিগুৰু।
তুমি মোৰ ইষ্ট নিষ্ঠ দেৱ তুমি ভক্ত কল্প তৰু ॥

গধূলি-প্ৰসঙ্গ।

গুণমালা—

নমো হৰিদেৱ
চৰণত সেৱ।
তুমি যিনে কেৱ
মোৰ ইষ্ট দেৱ॥
তোমাৰ মুক্তি
চিন্তে যিটো নিতি।
সাধয় ভকতি
মিলয় মুকুতি॥
ইতো গুণমালা
গুচে কন্ম কলা।
ধৰিয়োক ভালা
কণ্ঠে গুণমালা॥
ভকতক দায়া
কৃপা দৃষ্টি চায়া।
কৰিলাহা কায়া
গুচায়োক মায়া॥
তুমিসে অভয়
দুঃখ দূৰ হয়।
জানিয়া সেৱয়
পায়ে ৰস চয়॥
অৰুণ চৰণ
সেৱে যিতোজন।

তাপ বিনাশন
সংসাৰ তাৰণ ॥
অতি মনোহৰ
শৰীৰ সুন্দৰ ।
ভকত জনৰ
দুঃখ দূৰ কৰ ॥
ৰাতুল অধৰ
দন্ত শশধৰ ।
হাস্য মনোহৰ
চিত্ত জুৰ কৰ ॥
সুন্দৰ হৰ্ষিত
বচন ললীত ।
আজানু লম্বিত
বাহু সুবলিত ॥
চম্পাৰ পাকৰী
আঙ্গুলিক সৰি ।
দিব্য ৰূপ ধৰি
আছ অৱতৰি ॥
চৰণ দ্যুতয়
নখ চন্দ্ৰ চয় ।
সংসাৰৰ ভয়
তাপ নাশ হয় ॥
পৰম উজ্জ্বল
ৰাঙ্গা পদ তল ।
সেৱয় সকল
চিত্তে কৰ্ম্ম মল ॥

ভকতৰ দুঃখ
দেখিযা অসুখ ।
বৈকুণ্ঠৰ সুখ
দেখি চান্দ মুখ ॥
পৃথিবীক আসি
পৰম হৰিষি ।
কৃষ্ণক প্ৰকাশি
পাপক বিনাশি ॥
গুণ-নাম সাৰ
কৰিলা প্ৰচাৰ ।
জগত উদ্ধাৰ
কৰিলা ইবাৰ ॥
মোৰ গুৰু ইষ্ট
পৰম গৰিষ্ঠ ।
মনৰ অভীষ্ট
সাধিয়োক নিষ্ট ॥
মই মন্দমতি
কৰোহোঁ কাকুতি ।
তোমাৰ ভকতি
দিয়োক সম্প্ৰতি ॥
তোমাকেসে স্বামী
ভজিলোহোঁ আমি ।
তুমি অন্তৰ্যামী
অতি অন্ধ আমি ॥
তথু নিজ দাস
হৈবো মোৰ আশ ।

নকৰা নৈৰাশ
জগৎ নিবাস ॥
তুমি বিনে আন
কোনে পৰিত্ৰাণ ।
কৰিবেক প্ৰাণ
দিয়ো নাম দান ॥
তোমাৰ চৰণে
কায়-বাক্য মনে ।
পশিলোঁ শৰণে
মই মূঢ় জনে ॥
তুমি সৰ্ব্বকৰ্ত্তা
গতি মুক্তি দাতা ।
বান্ধব বিধাতা
জগতৰ পিতা ॥
সংসাৰত মৰোঁ
চৰণত ধৰোঁ ।
অহঙ্কাৰ কৰোঁ
তোমাক নধৰোঁ ॥
প্ৰপন্ন জনৰ
দুঃখ দূৰ কৰ ।
সংসাৰ সাগৰ
সুখে কৰ পাৰ ॥
তোমাত ভৰশা
পৰিত্ৰাণ আশা ।
নকৰা নৈৰাশা
দিয়ো ভক্তি আশা ॥

তুমি নিজ দেৱ
তুৱা পায়ে সেৱ।
মোৰ ইষ্ট দেৱ
তুমি বিনে কেৱ॥
হৰিগুৰু পায়ে
ভজা প্ৰেম ভাৱে।
সবে সিদ্ধি পাৱে
শিশু সবে গাৱে॥
জগন্নাথে ভণে
ভজা সৰ্ব্বজনে।
অভয় চৰণে
পশিয়ো শৰণে॥
হৰিগুৰু নাম
ধৰ্ম্ম অনুপাম।
এৰা সবব কাম
বোলা ৰাম ৰাম॥

ভটীমা—

জয় জয় হৰিগুৰু দেব বৰ,
সজ্জন মনোহৰ, দ্বিজৰূপে অৱতাৰ।
কলিযুগ পাপ পয়োধিক কয়োলি নাশ,
সজ্জন হৰিনাম কৰিলা বিস্তাৰ॥

নিজ কুল নিস্তাৰি ভকতিক বিস্তাৰি
পাষণ্ডক কৰিলা বিনাশ।
ভাগবত নিতি দেখায়া ভকতি
গুচাইলা কৰ্ম্মৰ আভাষ॥
দিব্য ৰূপ ধৰ গৌৰ কলেবৰ
প্ৰকাশিতে আছে নবগুণ।
অত্যান্ত অধম জাতি যাক দৰশনে আতি
কৰ্ম্ম বন্ধ চিণ্ডয় তেখন॥
যাৰ ৰূপ দৰশন মায়াত হোৱয় ত্ৰাণ
পাষণ্ড পলায় দশোদিশ।
অনেক পণ্ডিত সৰ্ব্ব এৰিলা কৰ্ম্মত গৰ্ব্ব
সেবে যাক পৰম হৰিষে॥
স্থাপিলন্ত কৃষ্ণ মূৰ্ত্তি দেখিলে তেখনে চুৰ্ত্তি
হোৱে অল্প আয়ু মনুষ্যৰ।
শ্ৰবণ কীৰ্ত্তন নাম প্ৰবৰ্ত্তাইলা স্থানে স্থান
নিজ যশ কৰিলা বিস্তাৰ॥
নিজ যশে নিস্তাৰিলা ভকতিক বিস্তাৰিলা
পুত্ৰক তাৰিলা যেন বাপে।
পাপৰ ভাঙ্গিলা ভিত্তি পেলাইলা বাসনা চিণ্ডি
বৈদ্য দৃষ্টি কৰি যেন সাপে॥
তোহি পৰম মূৰ্ত্তি বেদক বখানি
সো হৰি সন্ত পৰকাশ।
ত্ৰিভুবনৰ মুনিচয় যাৰ যশ বাখানিশ
পদছায়া কৰিয়া আভাষ॥
কৰাহু দায়া নিবাৰিয়ো মায়া
সংসাৰে নিস্তাৰিয়ো স্বামী।

কাকুতি মিনতি করোহোঁ নিয়ুতি
তুমি গুৰু অন্তর্য্যামি ॥
হেন শিক্ষা দিয়া মহন্তত দায়া
নচাৰোক মোৰ মনে ।
তুমি নিজ দেউ তুৱা পাৱে সেউ
থাক্লোক মন তুৱা চৰণে ॥
শুনিও সজ্জন এৰা আন মন
গুৰু শিক্ষা মনে ধৰি ।
কহে জগন্নাথে পৰম আনন্দে
ডাকি বোলা হৰি হৰি ॥

ঘোষা—
হৰি ৰাম কৃষ্ণ ৰাম ৰাম ৰাম ৰাম ॥

পদ —
সকলধৰ্ম্ম শিৰোমণি তুৱা গুণ নাম ।
শীতল কদম্বতলে শ্যাম বয়ান ॥
পন্থে গৈয়া ডাকায় মোৰে ভায়া বলোৰাম ।
গোধেনু চাৰিয়া আসে ৰাম নাৰায়ণ ॥

ঘোষা—
গধূলী হল সন্ধ্যা গৰি গল গৃহক নাসিলা হৰি ।
কদম্বৰ তলে ধেনু বৎস থৈ খেলাইবে লাগিলা হৰি
কানাই বলে বলাই ভাই যান্তে তুলা খেলা ।
গধূলী সময় হল ধেনু লৈ চলা ॥
ৰথ ডাকা ৰথ ডাকা সন্ধ্যা গৰি যাই ।
তোমাৰ যশোদা ডাকে পদুলী ওলাই ॥
কানাই আইস আইস আইস কানাই ।
ধূলা জাৰি কোলে লব তোমাৰ মায়ই ॥

আহো কলিয়া শিঙ্গা বেণু বাই।
মাথায় তুলিয়া লব চৰণ ধুৱাই॥

ঘোষা—

গধূলী সময় ৰাম কানাই আহে ধেনু বৎস লই।
পদুলী গুলাই মই চাই থাকিম ৰাধাৰ জীৱনকই॥
ধূপ দীপ লই ব্ৰজৰ সুন্দৰী আছে পদুলীত ৰই।
দিনাৰ দিন নাই দেখা কৃষ্ণক নেত্ৰ ভৰি দেখোঁ গই॥
কই ৰাম কই হৰি কই যদুমণি।
সকল বৃন্দাবনে নাম ধ্বনি শুনি॥
ধেনু লৈ আহে গোপাল হৰি এ।
কতো ধেনু কতো ৰাখোয়াল হৰি এ॥
বাছা ঘৰে আয়ৰে দুলাল যদুমণি।
সোণাৰ থালে অন্নলৈ ডাকাওই জননী॥
ঘৰে আয় ঘৰে আয় মোৰ জীৱন ধন।
কোলে লৈয়া যশোদাই মুখে দিলা স্তন॥

ঘোষা—

ধূলাই ধূসৰ অঙ্গ আগে ধায়ে ধেনু।
পাছে ৰাম কৃষ্ণ বায়ে শিঙ্গা শঙ্খ বেণু॥
শঙ্খ বায়ে শিঙ্গা বায়ে আৰু বায়ে বেণু।
আকাশে দুমদুমি বাই আহে ৰাম কানু॥
আগে ধেনু পাছে কানু মধ্যে বলোৰাম।
চৌপাশে বেৰিয়া আশে গোপ শিশুগণ॥
গধূলী গোপাল আহে মোহন মুৰলি বায়ে।
গোকুলৰ নাৰী ব্ৰজৰ সুন্দৰী কৃষ্ণক বেৰিয়া চায়ে॥
আহো কলিয়া শিঙ্গা বেণু বাই।
মাথায় তুলিয়া লব চৰণ ধুৱাই॥

ঘোষা —

ধেনু বৎস বৃষভ বান্ধিলা ঠাই ঠাই।
আগত যশোদা মায় আনন্দ কৰাই ॥
গধূলী গোধন বান্ধি নাৰায়ণ স্নানিলা শীতল জলে।
পিঠা পৰমান্ন কৰিলা ভোজন অতি কৌতুহলে ॥
ঘন খিৰিসা লয়মু ইতিনি সম্ভাৰ।
বান্ধুৰ আগত মায় পাতিলা বেহাৰ ॥

ঘোষা —

যাকে ইচ্ছা লাগে বাপু ভুঞ্জা মোৰ আগে।
তোমাক সেৱিবে পাইবো কত পুণ্য ভাগে ॥
মায়ৰ শুনিলা যাদু কাৰুণ্য বচন।
ভোজন কৰিলা গৈয়া ৰাম নাৰায়ণ ॥
ভোজন কৰিয়া কৃষ্ণে আচমন কৰিলা।
কর্পূৰ তাম্বুল লই মুখত ধৰিলা ॥
ভোজন কৰিয়া কৃষ্ণে শয্যাত বসিলা।
ছয় গোপী যাই পাছে স্তুতি আৰম্ভিলা ॥
শীতল শয্যাত কৃষ্ণে কৰিলা শয়ন।
গন্ধ তৈল লৈয়া ৰাধা মাজিলা চৰণ ॥
মোৰে গৃহে আইলা দীন দয়াল কমল লোচন দেউ হৰি এ।
কোটী জনমৰ পুণ্য লভিনু লইলু চৰণৰ ধূলি হৰি এ ॥

ঘোষা —

দৈৱকী নন্দন দেৱ, পায়ে পৰি কৰোঁ সেৱ।
ভকতে হৰা সুহৃদ বান্ধৱ হৰি বিনে নাই কেৱ ॥
পাইলোঁ পাইলোঁ ও ৰাম হৰি পদ্দ পঙ্কজৰ ধূলি।
ব্ৰহ্মাইৰ বাঞ্ছে নাক নিস্তাৰিয়ো বুলি ॥

ঘোষা—

হৰিদেৱ কিনো কৃপা ভৃত্যক কৰিলা প্ৰভু ।
বিজ্ঞান প্ৰদীপ মোক দিলা হৰিদেৱ ।
ও ৰাম অচ্যুতৰ নাম মোৰ মুখত আহক ।
দামোদৰ দেৱ কৃপাকৰি কৃষ্ণ ৰাম কৃষ্ণ ৰাম
হৰি মাধৱ দামোদৰদেৱ কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥

ঘোষা—

কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম নমো হৰিদেৱ,
গোবিন্দ গোবিন্দ নমো হৰিদেৱ গোবিন্দ ৰাম ৰাম ॥

গীত—

মোৰ বান্ধব, কি আমাৰ মিলিছে ভাগ্য ।
অমূল্য ৰতন দুখানি চৰণ সেৱিবাক পাইলোঁ লাগ ॥

পদ—

সংসাৰৰ দুঃখ, দেখিয়া অসুখ, আকুল ভৈলন্ত হৰি ।
বৈকুণ্ঠৰ সুখ এৰি চান্দ মুখ পৃথিবীত অৱতৰি ॥
নাৰায়ণপুৰে কৃষ্ণ উপজিলা হৰিদেৱ নাম থৈলা ।
ভাগৱত ভক্তি প্ৰচাৰ কৰিয়া লোক সব নিস্তাৰিলা ॥
কেতেকীৰ বৰ্ণ ৰূপ মনোহৰ, কমল নয়ন আখি ।
অতি সুকোমল, পদ্ম সমতুল, মুখে মন্দ মন্দ হাসি ॥
বদন সুন্দৰ, পূৰ্ণ শশধৰ, দন্ত মুকুতাৰ পান্তি ।
নাসা তিলফুল, অধৰ ৰাতুল, নখচন্দ্ৰ কৰে কান্তি ॥
মাথায় শোভয় তুলসীৰ মালা, স্কন্ধে শোভে নৱগুণ ।
হস্তে কৰমালা জপিছা মাধৱ, দেখিতে অতি শোভন ॥
আজানুলম্বিত বাহু সুবলিত, হৃদয়ত মালা শোভে ।
কটীত শোভয় পাতৰ যে ভুনী, গাৱে শুক্ল বস্ত্ৰ শোভে ॥

ভকত বৎসল, পৰম উজ্জ্বল, ভকতৰ ভয়হাৰী।
অভয় চৰণে পশিলোঁ শৰণে ; নিয়োক দাস উদ্ধাৰি ॥
দেৱে নাহি পাৱে মানৱী জনম, মই পাপী আসিয়া পাইলোঁ।
তুমি হেন ধন, ইহাক নজানি, জনম বিফল কৈলোঁ ॥

গীত—

আহে গোপাল গৃহে গধূলী সময়।
সজল-জলদ শ্যাম ভুবন ভুলায় ॥

পদ—

গোপশিশু সঙ্গে কৰি আহে বৎস ধেনু।
মধুৰ মধুৰ ধ্বনি পুৰতু বেণু ॥
ধূলি-ধূসৰিত অঙ্গ জ্বলে অতিশয়।
কোলে কৰি নন্দৰাণী বদন চুম্বয় ॥
কহে দ্বিজ ৰমাকান্তে দীন হীন মতি।
জনমে জনমে হৌক হৰিত ভকতি।

গীত—

আজ্ঞা কৰা, কৃপাকৰা, দেৱ নাৰায়ণ।
তোমাৰ চৰণে মন কৰিলোঁ অৰ্পণ ॥

পদ—

বেদে বলে কৃপাময় বিভু বিশ্বাধাৰ।
তুমিয়েসে সূক্ষ্ম প্ৰভু তুমি মূলাধাৰ ॥
তুমি শিব-সুন্দৰ তুমি প্ৰেম স্বৰূপ।
আত্মাৰাম প্ৰকাশিত মুগ্ধ-চিত্ত ৰূপ ॥
সকল অসাৰ বিভু সকল অসাৰ।
এই বিশ্ব মাজে প্ৰভু তুমিয়েসে সাৰ ॥

জ্ঞানৰ অগোচৰ বাক্যৰও অতীত।
অনির্ব্বচনীয় ৰূপে বিৰাজ সতত॥
স্ফোটৰূপে তুমি ব্ৰহ্মা সৃজিচ পালিছ।
আবৰ্ত্তৰূপে তুমি বিভু পুনঃ নাশিছ॥
দীন কৃপাময়ী বিভু তুমি দয়াময়।
তব পদে ভক্তি মম থাকোক সদায়॥
দ্বিজ দিবাকৰে বোলে এৰা আন কাম।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম॥

গীত—

ৰামৰ নামে অন্ন, কৰিও ভোজন ভকত বৎসল হৰিও ৰাম ৰাম
ভকত বৎসল হৰি।
চাৰিও বেদৰ তত্বক বিচাৰি, নাম কৈলা সাৰ কৰি॥
ব্ৰহ্মা বিষ্ণু হৰ তিনিটী উধান
আশা নামে ভৈলা থালী।
শুক সনাতন দুখানি সপোতি
নাৰদে ভৈলা পাক বাৰি॥
সন্তে ভৈল জল সৎসঙ্গে তণ্ডুল
ভকতে ভৈলন্ত খৰি।
শ্ৰবণ কীৰ্ত্তন সুমধুৰ ব্যঞ্জন
ভুঞ্জিয়োক পেট ভৰি॥
গীতা ভাগৱত দুইখানি পত্ৰ
মনত লোৱা বিচাৰি।
কহে হৰিদেৱে শুনা ভক্ত সবে
ডাকি বোলা হৰি হৰি॥

——०:::०——

গীত—

মাধৱ বৈকুণ্ঠৰ নাথ, ত্ৰিজগতৰ পতি।
দৰশনে হৰে পাপ পৰশনে গতি।।

পদ—

লোহিত্য উত্তম তাৰ মণিকুট গিৰি।
হয়গ্ৰীৱ নাম লৈলা হয়াশুৰ মাৰি।।
লোহিত্য উত্তম জল সদায় কৰে স্নান।
উৰেষাত ভোজন কৰে, দ্বাৰকাত শয়ন।।
কহে দ্বিজ হৰিদেৱে, এহি তত্ত্ব সাৰ।
কৃষ্ণৰ চৰণ বিনে গতি নাহি আৰ।।

সন্ধৰণ -

হৰি ও হৰি ৰাম ৰাম হৰি ও হৰি ৰাম ৰাম,
হৰি ও হৰি ৰাম ৰাম। কৃষ্ণ ৰাম নাৰায়ণ গোবিন্দ,
জয় জয় গোপাল গোবিন্দ ৰাম গোবিন্দ, হৰি ৰাম
গোবিন্দ হৰি ৰাম ৰাম ৰাম ৰাম।।

ওঁ স্বস্তি ইতি।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

প্ৰাপ্তিস্থান—

শ্ৰীঅমৃত নাৰায়ণ দেৱ গোস্বামী—

পোঃ অঃ বেলশৰ

সাং কৈশৰী সত্ৰ।

শ্ৰীগৌৰী কান্ত দেৱ গোস্বামী—

পোঃ আঃ টীহু

সাং বনিযাকুছি সত্ৰ।

শ্ৰীবাসুদেৱ গোস্বামী—

পোঃ আঃ চেঙ

সাং বহোৰা সত্ৰ

শ্ৰীপদ্মচন্দ্ৰ দেৱ গোস্বামী—

পোঃ আঃ বেলশৰ

সাং কুলশিল সত্ৰ।

নলবাৰী বান্ধৱ প্ৰেছত,

শ্ৰীশশীধৰ দত্তৰ দ্বাৰা—

ছাপা হ'ল।